শিৱসাগৰ ছোৱালী কলেজ

# আলোচনী



১৯৯৫-৯৬

সম্পাদনাত -
প্ৰণতি চেতিয়া

# শিৱসাগৰ ছোৱালী কলেজ

# আলোচনী

১৯৯৫-৯৬ বৰ্ষ

সম্পাদিকা
প্ৰণতি চেতিয়া

**The Sibsagar Girls' College Magazine** *for 1995-96 session. Published by the General Secretary, Sibsagar Girls' College Students' Union, Sibsagar and editted by Miss Pranati Chetia. Printed at M/s Printworks, Shankar Mandir Road, Sibsagar.*

## সম্পাদনা সমিতি ॥

অধ্যক্ষ মঃ হাফিজুৰ ৰহমান — সভাপতি

অধ্যাপক সোণাৰাম বৰুৱা — উপদেষ্টা

অধ্যাপিকা যমুনা বৰগোহাঁই ,,

শ্ৰীমতী মৌচুমী চেতিয়া— সাধাৰণ সম্পাদিকা

শ্ৰীমতী প্ৰণতি চেতিয়া— সম্পাদিকা, আলোচনী বিভাগ

ছাত্ৰী একতা সভা

শিৱসাগৰ ছোৱালী কলেজ

বেটুপাত অঙ্কণ ঃ

শ্ৰীমতী ৰুমা খাউণ্ড

শিৱসাগৰ

মুদ্ৰণ ঃ

মেচাৰ্চ প্ৰিণ্টৱৰ্কস,

শঙ্কৰ মন্দিৰ পথ

শিৱসাগৰ ( ৭৮৫৬৪০ )

দূৰভাষ ঃ ২২২০৮

# ॥ সূচী ॥

শিৱসাগৰ ছোৱালী কলেজ আলোচনী □ ১৯৯৫—৯৬ বৰ্ষ

## ॥ অসমীয়া শাখা ॥


সম্পাদকীয় —

**প্ৰৱন্ধাৱলী ঃ** হে নাৰী, বন্দো কি ছন্দেৰে/অধ্যাপিকা যমুনা বৰগোহাঁই ○ সাম্প্ৰতিক অসমীয়া সাহিত্যলৈ ড° নিৰ্ম্মল প্ৰভা বৰদলৈৰ সাহিত্যিক অৱদান / দীপালি তুৱৰা ফুকন ○ অসমীয়া সাহিত্যৰ ব'দ কাচিয়লীত অন্য এক প্ৰতিভা ৰত্নেশ্বৰ শৰ্ম্মা অধিকাৰ মহন্ত / অংশু মালা দত্ত ○ ভাষা-বিজ্ঞানৰ উৎপত্তি আৰু বিকাশ / অধ্যাপিকা মনোৱাৰা বেগম ○ প্ৰদূষণ নিয়ন্ত্ৰণত মহিলাৰ ভূমিকা / চৈয়দা চমিনা আৰফিন ○ মোৰ প্ৰিয় কবি গণেশ গগৈ / পাৰুল গগৈ ।

**কৱিতা কানন ঃ** মোক তাহানিৰ সৰলতা লাগে / পূৰবী নাথ ○ কাল পুৰুষ / মৰমী গগৈ ○ মোৰ অনুভূতিৰ কৱিতা / ৰবী বৰা ○ কাতিমহীয়া ঘন কুঁৱলীৰ মাজত / নন্দিতা গগৈ ○ সৃষ্টিৰ উন্মাদনাত মোৰ উজাগৰী নিশা / ৰূপৰেখা বৰুৱা ○ উপলব্ধি / অনিমা গোস্বামী ○ মোৰ হুচকু / অঞ্জনা কাগয়ুং ○ অনুভৱত তুমি / বিজুমণি দত্ত বৰুৱা (প্ৰাক্তন ছাত্ৰী) ○ প্ৰাপ্ত-বয়স্ক / তৃষ্ণা বৰগোহাঁই ।

**গল্প-গুচ্ছ ঃ** সংকল্প / কৰবী শেনছোৱা ○ আইতাৰ যুক্তি, মোৰ বিশ্বাস / ময়ূৰী ফুকন ○ লাচনি-পাছনি / নন্দিতা গগৈ ○ দুঃস্বপ্ন / তৃষ্ণা বৰগোহাঁই

**উপন্যাসিকা ঃ** জোনাকত যেতিয়া জুই জ্বলে / ৰবী বৰা

**॥ কলেজৰ প্ৰাচীৰ পত্ৰিকাৰ পৰা ॥**

**প্ৰৱন্ধ ঃ** শান্তি আৰু সুখৰ সন্ধান / অঞ্জলি দেৱী ○ কৱিতা আৰু প্ৰকৃতি / কৰবী শেনছোৱা

**কৱিতা ঃ** হত্যাকাৰী / ৰীতামণি বৈৰাগী ○ বিষাদ / মৌচুমী দত্ত ○ পূৰ্ণ নাৰী / অঞ্জনা চন্দ ○ আহাঁ মেঘালি, তোমাৰ সতে কথা পাতো / ৰূপৰেখা বৰুৱা ○ সৌন্দৰ্য্যতৃষ্ণা / চালমা জামান ○ আধুনিক গীত / প্ৰণতি চেতিয়া ○ স্মৃতি / আৰতি কোঁৱৰ

**ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা**

( বিভাগীয় সম্পাদিকাসকলৰ প্ৰতিবেদন )

# ॥ সম্পাদকীয় ॥

সম্পাদকীয়টি লিখিবলৈ লৈয়েই মনত পৰিছে এফাঁকি সৰু কবিতা –

'জোনাকীৰ এধানি পোহৰে
আন্ধাৰত বাট দেখুৱায়।'

এফাঁকি তেনেই অকণমাণি কবিতা, ঠিক জোনাকী পৰুৱাটোৰ দৰেই। কিন্তু বিচাৰি চালে তাৰ তাৎপৰ্য্য বহু অৰ্থবহ যেন অনুভৱ হ'ব। বিন্দুৰেও সিন্ধুৰ উমান দিব পৰাৰ দৰে বৰ্ত্তমান অন্ধকাৰমুখী পৰিস্থিতিত এখন কলেজ আলোচনীয়ে কি পদক্ষেপ গ্ৰহণ কৰিব পাৰে তাৰ উদ্দেশ্যও হয়তো এই কবিতাফাঁকিয়েই দিব পাৰে।

'নাৰীশিক্ষা' বৰ্ত্তমানৰ সৰ্ব্বপৰিচিত, সৰ্ব্বসন্মত দুটি মাথোন শব্দ। এই নাৰীশিক্ষাৰ বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি তাহা, ইতিহাসপ্ৰসিদ্ধ শিৱসাগৰৰ মধ্যস্থানত অৱস্থিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদিকা ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয় খনিৰ প্ৰতি সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনালোক সদৌটিলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। শ্ৰদ্ধাঞ্জলি যাচিলো সেইসকল পুণ্যাত্মালৈ যি সকলে জননী জন্মভূমিৰ মুক্তিযজ্ঞত ঢালি দিবলৈ কুণ্ঠাবোধ নকৰিলে কলিজাৰ জীয়া তেজ।

এখন আলোচনী এটা জাতিৰ কলিজাৰ তেজ সঞ্চালক আৰু জাতিৰ চিন্তাধাৰাৰ বাহক-স্বৰূপ। এটা জীৱন্ত জাতিৰ আত্মা লুকাই থাকে সেই জাতিৰ সাহিত্যৰ ধমনীত। এটা জাতিৰ মেৰুদণ্ড স্বৰূপ হ'ল এখন আলোচনী। ই এক বিচিত্ৰ বস্তুৰ কামধেনু যেন। বিচিত্ৰমনৰ বিচিত্ৰ সুৰক, ভাৱক প্ৰাণ দি বহুলগণ্ডীলৈ আত্মপ্ৰকাশৰ বাবে উলিয়াই দিব পৰাতেই এখন আলোচনীৰ সফলতা নিৰ্ভৰ কৰে। বৰ্ত্তমানৰ সমসাময়িক সাহিত্যজগতখনত নিজ নিজ স্বাৰ্থৰ হকে বৃহৎ বৃহৎ প্ৰকাশন গোষ্ঠীয়ে আৰু এছাম ছদ্মবেশী দেশপ্ৰেমিকে পৰিকল্পিত ভাৱে সাহিত্যক পণ্য সামগ্ৰীলৈ ৰূপান্তৰ কৰিব খুজিছে। ইয়াতকৈ পৰিতাপৰ কথা বাৰু কি

হ'ব পাৰে ? এনে সাহিত্যই ভাষা-জননীৰ সেৱা আগবঢ়াব পাৰিবনে ? বৰ্ত্তমান এনে এটা সময় আহি পৰিছে যে সাহিত্যৰ বজাৰখন নানা ধৰণৰ বেপেৰুৱা ৰচনাৰে ভৰি পৰিছে। ই নিঃসন্দেহে উন্নতিৰ চিন নহয়। এতিয়া ইয়াৰ বিৰুদ্ধে প্ৰতিবাদৰ সময় আহি পৰিছে আৰু কলেজ আলোচনীখনকে মাধ্যম হিচাপে লৈ আজিৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদৰ স্বৰ ধ্বনিৰে সমাজক, জাতিক জগাই তুলিবৰ হ'ল। ছাত্ৰসমাজৰ প্ৰতিনিধি জাতিৰ ভৱিষ্যত, দেশৰ ভৱিষ্যত। সমাজৰ বিভিন্ন ঘটনাৱাজিৰ পৰা উদ্ভৱ হোৱা চিন্তাচৰ্চ্চাৰ ফলশ্ৰুতিত তেওঁলোকে মনৰ ভাৱক নিজস্ব দৃষ্টিভঙ্গীৰে ব্যক্ত কৰিব খোজে জনগণৰ আগত। ইয়াত বাটকটীয়া হয় কলেজ আলোচনীখন। বিভিন্ন জনৰ বিভিন্ন মনক একেডাল সূতাৰে গাঁথি মিলনৰ পথত আগবঢ়াই দিয়ে আৰু গাবলৈ শিকায় ঐক্যৰ গান। বৰ্ত্তমান সাহিত্যৰ সংকটজনক পৰিস্থিতিত আমি বেজবৰুৱাদেৱৰ 'সকলো আছিল সকলো আছে'তেই ক্ষান্ত থাকিলে নহ'ব। বৰ্ত্তমান আমাৰ সকলো থাকিও একো নথকা অৱস্থা। অসমৰ বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰ প্ৰকৃত ৰূপ বং বৰ্ত্তমান হেৰাই যাবলৈ ধৰিছে। সেয়ে আমি ইয়াক মৰহি যাবলৈ নিদি ন-ন সাজেৰে সজ্জিত কৰি বিশ্বসাহিত্যৰ দৰবাৰত প্ৰতিষ্ঠিত কৰাবলৈ চেষ্টা কৰিব লাগিব। যি জাতিৰ জাতীয়তাবোধ বেছি সেই জাতিয়ে উন্নতিৰ দিশত বেছি আগুৱাব পাৰে। আমি পাহৰি গ'লে নহ'ব যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়তো মহান মহান লিখকসকলৰ লিখনিয়ে দেশবাসীৰ অন্তৰত প্ৰবল জাতীয়তাবোধ গঢ়ি তুলিছিল যাৰ ফলত তেওঁলোকে পৰাধীনতাৰ শিকলি ছিঙিবলৈ সক্ষম হৈছিল। সেয়ে জাতিৰ সংকটৰ সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও কলেজ আলোচনীৰ জৰিয়তেই তেওঁলোকৰ ক্ষুৰধাৰ লিখনিৰে, উদাত্ত কণ্ঠৰ প্ৰদীপ্ত বাণীৰে এই কলুষতাৰ বিৰুদ্ধে প্ৰতিবাদ জনাব ; দৃঢ় কৰিব অসমীয়া ভাষা জননীৰ ভেঁটি।

**সামাজিক পৰিস্থিতিত এভুমুকি ঃ—** বৰ্ত্তমান সমাজৰ জটিল পৰিস্থিতিত আমাৰ সকলোৰে মন ভাৱাক্ৰান্ত হৈ পৰিছে। উনবিংশ শতিকাৰ বিদায়লক্ষণত উপস্থিত হৈ বিংশ শতিকাৰ বুকুলৈ আগবাঢ়ি যোৱা আমাৰ সমাজখনত দিনক দিনে বৃদ্ধি হৈছে অন্যায়, অনীতি আৰু অবিচাৰ। চাৰিওফালে অন্যায়, দুৰ্নীতি, সমাজত কেলেংকাৰী, নাৰীধৰ্ষণ, নাৰীহত্যা আদি সমাজ বিৰোধী কাৰ্য্যকলাপেৰে সমাজ কলুষিত হৈছে। দুই শতিকাৰ যুগসন্ধিক্ষণত বৰ্ত্তমান সমগ্ৰ দেশৰ লগতে অসমৰ আকাশো সকলো বিভীষিকা, অন্যায়, অবিচাৰৰ কলুষতাৰে মেঘাছন্ন হৈ পৰিছে। মুক্ত আকাশৰ তলত মুক্তভাৱে চিন্তাচৰ্চ্চা কৰাৰ পৰিবেশ হেৰাই গৈছে। বৰ্ত্তমান আমি অনবৰতে কৌতুহলী, সংশয়পূৰ্ণ মনোভাৱেৰে জীৱন কটাব লগা হৈছে। স্বাৰ্থৰ কু-চক্ৰই এচাম মানুহৰ মন আৱৰি ধৰিছে বাৰিষাৰ ক'লা ডাৱৰৰ দৰেই। সকলোফালেই এক উন্মুক্ত পৰিবেশ। বৰ্ত্তমান সমাজত নিৰাপত্তা বুলি একো কথা নাই। হিংসা-হিংসি, ঠগ-প্ৰবঞ্চনা, জাতিভেদৰ বিচাৰ আদিৰ

প্ৰকোপতেই সমাজ পঙ্গু কৰি তুলিছে। কোনে জানে ই বিংশ শতিকালৈ আগবাঢ়ি যোৱা সভ্য মানৱ জাতিৰ বিশ্ব দৰবাৰত নিজকে উচ্চ শিখৰত প্ৰতিষ্ঠা কৰিবলৈ কৰা প্ৰয়াসেই নে, নিজকে বিশ্বৰ জনচক্ষুৰ আগত নিঃশেষ কৰাৰ প্ৰচেষ্টাহে মাথোন। সূক্ষ্ম দৃষ্টিভঙ্গীৰে লক্ষ্য কৰিলে আমি অন্তৰেৰে অনুভৱ কৰিব পাৰো যে বিশ্বজনীনতা, নৈতিকতা, মানৱতা, ধৰ্মসংস্কৃতি আদি ধাৰণাবোৰ মানুহৰ মনৰ পৰা স্বতঃস্ফূৰ্ত্তভাৱে নিঃশেষ হৈ যাবলৈ ধৰিছে। প্ৰত্যেকেই শান্তি বিচাৰি মৰুভূমিত মৰীচিকা খেদি ফুৰিছে। অশান্তিৰ উৎস কি তাক বিচাৰ কৰি নিৰ্মূল কৰিবলৈ নিবিচাৰি শান্তিৰ সন্ধানত ব্যতিব্যস্ত হৈ পৰিছে।

**নৈতিক সংকটৰ প্ৰতিচ্ছবি ঃ—** দিনে দিনে যিমানে শিক্ষাৰ প্ৰসাৰতা বাঢ়িছে, সিমানেই ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক অধঃপতন ঘটিছে। বৰ্ত্তমান সৎ, দায়িত্বশীল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা। ঠিক এপাচি শাকত এটি জালুকৰ দৰে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক এই সকলোবোৰ সমস্যাতকৈ বৰ্ত্তমান ভয়াবহৰূপে প্ৰকট হৈ পৰিছে নৈতিক সংকট। বিজ্ঞানে এই নৈতিক অধঃপতনৰ সৃষ্টিকাৰী বিকাৰসমূহৰ উৎসহে উদ্ভাৱন কৰিছে, নিৰ্মূলৰ তত্ত্ব বৰ্ত্তমানলৈকে আবিষ্কাৰ কৰিব পৰা নাই। যি সময়ত ছাত্ৰ-ছাত্ৰীসকল অন্ধকাৰ সমাজত পোহৰৰ প্ৰতিনিধি হ'ব লাগিছিল সেই সময়ত তেওঁলোক নিজেই অন্ধকাৰৰ ছত্ৰছায়াত নিজকে পাহৰি আছে। এনে অৱস্থাৰে আমি জানো দেশৰ ধৰণী ধৰিব পাৰিম? আমি এতিয়া সেয়ে সজাগ হ'বৰ হ'ল। অইন বেছি কৰিব নোৱাৰিলেও জোনাকীৰ দৰে এধানমানি পোহৰ বিলাই অন্ধকাৰ পথেৰে খোজ দিব ধৰা জগতখনক পোহৰৰ বাটলৈ আগবঢ়াই নিবলৈ যৎকিঞ্চিত প্ৰচেষ্টা নিশ্চয় কৰিব পাৰো। কিন্তু এই কাম কৰিবলৈ যোৱাৰ আগতে নিজকে সুস্থভাৱে গঢ়ি তুলিব লাগিব। আদৰ্শক বিজ্ঞানৰ পাততে সীমাবদ্ধ নাৰাখি তাক কৰ্ত্তব্যত প্ৰতিভাত কৰি তুলিব লাগিব। প্ৰতিটো পদক্ষেপতে মনত ৰাখিব লাগিব যে আদৰ্শৱেহে আদৰ্শ দেখুৱাব পাৰি। গতিকে আমি সকলোকেই বিবেকৰ বশৱৰ্ত্তী হৈ মৰুভূমিত মৰীচিকা নেখেদি প্ৰকৃত জীৱনাদৰ্শত আত্মোৎসৰ্গ কৰিবলৈ যত্নপৰ হ'ব লাগিব।

**সংস্কৃতি চিৰপ্ৰবাহমান ঃ—** চিৰপ্ৰবাহিত নৈৰ দৰে সংস্কৃতিও নিৰবধি। কাৰণ যুগৰ পৰিৱৰ্ত্তনৰ লগে লগে পৰিৱৰ্ত্তিত ৰূপ লয় সমাজে, আমাৰ চিন্তা-ভাৱনাবোৰে। গতিকে সংস্কৃতিও পৰিৱৰ্ত্তনশীল হোৱাটো স্বাভাৱিক। কিন্তু সংস্কৃতিৰ এই পৰিৱৰ্ত্তনমুখী সোঁতে যদি আমাৰ থলুৱা কৃষ্টি-সংস্কৃতিক উটাই নিয়ে তেন্তে ই নিশ্চয় অপসংস্কৃতিহে হ'ব। সমাজ পৰিৱৰ্ত্তনশীল বুলিয়েই পৰিৱৰ্ত্তনৰ নামত পশ্চিমীয়া ধ্যান-ধাৰণাৰ অনুগত হোৱাটোকেই আধুনিক বুজায়, নতুবা এইটোও সমৰ্থনযোগ্য নহয় যে নিজৰ পৌৰাণিক ৰীতি-নীতিবোৰকে

খামুচি ধৰি থাকি বহিঃজগতৰ পৰা সম্পৰ্ক বিচ্ছেদ কৰি থাকিব লাগে। প্ৰকৃতাৰ্থত নিজৰ থলুৱা কৃষ্টি-সংস্কৃতিক বাদ নিদি নিজৰ ভালবোৰৰ লগতে আনৰো ভালবোৰ মিলাই পূৰ্বতকৈয়ো উন্নতমানৰ কৰি তোলাটোতহে সংস্কৃতিৰ পৰিবৰ্ত্তনৰ কৃতকাৰ্য্যতা বুলিব পাৰি। আজিকালি এনে এটা দিশ নাই যিটোত নেকি পশ্চিমীয়া সভ্যতাৰ পৰশ পৰা নাই। পৰশ পৰাটো ভুল বুলি ক'বলৈ যোৱা নাই, কিন্তু দুখৰ বিষয় এইটোহে যে ভাল-বেয়া বিবেচনা নকৰি আনৰ সোপাকে লৈ নিজৰবোৰলৈ আওকাণ কৰাটোহে। আমাৰ অসমীয়া সমাজে পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ কৰি আমালৈ কঢ়িয়াই অনা মুক্ত বিলাসভোগী উপাদানসমূহৰ ক্ৰিয়াত দেশীয় সংস্কৃতিৰ ঐতিহ্যৰ স্বাভাৱিক প্ৰকাশ প্ৰায় লুপ্তপ্ৰায়। লগে লগে অৱনমিত হ'ব ধৰিছে মানবীয় প্ৰমূল্যবোধ। গতিকে আমি সকলোৱেই মনত ৰখা ভাল হ'ব যে সংস্কৃতিত মিশ্ৰণৰ প্ৰয়োজন কোনেও নুই কৰিব নোৱাৰে। এই বুলি নিজস্ব সংস্কৃতিক এলাগী কৰি উন্নতিমুখী হ'ব খোজাটো ভুল ধাৰণা। ই নিশ্চয় এক পশ্চাদমুখী প্ৰৱণতা। গতিকে আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও পাহৰিব নালাগে যে দেশৰ সংকটৰ সময়ত, জাতিৰ সংকটৰ সময়ত আমাক অসমৰ কেঁচা মাটিৰ গোন্ধ থকা যিকোনো পৰিবেশৰে নিতান্ত প্ৰয়োজন।

**আলোচনী সম্পাদনাৰ সম্বন্ধে দু-আষাৰ :—** ১৯৯৫ চনৰ ২৭ নবেম্বৰ তাৰিখে কাৰ্য্যভাৰ হাতত লোৱাৰ পৰাই আলোচনীখন প্ৰকাশৰ বাবে যোজা আৰম্ভ কৰো। কাৰ্য্যভাৰ হাতত লৈয়ে 'বাৰ্ষিক কলেজ সপ্তাহ' উপলক্ষে পতা সাহিত্য প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰো। এইবাৰৰ সাহিত্য প্ৰতিযোগিতাত সংলাপ ও কবিতা আবৃত্তি ( ইংৰাজী ও অসমীয়া ) প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰা হয়। তদুপৰি গল্প, কবিতা, গীত, ৰস-ৰচনাৰ পাণ্ডুলিপি প্ৰতিযোগিতা থলীতে লিখা ৰচনা, গল্প ও কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কলেজ সপ্তাহ উপলক্ষে আয়োজন কৰা প্ৰদৰ্শনীখনিত প্ৰাচীৰ পত্ৰিকা 'প্ৰবাহিনী'ৰ শুভ উদ্বোধন কৰে মাননীয় অধ্যক্ষ মহম্মদ হাফিজুৰ ৰহমানদেৱে।

মোৰ কাৰ্য্যকালতে কলেজৰ বাৰ্ষিক মুখপত্ৰখনত প্ৰাচীৰ পত্ৰিকাৰ শিতান এটি অন্তৰ্ভুক্ত কৰা হয়। আলোচনীখনত সাহিত্যৰ প্ৰত্যেকটো দিশ সামৰি সৰ্বাঙ্গসুন্দৰকৈ সজোৱাৰ প্ৰস্তুতি চলাইছিলো। কিন্তু বাৰে বাৰে লিখনিৰ বাবে জাননী দি ব্যক্তিগতভাৱেও অনুৰোধ কৰি আশানুৰূপ সহাৰি নোপোৱাত আলোচনীখন প্ৰকাশত বহু পলম হয়। গতিকে দুখেৰে ক'ব লগা হয় যে দিনে দিনে আমাৰ কলেজৰ ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি অনুৰাগ কমি আহিছে। লিখকৰ সংখ্যা মুষ্টিমেয়। কিন্তু পাঠকৰ সংখ্যা অগণন। এনে বৈষম্যতাপূৰ্ণ অৱস্থাত এখন আলোচনী জীয়াই থকাটো কঠিন। আলোচনী এখন নিজৰ আশানুৰূপভাৱে পাবলৈ হ'লে অৰ্থ, উচিত মানদণ্ডৰ লেখনি, কৰ্তৃপক্ষ, শিক্ষাগুৰু আৰু ছাত্ৰীসকলৰ সহযোগিতা নিতান্তই কাম্য। সেয়েহে

আলোচনীখন সম্পাদনাৰ কাৰ্য্যকালত বহুত অভিজ্ঞতা লাভ কৰিলো। কি পালো বা কি নাপালো তাক বাহুল্য নকৰিলোৱেই বা।

শেষত সিখিনি লিখনিক উপযুক্ত মানদণ্ডৰ বুলি বাচনি কৰা হ'ল তাকে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰি বহু পলমকৈ হ'লেও আপোনালোকৰ হাতত আলোচনীখন তুলি দিবলৈ পাই সুখী হৈছো। অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। মোৰ কাৰ্য্যকালত বিশেষভাৱে দিহা পৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, উপাধ্যক্ষ শ্ৰীযুত বীৰেন তালুকদাৰ, শ্ৰদ্ধেয় শ্ৰীযুত অৰুণ বৈৰাগী চাৰ, শ্ৰীযুত আব্দুল হামিদ চাৰ, শ্ৰীযুত ৰঞ্জিত তামুলী চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আলোচনীখন সম্পাদনাৰ প্ৰতিটো পদক্ষেপতে বহুমূলীয়া দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুতা যমুনা বৰগোহাঁই বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বান্ধৱী ছালিমা, সুৰভি আৰু গীতাঞ্জলিলৈ তেওঁলোকৰ সহায়ৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

'জয়তু ভাষা জননী'

'জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।'

শ্ৰীপ্ৰণতি চেতিয়া
সম্পাদিকা, আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী কলেজ আলোচনী

# হে নাৰী ! বন্দো কি ছন্দেৰে

অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঁই

বৰ্ত্তমান নাৰীয়ে শিক্ষা গ্ৰহণ কৰি পুৰুষৰ সমানে উপযুক্তা হোৱা দেখিবলৈ পোৱা গৈছে। বৈদিক সাহিত্য অধ্যয়ন কৰিলে দেখা যায় যে সুদূৰ প্ৰাচীন কালতো উচ্চ পৰ্য্যায়ৰ স্ত্ৰীশিক্ষাৰ প্ৰচলন আছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিটা উচ্চ জাতিৰ তিৰোতাসকলৰ বেদ অধ্যয়নত অধিকাৰ আছিল। বেদৰ মন্ত্ৰদ্ৰষ্টা নাৰী, শিক্ষয়িত্ৰী, ছাত্ৰী, তপস্বিনী, ব্ৰহ্মচাৰিণী আৰু ব্ৰহ্মবাদিনী সকলৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ঋক বেদৰ পৰা মন্ত্ৰদ্ৰষ্টা ভালে-কেইগৰাকী নাৰীৰ বিষয়ে বিশদভাৱে জানিব পাৰি। উল্লেখনীয় কথা যে সেই কালত মহিলাৰ স্থান সমাজত অতি উচ্চ স্তৰত আছিল। সাংসাৰিক আৰু আধ্যাত্মিক উভয় ক্ষেত্ৰতে মহিলাই নিজৰ উচ্চ চিন্তাচৰ্চ্চাৰ পৰিচয় দিব পাৰিছিল। তাৰ বাবে তদানীন্তন সমাজখন তেওঁলোকৰ বাবে বাধাৰ প্ৰাচীৰ হোৱা নাছিল। বৈদিক পুৰুষসকলে মহিলাৰ প্ৰতি দৰ্শাইছিল অসীম শ্ৰদ্ধা আৰু সন্মান।

বেদৰ কালত যজ্ঞ সম্পাদন কৰাই আছিল বিশিষ্ট ধৰ্ম। যজ্ঞ সম্পাদন নিষ্পন্ন হৈছিল পতি আৰু পত্নীৰ সহযোগতহে। তেওঁলোক উভয়ে যজ্ঞৰ হোতা হ'ব লাগিছিল। পতিৰ লগত একেলগে মিলি যজ্ঞ কৰিছিল বাবেই জায়াৰ নাম পত্নী আৰু উভয়ে দম্পতী। আনহাতে একাধিক বিদুষী নাৰীয়ে বেদজ্ঞান লাভ কৰি নিজৰ প্ৰতিভাৰ বলত অবিবাহিতা হৈও যজ্ঞৰ অধিকাৰী হ'ব পাৰিছিল। ইয়াৰ দ্বাৰা উপযুক্ততা লাভ কৰিলে নাৰীয়ে যে শ্ৰেষ্ঠ আসন আপোনা-আপুনি পাব পাৰিছিল আৰু শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰিব পাৰিছিল সেই কথা প্ৰতীয়মান হয়।

বেদৰ ঋষিসকল আছিল বৈদিক মন্ত্ৰৰ দ্ৰষ্টা। কঠোৰ তপস্যাৰ ফলত তেওঁলোকে বেদৰ মন্ত্ৰ দৰ্শন কৰিব পাৰিছিল। একো একোজন ঋষিৰ ওচৰত একো একোটা বেদৰ

সূক্ত যেতিয়া প্ৰতিভাত হৈছিল তেওঁৰেই সেই সূক্তৰ ঋক্‌সমূহৰ দ্ৰষ্টা, স্ৰষ্টা বা ঋষি। আকৰ্ষণীয় কথা যে সেই কালতে পুৰুষ ঋষিৰ দৰে মহিলা ঋষিও কেইবাটাও সূক্তৰ দ্ৰষ্টা আছিল। কেইবাটাও মন্ত্ৰৰ অধিষ্ঠাত্ৰী আছিল দেৱী। ঋক্‌বেদত তলত দিয়া মহিলা ঋষিসকলৰ নাম পোৱা যায়।

ঋক্‌বেদৰ প্ৰথম মণ্ডল ১৭৯ সূক্তৰ ঋষি হ'ল লোপমুদ্ৰা। এই সূক্তৰ অধিকাৰী দেৱতা কোন উল্লেখিত হোৱা নাই। কিন্তু এই সূক্তত লোপমুদ্ৰা আৰু তেওঁৰ স্বামীৰ কথোপকথন সন্নিবিষ্ট হৈছে। সংলাপৰ বিষয় ৰতি-সম্ভোগ। লোপমুদ্ৰা অগস্ত্য ঋষিৰ সন্মানিতা ভাৰ্য্যা। ৬টা ঋক্‌ত বিধৃত হৈছে এওঁলোকৰ আলাপ। বৈদিক সমাজত বিবাহ আছিল এক সামাজিক সংস্কাৰ। বিবাহ আৰু বিবাহৰ পাছত সন্তান লাভাৰ্থে কৰা ৰতি-সম্ভোগ অতি গুৰুত্বপূৰ্ণ বুলি ভবা হৈছিল। অগস্ত্য আৰু লোপমুদ্ৰাৰ এই নাটকীয় সংলাপৰ মূলো হ'ল ৰতি-সম্ভোগ।

লোপমুদ্ৰা আছিল আদৰ্শ-গৃহিণী। অগস্ত্যই তেওঁক সুধিছিল যে তেওঁক বহুপুত্ৰৰ প্ৰয়োজন নে একপুত্ৰৰ। উত্তৰত লোপমুদ্ৰাই একপুত্ৰৰ কথাহে কৈছিল। তপ-জপ আৰু সাধনাৰ মাজত থাকিও সময়ত সাংসাৰিক ধৰ্ম পালন কৰি সন্তান লাভাৰ্থে পতিৰে সৈতে সহবাস কৰি আদৰ্শ দাম্পত্য জীৱন যাপন কৰাৰ কামনাৰ মন্ত্ৰই বিদুষী লোপমুদ্ৰাৰ দ্বাৰা সৃষ্টি মন্ত্ৰৰ মূল বৈশিষ্ট্য।

ঋক্‌বেদৰ পঞ্চম মণ্ডল ২৯ সূক্তৰ ঋষি হ'ল বিশ্ববাৰা। অৰ্হতা লাভ কৰিলে নাৰীয়েও অকলেই যে বৈদিক যজ্ঞ নিষ্পন্ন কৰিব পাৰে আৰু মন্ত্ৰ ৰচনা বা দৰ্শন কৰাৰ অধিকাৰ থাকিব পাৰে মহিয়সী নাৰী বিশ্ববাৰাই তাৰ প্ৰমাণ। সূক্তৰ দেৱতা হ'ল অগ্নি। দেৱতা সকলৰ স্তৱ উচ্চাৰণ কৰি পূৱমুখী হৈ বিশ্ববাৰাই ঋত্বিক্‌ৰূপে, অগ্নিক আহুতি কৰে। শত্ৰুদমনৰ অৰ্থে, যজমানৰ বিপুল ঐশ্বৰ্য্য লাভৰ বাবে আৰু বিশ্বৰ কল্যাণৰ বাবে তেওঁ অগ্নিৰ ওচৰত কামনা কৰে। দাম্পত্য জীৱন শৃঙ্খলাবদ্ধ কৰিবলৈও প্ৰাৰ্থনা কৰে। বিদুষী বিশ্ববাৰা অত্ৰি ঋষিৰ সন্তান বুলি উল্লেখিত হৈছে।

ঋক্‌বেদৰ অষ্টম মণ্ডলৰ ৯১ সূক্তৰ ঋষি হ'ল অপালা। এই সূক্তৰ দেৱতা হ'ল ইন্দ্ৰ। অপালা অত্ৰি ঋষিৰ কন্যা। চৰ্ম ৰোগত আক্ৰান্ত হোৱাত স্বামীৰ দ্বাৰা পৰিত্যক্তা হয়। এদিন ইন্দ্ৰ দেৱতাক সোমৰস দান কৰাৰ মানসেৰে স্নান কৰিবলৈ ওলাই যায়। ঘূৰি আহোতে সোম লাভ কৰি ইন্দ্ৰ দেৱতাৰ উদ্দেশ্যে অভিষৱ কৰি ইন্দ্ৰক প্ৰাৰ্থনা কৰে। ইন্দ্ৰই সোম পান কৰিলে। তেওঁ অপালাৰ ভক্তি আৰু কৰ্মত মুগ্ধ হ'ল আৰু তেওঁৰ প্ৰেমত পৰিল। স্বামী পৰিত্যক্তা হোৱা স্বত্বেও অপালাৰ ওচৰলৈ ইন্দ্ৰ আহিল আৰু বৰ লবলৈ অনুৰোধ কৰিলে। অপালাই তিনি ঠাইত উৎপাদন বা সৃষ্টি বিচাৰিলে — (১) দেউতাকৰ টপা মূৰত, (২) তেওঁৰ অনুৰ্বৰ শস্যক্ষেত্ৰত আৰু (৩) অপালাৰ নিজৰ শৰীৰত। ইন্দ্ৰই এবাৰ ৰথৰ বহল সুৰুঙাৰে,

এবাৰ গাড়ীৰ ঠেক সুৰুঙাৰে আৰু তৃতীয়বাৰ যুঁৱলীৰ ক্ষুদ্ৰ সুৰুঙাৰে মুঠতে অপালাক তিনি-বাৰ নিষ্কৰ্ষণৰ দ্বাৰা শোধন কৰি চৰ্ম বিশিষ্ট কৰিলে।

এইদৰে বৈদিক মন্ত্ৰৰ জৰিয়তে মহিলা ঋষি অপালাই নিজক চৰ্মৰোগৰ পৰা মুক্ত কৰিব পাৰিছিল।

ঋক্‌বেদৰ দশম মণ্ডল ৩৯ আৰু ৪০ সূক্তৰ ঋষি ঘোষা। বিদুষী ঋষিসকলৰ ভিতৰত ঘোষা অন্যতমা প্ৰধানা। সূক্তৰ দেৱতা অশ্বিনী কুমাৰ যুগল।

মহাভাৰতৰ মতে ঘোষা কক্ষীৱত ঋষিৰ কন্যা। তেওঁ কুষ্ঠ ৰোগাক্ৰান্তা হৈছিল। সেইবাবে বৃদ্ধা-অৱস্থালৈকে তেওঁৰ বিবাহ হোৱা নাছিল। দেব বৈদ্য অশ্বিনী কুমাৰ যুগলক প্ৰাৰ্থনা কৰাত তেওঁলোকে ঘোষাক ভাল কৰি স্বাস্থ্য আৰু সৌন্দৰ্য্য ঘূৰাই দিছিল। ইয়াৰ পিছত ঘোষাই স্বামী লাভ কৰি সুখেৰে বাস কৰিছিল।

ঋক্‌বেদৰ মতে কুমাৰী হৈ থাকোতেই তেওঁ এই সূক্তদ্বয়ৰ গৰাকীণী হয়। পিতৃ গৃহতে শিক্ষা-দীক্ষা জ্ঞান অনুশীলন কৰি সুপণ্ডিতা হয়। বিভিন্ন মন্ত্ৰেৰে অশ্বিনী কুমাৰ দ্বয়ৰ উপাসনা কৰে— যাতে কুমাৰীৰ বাবে সুপতি লাভ হয়, পতিৰ প্ৰিয়পাত্ৰী হয়, পতিগৃহত ধন আৰু ধন-জন লাভ হয়, পতি পত্নীৰ সহবাস সুখজনক হয়। ঘোষাৰ মন্ত্ৰৰ কিছু মূল কথা এনেধৰণৰ —ঃ হে অশ্বিনী কুমাৰ যুগল —আমি ঘোষা ; তোমালোকৰ আশীৰ্বাদত স্ত্ৰীসুলভ গুণসমূহ লাভ কৰি আমি সৌভাগ্যৱতী হৈছো— তোমালোকে কৰুণা কৰা যাতে আমাৰ বিবাহৰ বাবে বৰ আছে। ভাৰ্য্যা পতিৰ হিতৰ বাবে যাতে বৃষ্টি বৰ্ষণ হয়। তেওঁৰ শস্যক্ষেত্ৰত যাতে বিবিধ শস্য উৎপাদন হয়। ঘোষাই ৰোগ-শূণ্য হৈ এই সকলো সুখ ভোগ কৰিবৰ যাতে সমৰ্থ হয়। আকৌ আন কেইটিমান মন্ত্ৰত ঘোষাই কৈছে— "যুৱক যুৱতী আৰু পুৰুষ স্ত্ৰীৰ সহবাসত যি সুখ পোৱা যায় তেনেকুৱা সুখ আমাক অৱগত কৰোৱা। স্ত্ৰীৰ প্ৰতি অনুৰক্ত বলিষ্ঠ স্বামীৰ গৃহত যাবলৈ পোৱাটোহে আমাৰ বাসনা। হে সম্পদশালী দেৱতাদ্বয়, তোমালোকে আমাৰ প্ৰতি সদয় হৈ আমাৰ মনৰ অভিলাস পূৰ্ণ কৰা। আমি তোমালোকৰ স্তৱ সদায় কৰো। আমাৰ প্ৰতি সন্তোষ্ট হৈ আমাৰ পতিৰ ভৱনত ধনবল, জনবল বৃদ্ধি কৰি দিয়া। আমি যি তীৰ্থত পানী খাম সেই তীৰ্থৰ পানী সুবিমল কৰি দিয়া। আমি যি পথেৰে পতিগৃহলৈ যাম, সেই পথত কোনো দুষ্টলোকে বিঘ্ন ঘটালে, তেওঁক বিনাশ কৰা।"

২৮ টা ঋকৰ দুটা সূক্তত এইদৰে কুমাৰী ঘোষাই দেববৈদ্য যুগলক প্ৰাৰ্থনা কৰিছে। কুমাৰী ঘোষাৰ কামনা সৰ্বকালৰ সৰ্ব কুমাৰীৰ কামনা।

দশম মণ্ডলৰ ৮৫ সূক্তৰ মহিয়সী ঋষি হ'ল সূৰ্যা। সূক্তৰ দেৱতা সোম প্ৰভৃতি। সূৰ্যা আছিল জনকল্যাণকামিণী ব্ৰহ্মবাদিনী। এই বেদবাদিনী সূৰ্যাৰ মন্ত্ৰবানত প্ৰকাশিত হৈছিল বিবাহিতা নৱ বধূৰ এক

অপৰূপ চিত্ৰ, আদৰ্শ নাৰীৰ একান্ত সাধনাৰ ফলশ্ৰুতি। এই প্ৰাপ্তি সকলো নাৰীৰে কাম্য।

মন্ত্ৰসমূহত প্ৰথমতে সোম দেৱতাক প্ৰশংসা কৰা হৈছে। তাৰ পাছত কোৱা হৈছে যে সূৰ্যাৰ বিবাহৰ সময়ত অন্য কোনো সহচৰী নহৈ "ৰৈভী" নামৰ ঋক্‌বোৰ সঙ্গী হৈছিল। অৰ্থাৎ সূৰ্যাই যৌতুকত সহচৰী নিনি শিক্ষাদীক্ষাৰে সুশিক্ষিতাৰ গুণবোৰ নিছিল। আনহাতে "নবাংশসী" ঋক্‌বোৰ দাসী হৈছিল। বিবাহিতা বধূ পতিগৃহগামী হওঁতে নানা সঙ্গী লগত যায়। যৌতুক দিয়া হয়। ন-কইনা নানা অলংকাৰেৰে সু-সজ্জিতা হয়। কিন্তু সূৰ্যাৰ ক্ষেত্ৰত সামগানৰ মধুৰ ছন্দবোৰেই মূল্যবান আভৰণ হৈছিল। সূৰ্যাৰ পতিগৃহৰ বাবে কোনো পাৰ্থিব ঐশ্বৰ্য্য সম্পদ লগত নাছিল, আছিল তেওঁৰ নিৰ্মল অন্তৰৰ মহামূল্যবান ৰত্নৰাজি অপাৰ্থিব জ্ঞান জ্যোতিৰ ৰশ্মিপিণ্ড আৰু সামবেদৰ সঙ্গীত সম্পদ।

ইয়াৰ পাছৰ ঋক্‌সমূহত সমগ্ৰ বিশ্বৰ নৱদম্পতিসকলৰ কল্যাণৰ অৰ্থে আৰু বিবাহৰ উদ্দেশ্য সফল হোৱাৰ বাবে দেৱতাৰ ওচৰত কৰা প্ৰাৰ্থনাৰ প্ৰকাশ হৈছে। নাৰীৰ শ্ৰেষ্ঠত্ব প্ৰকাশক এই ঋক্‌বোৰৰ তাৎপৰ্য্য অৰ্থব্যঞ্জক আৰু সাৰ্বজনীন। যেনে — "তুমি শহুৰ, শাহু, ননদ, দেওৰসকলৰ প্ৰতি স্নেহ আৰু সেৱাপৰায়ণ হৈ প্ৰভুত্ব বিস্তাৰ কৰা। সম্ৰাজ্ঞীৰ নিচিনা নিজৰ ব্যক্তিত্ব প্ৰতিষ্ঠা কৰা।" বৰ কইনাই দেৱতাৰ ওচৰত কৰা প্ৰাৰ্থনা মন্ত্ৰ হ'ল— "দেৱতাসকলে আমাৰ পতি-পত্নী উভয়ৰে হৃদয় আৰু মন মিলিত কৰি দিয়ক। বায়ু, ধাতা আৰু বাক্‌দেবীয়ে আমাৰ উভয়কে সংযুক্ত কৰি ৰাখক।" হিন্দু বিবাহ পদ্ধতিৰ এনে শাশ্বত মন্ত্ৰবোৰৰ ৰচয়িতা হ'ল ঋষি সূৰ্যা।

যোগসিদ্ধা ঋষি বাক্ আছিল দশম মণ্ডলৰ ১২৫ সূক্তৰ ৰচয়িতা। ৮ টা ঋকত মহিমাময়ী নাৰীশক্তিৰ স্বৰূপ ইয়াত প্ৰকাশ হৈছে। ঋক্‌ৰ দেৱতা পৰমাত্মা। এই নাৰী বক্তাই যে সকলোৰে ওপৰত আৰু ভূলোক-দ্যুলোক বিয়পি আছে সেইটো মন্ত্ৰবিলাকত স্পষ্টকৈ নিৰ্দ্দেশিত হৈছে। গতিকে এই নাৰী মহিয়সী ঋষি যদিও দেৱীৰ বা পৰমেশ্বৰীৰ পৰ্য্যায়ত উঠিছে। বাক্‌দেৱী চিৰকুমাৰী আছিল। এওঁক অম্ভৃণ ঋষিৰ কন্যা বুলি কোৱা হৈছে। সাধনাৰ সিদ্ধ স্তৰত আৰোহণ কৰি পৰম জ্ঞান প্ৰাপ্তা হৈ ব্ৰহ্মবাদিনীৰূপে প্ৰতিষ্ঠিতা হয়। সেইবাবে ব্ৰহ্ম সাধনাত তেওঁৰ আৰু পৰমব্ৰহ্মাৰ মাজত কোনো পাৰ্থক্য উপলব্ধি নকৰি নিজেই সৰ্বনিয়ন্তা বুলি বাণী উচ্চাৰণ কৰে—

ঃ ময়েই ৰুদ্ৰ, বসু, আদিত্য আৰু বিশ্বদেৱসকলৰ লগত বিচৰণ কৰোঁ। মিত্ৰ বৰুণ, ইন্দ্ৰ, অগ্নি আৰু অশ্বিনী কুমাৰ দ্বয়ক ময়েই ধাৰণ কৰোঁ। ... .. ... —মোৰ মহিমাই ভূলোক দ্যুলোক অতিক্ৰম কৰি বিশাল ৰূপ ধাৰণ কৰে।" এই সূক্তৰ ওপৰত ভিত্তি কৰিয়েই পুৰাণ যুগত দেৱী পূজা বা শক্তিপূজাৰ বিকাশ হয়। পাছলৈ এই সূক্ত "দেৱী সূক্ত" বুলিও আখ্যাপ্ৰাপ্ত হৈছে।

আন এগৰাকী মহিয়সী ঋষি হ'ল দেৱী ঋষি ইন্দ্রানী। এই গৰাকী বিদুষী ১৪৫ সূক্তৰ ঋষি। এই সূক্তৰ দেৱতা হ'ল সপত্নী পীড়ন। ৬টা ঋকৃত বিধৃত এই সূক্তত স্বামীৰ অন্য পত্নী থাকিলে তেওঁক কেনেকৈ ক্লেশ দিব পাৰি তাৰ ওপৰত প্ৰাৰ্থনা কৰা হৈছে।

ইন্দ্রানী দেৱৰাজ ইন্দ্রৰ মহিষী। ইন্দ্র পত্নী হিচাপে তেওঁৰ আন ২টি নাম শচী বা ঐন্দ্রী। এওঁৰ আন দুটি নাম পৌলুমী আৰু মহেন্দ্রীও।

এই সূক্তটিৰ পৰা সেই কালত বহু বিবাহ প্ৰচলন থকাৰ কথা ধাৰণা কৰিব পাৰি। কাৰণ ইন্দ্রানীয়ে এই ঋক্‌সমূহত সপত্নীৰ স্বামীৰ ওচৰত প্ৰভাৱ বা প্ৰভুত্ব নাশ কৰাৰ প্ৰাৰ্থনা কৰিছে। সপত্নীৰ মাজত যে অতীত কালৰ পৰাই পাৰস্পৰিক বিদ্বেষভাৱ আছে ইয়াৰ পৰাই সেই কথা জনা যায়। তেওঁৰ মন্ত্রত এনেদৰে কোৱা হৈছে -

: "হে ঔষধি, আমি যেন প্ৰধান হওঁ, প্ৰধানৰো প্ৰধান হওঁ। আমাৰ সপত্নী যেন নীচৰো নীচ হৈ থাকে। —গাই গৰু যেনেকৈ পোৱালীৰ প্ৰতি ধাৱিত হয়, তেনেকৈ স্বামীৰ মন যাতে মোৰ ফালে ধাৱিত হয়।" এনেবোৰ মন্ত্র সকলো প্ৰধানা পত্নীৰ বাবে হিতাৰ্থক হৈছে।

আন এগৰাকী বিদুষী নাৰী হ'ল —কল্যাণকামিনী বিদুষী যমী। ১৫৪ সূক্তৰ দ্ৰষ্টা ঋষি বিদুষী যমী। ৫টা ঋকেৰে এই গৰাকী বিদুষীয়ে বিদেহী আত্মাই পুণ্য লাভ কৰি পৰলোকত শান্তি পাবলৈ উপাসনা কৰিছে। মন্ত্রৰ দেৱতা প্ৰেতাত্মন। তেওঁৰ মন্ত্রবোৰ এনে ধৰণৰ— : হে যম, যিসকল পূৰ্বপুৰুষ পুণ্যকৰ্মৰ দ্বাৰা পুণ্যবান হৈছে, পুণ্যৰ সোঁত বৃদ্ধি কৰিছে, যিসকল তপস্বী সেইসকলৰ ওচৰলৈ এই প্ৰেতৰ দেৱতা যাওক"।

: হে দেৱতা, যিসকল বুদ্ধিবান ব্যক্তিয়ে সৎকৰ্ম কৰি দেখুৱাই সূৰ্যৰ তেজ ৰক্ষা কৰিছে, তপস্যাৰ পৰা উৎপন্ন হৈ তপস্যাই সাধনা কৰিছে, তেওঁলোকৰ আত্মাৰ কল্যাণৰ বাবে আপুনি সেইসকলৰ ওচৰলৈ যাওক"।

: হে দেৱতা, যিসকলে শাৰীৰিক মায়া ত্যাগ কৰি যুদ্ধক্ষেত্ৰত সংগ্ৰাম কৰি প্ৰাণ আহুতি দিছে, যিসকলে দান দক্ষিণাৰে নিজক ত্যাগ কৰিছে, সেইসকলৰ ওচৰলৈ আপুনি যাওক"।

এইবোৰ মন্ত্ৰৰ দ্বাৰাই মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰা হৈছে। ব্যক্তিৰ পাৰলৌকিক উন্নতিৰ বাবে যমীয়ে দৰ্শোৱা এই মন্ত্র এক উল্লেখযোগ্য সৃষ্টি।

প্ৰাচীন এই বিদুষী নাৰীসকল অকল যে কবিয়েই আছিল এনে নহয় তেওঁলোকৰ উপনয়ন আৰু গায়ত্রীতো অধিকাৰ আছিল। ঋগ্‌বেদ সংহিতাৰ দিনৰ পৰা সূত্ৰ-সাহিত্যৰ কাললৈকে তিনিটা উচ্চ শ্ৰেণীৰ তিৰোতাসকলক লগুণ দিয়া হৈছিল। তেওঁলোকে সাৱিত্ৰী বা গায়ত্রী মন্ত্র জপ কৰিছিল, যজ্ঞাগ্নি প্ৰজ্বলিত কৰিছিল আৰু অন্যান্য শাস্ত্ৰৰ লগতে বেদো অধ্যয়ণ কৰিছিল।

পূৰ্বকালত ব্ৰহ্মবাদিনী আৰু সদ্যোবধূ নামে দুই শ্ৰেণীৰ নাৰী আছিল। এই দুই শ্ৰেণীৰ ভিতৰত ব্ৰহ্মবাদিনীসকলৰ উপনয়নত অধিকাৰ আছিল। এওঁবিলাকে যজ্ঞাগ্নি প্ৰজ্বলিত কৰিছিল, বেদ অধ্যয়ণ কৰিছিল আৰু নিজৰ ঘৰতে ভিক্ষা মাগিছিল। সদ্যোবধূ নামৰ ইটো শ্ৰেণীৰ নাৰীক লগুণ দিয়াৰ পাছত বিয়া দিয়া হৈছিল। ব্ৰহ্মবাদিনীসকলে বিয়া নকাৰিছিল। এওঁলোকে নৈষ্ঠিক ব্ৰহ্মচাৰী ল'ৰাবিলাকৰ নিচিনাকৈ চিৰকাল অবিবাহিতা হৈ থাকিব বুলি প্ৰতিজ্ঞা কৰিছিল। আনহাতে সদ্যোবধূ নাৰীসকলক উপকুৰ্বান ব্ৰহ্মচাৰী ল'ৰাবিলাকৰ লগত তুলনা কৰিব পাৰি। এই শ্ৰেণীৰ ব্ৰহ্মচাৰীসকলে গুৰুগৃহত শিক্ষা সাং কৰি ঘৰলৈ উভতি গৈ বিবাহ আদি কাৰ্য্য সমাধা কৰি গাৰ্হস্থ্য জীৱনৰ পাতনি মেলিছিল।

বৈদিক যুগত অধ্যয়নৰতা ছাত্ৰীৰ বাহিৰেও শিক্ষয়িত্ৰী নাৰীও আছিল। আচাৰ্যা আৰু উপাধ্যায়া শব্দবোৰে স্ত্ৰী শিক্ষয়িত্ৰীৰ কথাকেই সূচায়। পতঞ্জলিয়ে তেওঁৰ বিশ্ববিশ্ৰুত মহাভাষ্যত আপিশালী আৰু ঔদমেৰ্ধী এই দুগৰাকী শিক্ষয়িত্ৰী নাৰীৰ নাম উল্লিয়াইছে। আপিশালী নামে বৈয়াকৰণৰ ব্যাকৰণ যি শিক্ষয়িত্ৰীয়ে নিজে অধ্যয়ণ কৰিছিল আৰু শিক্ষা দিছিল তেওঁকে আপিশালী বুলিছিল। ঔদমেৰ্ধী নামে এগৰাকী শিক্ষয়িত্ৰী আছিল। এওঁৰ ছাত্ৰ-ছাত্ৰীসকলক ঔদমেধ বুলিছিল। কাশিকাবৃত্তি নামে পাণিনি ব্যাকৰণৰ এটি টীকাৰ গ্ৰন্থকাৰে 'কাশকৃৎস্ন ব্ৰাহ্মণী' নামে এগৰাকী শিক্ষয়িত্ৰীৰ নাম উল্লেখ কৰিছে। এওঁ কাশকৃৎস্ন নামৰ বৈয়াকৰণৰ ব্যাকৰণ শিকাইছিল।

সংহিতা ব্ৰাহ্মণ আৰু উপনিষদকে আদি কৰি বিশাল বৈদিক সাহিত্যত ভালেমান বিদুষী নাৰীৰ নাম পোৱা যায়। ইয়াৰ ভিতৰত গাৰ্গী আছিল উচ্চশিক্ষিতা, বিদুষী আৰু যশস্বিনী নাৰী ঋষি। এওঁ বৈদিক যুগৰ বিদুষী নাৰীসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠা আছিল। ৰজা জনকৰ ৰাজসভাখন শিক্ষা আৰু ধৰ্ম বিষয়ক আলোচনা, তৰ্ক বিতৰ্কৰ কেন্দ্ৰস্থল আছিল। এই জনকৰ ৰাজসভাত শাস্ত্ৰজ্ঞ ঋষি যাজ্ঞবল্ক্য আৰু অন্যান্য ঋষিসকলৰ ভিতৰত শাস্ত্ৰবিষয়ক তুমুল বিচাৰ বিতৰ্ক হৈছিল। যাজ্ঞবল্ক্যই যেতিয়া অন্যান্য ঋষিসকলক তৰ্কত, শাস্ত্ৰ বিচাৰত পৰাস্ত কৰিলে তেতিয়া গাৰ্গীয়ে তেওঁৰ লগত বিচাৰ কৰিবলৈ আগবাঢ়ি আহিল। অন্যান্য সকলো ঋষিক তৰ্ক যুদ্ধত পৰাস্ত কৰা যাজ্ঞবল্ক্যৰ নিচিনা প্ৰখ্যাত শাস্ত্ৰজ্ঞ, ব্ৰহ্মজ্ঞ, বিচাৰ কুশলী তাৰ্কিকেও ব্ৰহ্মবাদিনী নাৰী ঋষি গাৰ্গীক তৰ্কত পৰাস্ত কৰিব নোৱাৰিলে ; গাৰ্গীয়েও যাজ্ঞবল্ক্যক পৰাস্ত কৰিব নোৱাৰিলে। তেওঁলোক দুয়ো শাস্ত্ৰ বিচাৰত সমান হৈয়ে থাকিল। বৃহদাৰণ্যকোপনিষদৰ ৩–৬ আৰু ৩–৪ খণ্ডত গাৰ্গী আৰু যাজ্ঞবল্ক্যৰ মাজত হোৱা শাস্ত্ৰ বিষয়ক দুটা বিখ্যাত বিতৰ্কৰ উল্লেখ আছে।

এই একেখন উপনিষদতে আমি ঋষি যাজ্ঞবল্ক্য আৰু তেওঁৰ পত্নী মৈত্ৰেয়ীৰ মাজত হোৱা আধ্যাত্মিক আলোচনাৰ বিষয়ে

জানিবলৈ পাওঁ। যাজ্ঞবল্ক্যৰ মৈত্ৰেয়ী আৰু কাত্যায়ণী নামে দুগৰাকী পত্নী আছিল। এওঁবিলাকৰ ভিতৰত মৈত্ৰেয়ী আছিল ব্ৰহ্মবাদিনী আৰু কাত্যায়ণী আছিল সাংসাৰিক জ্ঞান সম্পন্না। যাজ্ঞবল্ক্যই যেতিয়া সংসাৰ পৰিত্যাগ কৰি তেওঁৰ সমুদায় পাৰ্থিৱ বিষয়বস্তু পত্নী দুগৰাকীৰ হাতত সমৰ্পণ কৰি প্ৰব্ৰজ্যা বা সন্যাস অৱলম্বন কৰি তপোবনলৈ যাবলৈ সাজু হ'ল তেতিয়া মৈত্ৰেয়ীয়ে আধ্যাত্মিক প্ৰেৰণা প্ৰণোদিত হৈ পতিক সুধিলে, – "এই পৃথিৱীখন যদি ঐশ্বৰ্য্যৰে পৰিপূৰ্ণ কৰা যায়, তেন্তে মই অমৰত্ব লাভ কৰিব পাৰিমনে ?" যাজ্ঞবল্ক্যই ক'লে— "নোৱাৰা, ঐশ্বৰ্য্যৰ দ্বাৰা অমৰত্ব লাভৰ আশা নাই।" ইয়াকে শুনি মৈত্ৰেয়ীয়ে ক'লে, "যিবোৰে মোক অমৰত্ব দিব নোৱাৰে সেইবোৰ অসাৰ বস্তু লৈ মই কি কৰিম ?" মৈত্ৰেয়ীৰ এই অবিস্মৰণীয় আৰু বিশ্ববিশ্ৰুত বাণীয়ে যুগে যুগে ঋষি, মুনি আৰু সত্যান্বেষীসকলৰ অন্তৰ আলোড়িত কৰি আহিছে। Winternitz আদি কৰি পাশ্চাত্যৰ পণ্ডিতসকলে প্ৰাচীন ভাৰতৰ এগৰাকী নাৰীৰ হৃদয়ত উদিত হোৱা এনে আধ্যাত্মিক জ্ঞান-পিপাসাৰ বিষয়ে উচ্চকণ্ঠে প্ৰশংসা কৰি গৈছে। মৈত্ৰেয়ীৰ এই উক্তিত মানবাত্মাৰ চিৰ অতৃপ্তিৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। মেথিউ আৰ্নল্ডৰ ভাষাত এয়ে "Divine discontent"— মানৱ হৃদয়ত ভগৱৎপ্ৰেৰিত অতৃপ্তি। আচলতে পাৰ্থিৱ প্ৰাচুৰ্য বা ঐশ্বৰ্য্য-বিভূতিয়ে মানুহৰ দৈহিক আৰু ঐহিক বাসনা পৰিতৃপ্ত কৰিব পাৰে — কিন্তু তেওঁৰ আধ্যাত্মিক স্পৃহা বা অমৰত্বৰ আকাংক্ষা কেতিয়াও পূৰণ কৰিব নোৱাৰে। বিদুষী নাৰী মৈত্ৰেয়ীয়ে প্ৰেৰণাৰ উৎস দি থৈ গৈছে।

বৈদিক যুগৰ পিছত সমাজত নাৰীৰ স্থান কেনে হৈছিল সেইকথা আমাৰ অবিদিত নহয়। মনুসংহিতাৰ দিনত তেওঁলোকক সমাজত আগৰ যুগৰ উন্নত স্থানৰ পৰা বহুত তলৰ খাপলৈ নমাই অনা হ'ল। শেষত স্ত্ৰী আৰু শূদ্ৰৰ বেদ অধ্যয়নত অধিকাৰ নাই বুলি বিধান দি উচ্চ শ্ৰেণীৰ নাৰীসকলকো শূদ্ৰৰ শাৰীলৈ নমাই অনা হ'ল। কিন্তু আদৰ্শৰ মৃত্যু ঘটিব নোৱাৰে। ওপৰত উল্লেখ কৰা মহিয়সী নাৰীসকলৰ গৰিমাৰাজি আমাৰ আদৰ্শৰ মাপকাঠি হওক। নাৰী সুশিক্ষিতা, সুগৃহিণী আৰু পুৰুষৰ দৰে জ্ঞানী হলে নাৰী মুক্তিৰ বাট নিজে নিজে প্ৰশস্ত হ'ব। ০০০

# "সাম্প্ৰতিক অসমীয়া সাহিত্যলৈ ড° নিৰ্মল প্ৰভা বৰদলৈৰ সাহিত্যিক অৱদান"

## —এটি অৱলোকন ।

শ্ৰীদীপালী দুৱৰাফুকন
স্নাতক ৩য় বাৰ্ষিক (কলা)

সাম্প্ৰতিক অসমীয়া সাহিত্যত "ড° নিৰ্মলপ্ৰভা বৰদলৈ" এটি জনপ্ৰিয় নাম। সাম্প্ৰতিক অসমীয়া সাহিত্যত ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে শ্ৰেষ্ঠ মহিলা কবি, বিশিষ্টা নিবন্ধ লেখিকা আৰু এগৰাকী আগশাৰীৰ গীতিকাৰ হিচাপে স্বকীয় স্থান উলিয়াই লৈছে। সাহিত্য অকাডেমীৰ পুৰস্কাৰ প্ৰাপ্ত সাম্প্ৰতিক অসমীয়া কবিতাৰ একমাত্ৰ মহিলা কবি ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম হৈছিল ১৯৩৩ চনত, এইখন শিৱসাগৰ চহৰৰে পুৰণা আমোলাপট্টিত। দেউতাকৰ নাম আছিল ৺ধৰ্মেশ্বৰ শৰ্ম্মা বৰদলৈ আৰু মাতৃ স্বৰ্গীয়া মুক্তা দেৱী। প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল ২নং প্ৰাইমেৰী স্কুলত। প্ৰথমমানৰে পৰা বিশ্ববিদ্যালয়লৈকে সকলো শ্ৰেণীতে সকলো বিষয়তে সদায় প্ৰথম হোৱা এই গৰাকী তীক্ষ্ণ বুদ্ধিসম্পন্না শিৱসাগৰৰ জীয়ৰী আজি অসমৰ গৌৰৱ স্বৰূপ। বিশ্ববিদ্যালয়ৰ অধ্যাপিকা, অসমীয়া সাহিত্যৰ গৱেষিকা এই গৰাকী নাৰীয়ে ইতিমধ্যে অসম সাহিত্য সভাৰ সভাপতি পদৰ নিচিনা গুৰুত্বপূৰ্ণ আসনতো বহিবলৈ সক্ষম হৈছে। তেওঁ মুঠতে অসমীয়া সাহিত্যলৈ বৰ্ত্তমানলৈকে ইংৰাজী, অসমীয়া মৌলিক অনুবাদ আৰু সম্পাদনা মিলি সত্তৰ খনমান পুথি আগবঢ়াইছে। তেওঁৰ সাহিত্যিক অৱদান এইদৰে আলোচনা কৰিব পাৰি।

### ১। কবি হিচাপে ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ

সাম্প্ৰতিক অসমীয়া কবিতাৰ নিঃসন্দেহে শ্ৰেষ্ঠ মহিলা কবি ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে কেইবাখনো কাব্য গ্ৰন্থ অসমীয়া সাহিত্যলৈ আগবঢ়াইছে। সেই কেইখন হৈছে ঃ— ১। বনফৰিঙৰ ৰং (১৯৬৭) ২। দিনৰ পাছত দিন (১৯৭৭) ৩। সমীপেষু (১৯৭৭) ৪। অন্তৰংগ (১৯৭৮) ৫। সুদীৰ্ঘ দিন আৰু ঋতু (১৯৮২)।

আধুনিক কবিতাৰ প্ৰথম স্তৰৰ পঞ্চাছৰ দশকত ৰমন্যাসিক কবিতাৰে আত্ম

প্ৰকাশ কবি নব্য ৰমন্যাসিক আধুনিক কবি-তালৈ উন্নীত হোৱা ড° বৰদলৈ প্ৰধান মহিলা কবি। সৰু কালৰে পৰাই তেওঁ কাব্য চৰ্চা কৰিছিল। তেওঁৰ প্ৰথম কবিতাটি আছিল "জনমভূমি"। পঞ্চাছৰ দশকতে কবি হিচাপে "ৰামধেনুত" আত্ম প্ৰকাশ কৰিলেও পাছৰ দুটা দশকতহে তেওঁ কবি হিচাপে প্ৰতিষ্ঠিত হ'য়। তেওঁৰ কবিতা ইতিমধ্যে আধুনিক ভাৰতীয় সাহিত্যৰ কবিতা সংকলনত অনুবাদ হৈ প্ৰকাশিত হৈছে।

পঞ্চাছ আৰু ষাঠি–দশকৰ ভিতৰত ৰচিত কেইটিমান কবিতাৰ সংকলনৰ ৰূপ হৈছে বন ফৰিঙৰ ৰং। এই কবিতাখিনি সৰল য'ত কবিগৰাকীৰ অনুভূতিৰ প্ৰখৰতা, সংবেদনশীলতা ফুটি উঠা নাই। এই কবিতা-বোৰ অনুশীলন পৰ্য্যায়ৰহে।

"দিনৰ পাছত দিন" নামৰ কবিতা পুথিখনি তেওঁৰ কবি জীৱনৰ প্ৰথম কীৰ্ত্তি বুলিব পাৰি। ইয়াত প্ৰকাশিত কবিতাবোৰ ১৯৬৮ চনৰ পৰা ১৯৭৫ চনৰ ভিতৰত ৰচিত আৰু ইয়াৰ প্ৰথম কবিতাটোৰ নাম "অব্যক্ত"। ইয়াৰ অন্যান্য কেইটামান উল্লেখযোগ্য কবিতা হৈছে ৰাতিৰ বাঁহী, অন্ধকাৰ, দুখৰ পাহাৰ, পথৰুৱা গীত 'করুণতম', 'শব্দত' ইত্যাদি। এই চুটি চুটি কবিতাবোৰত কবিয়ে ভাৱ তীব্ৰতা, দুখ, আশংকা আৰু নিৰাশা প্ৰকাশ কৰিছে। বিশেষকৈ "শুকান হাড়" নামৰ কবিতাটি কবিৰ দুখৰ, নিৰাশাৰ প্ৰতীক। "করুণতম" নামৰ কবিতাটিত কবিয়ে নতুন প্ৰজন্মৰ বাবে একো থৈ যাব নোৱৰাৰ তীব্ৰ আশংকা প্ৰকাশ কৰিছে। কবিয়ে বিশিষ্টতাৰ শীৰ্ষ বিন্দুত উঠিছে এই কবিতাটোৰ যোগেদি।

"আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকৈ নাকত আহি লাগিলে
মই হেৰাই পাওঁ মোৰ দেউতাক
দোকানৰ জাপ থকা গামোছাৰ সুবাসত
হেৰাই পাওঁ মোৰ আইক।
মই মোক মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম ?
ক'ত ?" (করুণতম)

এই কবিতাপুথিৰ "শব্দত" নামৰ কবিতাটোত কবিয়ে "বন্দুকক" সশস্ত্ৰ সংগ্ৰামৰ প্ৰতীক হিচাপে আৰু "চৰাই"ক শান্তিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰি এটা নতুন পুৱাৰ জন্মৰ অৱস্থান নিৰ্ণয় কৰি কৈছে :–

বন্দুকৰ শব্দত ৰাতি দুপুৱায়
পুৱায় সেই চৰাইটোৰ মাতত
যি কুটি খায়
ৰাতিৰ অন্ধকাৰবোৰ
লাহে লাহে। (শব্দত)

এই সংকলনত শ্ৰেষ্ঠ কবিতাটো হ'ল "মৰ্মান্তিক"। সাধাৰণতে এই সংকলনৰ আৰু দুটামান ঋতুবিষয়ক কবিতা হ'ল বহাগ, বিহু, ফুলৰ লগ্ন ইত্যাদি। এই কাব্য সংকলনেই তেওঁক কাব্য সাহিত্যত সুপ্ৰতিষ্ঠিত কৰিছে। তেওঁ এই কাব্য সংকলনৰ বাবে অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ কাব্য গ্ৰন্থ পুৰস্কাৰটি লাভ কৰিছিল। কবি নিৰ্মলপ্ৰভা বৰদলৈৰ তৃতীয় কবিতাপুথি খনি হ'ল "সমীপেষু"। ইয়াৰ কবিতাসমূহ দুখাত্মক

অনুভূতি, বিষন্নতা, আশংকা আদিৰ দ্বাৰা ভাৰাক্ৰান্ত। এই সংকলনৰ কেইটিমান উল্লেখযোগ্য কবিতা হৈছে বিষাদ, আন্তৰ্জাতিক, কেৰল বিষাদ, উভলাশিপা, এতিয়া, ওতঃপ্ৰোত, অপৰাজিতা ইত্যাদি। জীৱন যুঁজত যে কবি অপৰাজিতা তাৰ ইংগিত "অপৰাজিতা" নামৰ কবিতাত কবিয়ে এই-দৰে দিছে :—

"হে মোৰ শ্ৰোতস্বিনী তুথ
মোৰ শীৰ্ণ শিৰৰ অৰণ্যৰে
প্ৰবাহিত হৈ থাকা
মই ভাগৰা নাই।"
– অপৰাজিতা

কবিৰ চতুৰ্থ কাব্য পুথিখনৰ নাম অন্তৰংগ (১৯৭৮)। মাত্ৰ বত্ৰিশ পৃষ্ঠাৰ এখনি সৰু কাব্য পুথি যি খনিয়ে তেওঁক প্ৰেমৰ কবি ৰূপে প্ৰতিষ্ঠিত কৰিছে। "সংজ্ঞা : প্ৰেমৰ" নামৰ কবিতাত কবিয়ে প্ৰেমৰ সংজ্ঞা এনেদৰে দিছে— "কিজানি তেতিয়াই সোমাই পৰে—
নীলা আকাশখন ফুলৰ পাহিটোত
খহি পৰে অন্ধকাৰ ভৰি তলুৱালৈ।
গৰ্ভলৈ –
গৰ্বেৰে যায় বিদ্যুৎ। ছাই
হয় জংঘা, স্তন, শৰীৰৰ সৰু খেৰীঘৰ।"

সুন্দৰ চিত্ৰকল্প, প্ৰতীকী অৰ্থ ব্যঞ্জিত আৰু হৃদয়স্পৰ্শী অনুভূতিৰ তীব্ৰ প্ৰকাশ এই কবি-তাৰ বৈশিষ্ট্য। এই কাব্য পুথিৰ অন্যান্য কেইটামান প্ৰেমৰ কবিতা "তান্ত্ৰিক" "শৰৎ" "বসন্তৰ এদিন" আদিত্ৰ মাটিৰ মানুহৰ দেহা গৰকা প্ৰেমৰ কুণ্ঠাৰিহীন চানেকি প্ৰকাশ পাইছে।

"সুদীৰ্ঘ দিন আৰু ঋতু" নিৰ্মল প্ৰভা বৰদলৈৰ সাহিত্য অকাডেমী পুৰস্কাৰ ধন্য শ্ৰেষ্ঠ কাব্য গ্ৰন্থ। ১৯৮২ চনত ৰচনা কৰা এই কবিতা পুথিখনিত কবিয়ে শতাধিক গীত আৰু কবিতাৰ মাজত কবিৰ মানসিকতা সুন্দৰকৈ প্ৰকাশ কৰিছে। কবিতা পুথিখনি একাধিক খণ্ডত বিভক্ত কৰিছে। কবিতা পুথিখনিৰ 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ কবিতাটোত কবিয়ে সপোন দেশৰ পৰা বাস্তৱলৈ উত্তৰণ কৰিছে। এই কবিতা পুথিখনিৰ উল্লেখযোগ্য কবিতাবোৰ হৈছে— সমুদ্ৰ শংখ, অভিষেক, ঋক মন্ত্ৰৰ দৰে, মৰ্মবেদনা, প্ৰতিবাদ 'সুদীৰ্ঘ দিন আৰু ৰাতি ধৰি' আই, অপৰাজেয় ইত্যাদি ইত্যাদি। এই পুথিখনি নিঃসন্দেহে কবি বৰদলৈৰ শ্ৰেষ্ঠ কবি প্ৰতিভাৰ নিদৰ্শন। তেওঁৰ কবিতা সাধাৰণ পাঠকেও সহজে বুজিব, অনুভৱ কৰিব পাৰে। গীতি ধৰ্মিতা, অনুভূতি প্ৰৱণতা আৰু নিজস্ব স্বল্প ভাষী ৰীতি তেওঁৰ কবিতাৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন। প্ৰতিটো কবিতাত প্ৰকাশ পোৱা চিত্ৰকল্পৰ সমাবেশলৈ লক্ষ্য ৰাখি তেওঁক চিত্ৰকল্পবাদী কবি বুলিও কোনো কোনোৱে কয়। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে কৈছে— "কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীল ভাৱে মঞ্জুল ভাষা আৰু চিত্ৰধৰ্মী বৰ্ণনাত প্ৰকাশ কৰিব পৰা প্ৰতিভা বৰদলৈৰ সত্তৰ দশকৰ কবিতাত পৰিস্ফুট হৈছে।" হেৰুৱা দিনলৈ উভতি যোৱাৰ প্ৰৱণতা, মনত লগা কল্পচিত্ৰ, নৈসৰ্গিক প্ৰকৃতিৰ লগত আত্মিক

বন্ধন আৰু ব্যক্তিগত আশা নিৰাশাৰ অনুপম চিত্ৰ কিছুমান কবিতাত মৰ্মস্পৰ্শী ভাৱে প্ৰকাশ পাইছে।

মুঠতে আধুনিক মনৰ কোমল হৃদয়ানুভূতিৰে প্ৰকৃতিৰ অদ্ভুত বিগত সমাজ, অনাগত দিন আৰু বৰ্ত্তমানৰ ক্লেদাক্ত পৰিবেশ আৰু সীমিত জীৱনৰ ঐশ্বৰ্য্য বিভূতি যুক্তক ছন্দৰ অবাৰিত গতিত প্ৰকাশ কৰি স্বকীয় স্থান উলিয়াই লৈছে।

## ২। নিবন্ধ লেখিকা হিচাপে বৰদলৈ—

সাম্প্ৰতিক অসমীয়া সাহিত্যত ড° নিৰ্মল প্ৰভা বৰদলৈ এগৰাকী বিশিষ্ট নিবন্ধ লেখিকা হিচাপে বিখ্যাত। কবিতা আৰু গীত ৰচনাৰ লগে লগে নিবন্ধ সাহিত্যতো তেওঁ নিৰ্দিষ্ট আসন লাভ কৰিছে। ড° বৰদলৈয়ে কেইবাখনো নিবন্ধ পুথি ইতিমধ্যে অসমীয়া সাহিত্যলৈ আগবঢ়াইছে। সেই কেইখন হ'ল— ১। কবিতাৰ কথা (১৯৮১)

২। অসমৰ লোক কবিতা (১৯৮৭)

৩। কবিতা দেশী / বিদেশী (১৯৮৭)

৪। সাহিত্য আৰু সংস্কৃতি (১৯৮৭)

৫। নতুন কবিতা আৰু প্ৰকৃতি (১৯৮৮)

৬। অসমৰ লোক সংস্কৃতি (১৯৭২)

৭। দেৱী (১৯৮৬)

**"কৱিতাৰ কথা"** নামৰ পুথিখনিত বৰদলৈয়ে কবিতাৰ প্ৰকৃতি, ৰোমান্টিক কবিতা আৰু কেইবাজনো বৰেণ্য কবিৰ কবিতাৰ সুন্দৰ সমালোচনা আগবঢ়াইছে। লগতে এই পুথিখনিত তেওঁৰ অসম সাহিত্য সভাৰ কবি সন্মিলনত দিয়া বক্তৃতাটিও সন্নিৱিষ্ট কৰিছে। এইখন পুথিত বিশেষ নতুনত্ব নাই। গতানুগতিক পদ্ধতিৰ কেইটিমান নিবন্ধ।

তেওঁৰ ২য় খন গ্ৰন্থ **"অসমৰ লোক-কৱিতাৰ"**ত লোকসাহিত্যৰ এঘাৰটা নিবন্ধ আছে এই নিবন্ধকেইটিত বৰদলৈয়ে লোকগীতৰ বিভিন্ন বিষয়সমূহ শ্ৰেণীভূক্ত কৰি নতুনত্ব প্ৰদান কৰিছে। সেইদৰে **"আধুনিক কবিতা"** নামৰ পুথিখনত কবিয়ে নতুন কবিতাৰ সংজ্ঞা, বৈশিষ্ট্য আৰু প্ৰতীক, চিত্ৰকল্প, ছন্দ আৰু ভাষা সম্পৰ্কে প্ৰচলিত সূত্ৰবোৰৰ লগত নিজস্ব চিন্তা চৰ্চা সংযোগ কৰি নতুনত্ব ফুটাই তুলিছে। অসমীয়া বিষয়ৰ ছাত্ৰ-ছাত্ৰী আৰু লগতে সাধাৰণ পাঠকেও ইয়াক সহজতে বুজিব পৰাকৈ সৰল ভাষাৰে এই পুথিখনি প্ৰণয়ন কৰিছে। কবিতা **"দেশী/বিদেশী"** নামৰ পুথিখনিত ঋকবেদৰ কবিতাৰ পৰা কালিদাস, জীৱনানন্দ, হিন্দী কবি মহাদেৱী বৰ্মালৈ আৰু উত্তৰ পূৱ ভাৰতৰ বিভিন্ন জনজাতীয় ভাষাৰ কবিতাৰ পৰিচয় দাঙি ধৰিছে। তদুপৰি বাংলা কবিতাৰ পৰা জাৰ্মানী, ফৰাছী, ৰাছিয়া, আমেৰিকা, থাইলেণ্ড, আফ্ৰিকা আদিৰ কবিতাৰ সংক্ষিপ্ত পৰিচয় মুঠ তেইশটা অধ্যায়ত সামৰিছে। **'সাহিত্য সংস্কৃতি'** নামৰ গ্ৰন্থত বেছি সংখ্যক সাহিত্য সম্বন্ধীয় আৰু অন্যান্য বিষয়ৰ মুঠ ১৪ টা নিবন্ধ আছে। ইয়াৰ ভিতৰত "চন্দ্ৰাৱলী দুনিশাৰ তাৎপৰ্য্য" সংস্কৃতি/দুষ্কৃতি, "নিচুকণি গীত" "জ্যোতিৰ শিশু সাহিত্য" আদি নিবন্ধ উল্লেখনীয়।

ড° বৰদলৈৰ গৱেষণা আধাৰিত অন্য এখনি পুথি হ'ল "নতুন কবিতা আৰু

প্ৰকৃতি"। ইয়াত কবিতাৰ লগত প্ৰকৃতিৰ সম্পৰ্ক বিচাৰ কৰিছে আৰু কবিতাৰ কাব্যিক সৌন্দৰ্য্য বিচাৰত নতুনত্ব সানিছে।

"অসমৰ লোক সংস্কৃতি" তেওঁৰ অন্য এখনি প্ৰধান গ্ৰন্থ। অসমীয়া সংস্কৃতিৰ বিভিন্ন বিষয়-সমূহ সামৰি লেখিকাই ইয়াত লোকসংস্কৃতিৰ বিভিন্ন নীতি নিয়ম, বিশ্বাস লোকাচাৰ, আদি সূক্ষ্ম ভাৱে পৰ্য্যবেশন কৰিছে।

"দেৱী" অন্য এখন তেওঁৰ বহুমূলীয়া পুথি। এই পুথিখনিৰ বাবে তেওঁ "সৰস্বতী" পুৰস্কাৰ পাইছে। অসমৰ জনজাতীয় পৰম্পৰাত দেৱীৰ স্থান কেনে এই বিষয়ত তেওঁ গৱেষণা কৰি নানা তথ্য উদ্‌ঘাটন কৰি উলিয়াইছে। নিবন্ধকাৰ নিৰ্মল প্ৰভা বৰদলৈক এই দুখন পুথি 'অসমৰ লোক সংস্কৃতি" আৰু 'দেৱীয়ে' গদ্য সাহিত্যত এখন সুকীয়া আসন প্ৰদান কৰিছে।

## ৩। গীতিকাৰ হিচাপে ড° নিৰ্মল প্ৰভা বৰদলৈ ঃ

তেওঁ সাম্প্ৰতিক অসমীয়া গীতিকাৰ সকলৰ অন্যতম মহিলা গীতিকাৰ হিচাপে শ্ৰেষ্ঠ। সাধাৰণ অসমীয়া জনগণৰ মাজত তেওঁ গীতিকাৰ হিচাপেহে বেছি জনপ্ৰিয়। এই গৰাকী গীতিকাৰৰ গীতেৰে আকাশ বাণী, দূৰদৰ্শন কেন্দ্ৰ, নানা কথাছবি, নাটকত বিভিন্ন গায়ক গায়িকাই জনপ্ৰিয়তা অৰ্জন কৰিছে। তেওঁ বৰ্ত্তমানলৈকে পোন্ধৰশতকৈও বেছি গীত ৰচনা কৰিছে। প্ৰতীকবাদী আৰু চিত্ৰকল্পবোৰে তেওঁৰ গীতক কাব্যিক মৰ্য্যদা দান কৰিছে। তেওঁৰ ৰচিত গীতৰ পুথি কেইখন হ'ল—

১। সোণবৰণী আই (১৯৮০) ২। সুৰীয়া মাত (১৯৮২) ৩। সূৰুযমুখী (১৯৮৫)

এই পুথিকেইখনৰ গীতত প্ৰকৃতিৰ ঋতু জোনাক, নিয়ৰ, নিবিড় বন, কুঁৱলী, কহুৰা ফুল, মেঘ, নদী, অসমীৰ মাটি লগতে নাৰী হৃদয়ৰ স্পৰ্শকাতৰ সুকোমল অনুভূতি, স্বদেশ প্ৰীতি আদিৰ সুন্দৰ প্ৰতিফলন ঘটিছে। এই গীতবিলাকৰ ভিতৰত "সোণৰ খাৰু নালাগে মোক" "মনৰ মৰম যদি" ',তোমালৈ কিমান মৰম", "মই এই মাটিৰে", "বৰষা ঋতু ভাল পাওঁ মই" ইত্যাদি ইত্যাদি গীত অসমীয়াৰ চিৰ পৰিচিত। তেওঁৰ কিছুমান বনগীত অতি জনপ্ৰিয়। "চ'তৰে চাপৰিত" "দূৰলৈ নাযাবি নাৱৰীয়া গৰা খহনীয়াই পাব" "চকুলৈ চালো মই" ইত্যাদি জনপ্ৰিয় গীতে শ্ৰোতাৰ মন প্ৰাণ আপ্লুত কৰে। স্বদেশ প্ৰেমৰ গীত হিচাপে "সোণবৰণী আই তোমাৰ" "বুকুৰ আপোন আই" "আই তোৰ মুখে চাই" ইত্যাদি উল্লেখনীয়। তেওঁৰ গীতত বিভিন্ন গায়ক গায়িকাই প্ৰাণ ঢালি গাই মনৰ ভাৱ প্ৰকাশ কৰিছে। বিশেষকৈ ভূপেন হাজৰিকাৰ কণ্ঠত তেওঁৰ ৰচিত "সীমাৰ সিপাৰে তৃপ্তি আমাৰ / মাজত তৃষাৰ নৈ" এটি সুন্দৰ গীত।

মহিলাৰ বাবে সাহিত্য চৰ্চা কৰাটো সাহসিকতাৰ পৰিচায়ক। যিহেতু মহিলাৰ বাবে সাহিত্য চৰ্চা কৰিবলৈ বহু সময়ত আমাৰ দেশত এটা সু-পৰিবেশ নাই। সেয়ে বহুতো মহিলা লেখিকাৰ (১৪ পৃষ্ঠাত চাওক)

# অসমীয়া সাহিত্যৰ ৰ'দ কাঁচিয়লীত অন্য এক প্ৰতিভা ৰত্নেশ্বৰ শৰ্মা অধিকাৰ মহন্ত

অংশুমালা দত্ত
স্নাতক ৩য় বাৰ্ষিক

অসমীয়া ভাষা-সাহিত্যৰ এটি অতি ৰাকতজিলিকা নাম ৰত্নেশ্বৰ শৰ্ম্মা অধিকাৰ মহন্ত জোনাকী যুগৰ লেখকসকলৰ ভিতৰত অন্যতম। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ তৃতীয় পাদত যিদৰে বেজবৰুৱা, আগৰৱালা আৰু গোস্বামীয়ে অসমীয়া ৰমন্যাস ধাৰাৰ হাতা হৈ অসমীয়া ভাষা-সাহিত্যৰ পৰিপুষ্টিত অগ্ৰসৰ হৈছিল তেনে এক সন্ধিক্ষণত অভাৱৰ তাড়নাত ৰত্নেশ্বৰ মহন্তই কলেজীয়া শিক্ষা ত্যাগ কৰি জীৱন-নিৰ্বাহৰ বাবে নগাঁৱত কৰাণীৰ কামত যোগদান কৰিব লগা হৈছিল। অন্তৰতঃ এনেবিলাক কাৰণতে সাধাৰণ অসমীয়া পঢ়ুৱৈৰ মাজত আপেক্ষিক ভাৱে তেওঁ এটা নিলগীয়া আৰু অকলশৰীয়া তৰা হৈয়ে থাকিল। কিন্তু ৰত্নেশ্বৰ মহন্তদেৱৰ যি সাহিত্যিক অৱদান ই অসমবাসীৰ বাবে গৌৰৱৰ কাৰণ। খেতি কৰা, মাছ মৰা, ধান দোৱা আদি বতৰৰ বতৰা তেওঁৰ কবিতাত সুন্দৰ ভাবে প্ৰকাশ পাইছে। বাস্তৱ জীৱনৰ লগত প্ৰকৃতিৰ সঁচা পৰিবেশ সৃষ্টি কৰি কবিতাত নতুনত্ব প্ৰকাশ কৰিছে। উদাহৰণ স্বৰূপে তেওঁ 'হেমন্ত' নামৰ কবিতাটিত লিখিছে—

'শৰতে ল'লে বিদায়
নিয়ৰৰ মুকুতাৰ, ডিঙ্গিত পিন্ধাই হাৰ,
শৰীৰত দিয়া, কুঁৱলী খনীয়া,
প্ৰকৃতিক সজুৱাই,
লগত লইয়াশীত, কাতিৰ বিহু দুঃখিত
ঋতু হিমৰন্ত, ধীৰে আসিলন্ত
তৰু-লতা নচুৱাই।'

'তলাতল ঘৰ' নামৰ আন এটা কবিতাত অতীতক বৰ্ত্তমানৰ ৰূপ দি ৰংপুৰত থকা তলাতলৰ ভগ্নাৱশেষ উপলক্ষ্য কৰি লেখকে লেখিছে—

'তুমি তলাতল, কত ৰঙ্গ আদৰৰ স্থল.
..............................
হৃদয় ভিতৰে, মন প্ৰাণ বিয়াকুল কৰে।

মুঠ চৌব্বিছটা কবিতাৰে সংগ্ৰহিত 'কবিতাৰ হাৰ' আধুনিক যুগৰ প্ৰথম কবিতা সংগ্ৰহ বুলিব পাৰি। স্কুলীয়া শিক্ষা জন্মস্থান

গুৱাহাটীতে সাং কবি নগাঁৱত কৰ্ম জীৱন আৰম্ভ কৰে। এটা সাংস্কৃতিক পৰিবেশ সৃষ্টিত নগাঁৱত ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ যি অৱদান, চুটি জীৱন কালত ৰত্নেশ্বৰ মহন্তৰ অৱদানো তাৰ পাছতে উল্লেখ কৰিব পাৰি। ৰত্নেশ্বৰ মহন্তৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত 'আসাম বন্ধু'ৰ সম্পাদক গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ প্ৰেৰণা অদ্বিতীয়।

নাট্য সাহিত্যলৈ আগবঢ়োৱা তেওঁৰ অমূল্য নাট 'দ্ৰৌপদী হৰণ', 'জয়দ্ৰথ বধ' আৰু 'গোপ লীলা'। 'মধুলেখা' গ্ৰন্থত অতুল চন্দ্ৰ হাজৰিকাই ৰত্নেশ্বৰ মহন্তৰ আন এখন নাট 'দ্ৰৌপদীৰ বেণীবন্ধন'ৰ কথা উল্লেখ কৰিছে।

ৰত্নেশ্বৰ মহন্তৰ সাহিত্য কৰ্মৰ আৰু কেইটিমান দিশ সহজে আমাৰ চকুত পৰে। তেখেতে 'পাঠাৱলী' নাম দি তিনি ভাগ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ পাঠ্যপুথি ৰচনা কৰিছিল। অৱশ্যে ৰজনীকান্ত বৰদলৈয়ে সাহিত্য সভা অভিভাষণত মহন্তৰ 'জ্ঞানাঙ্কুৰ' নামৰ আন এখন পুথিয়ো পোৱা যায় বুলি উল্লেখ কৰিছে। কিন্তু 'পাঠাৱলী' আৰু 'জ্ঞানাঙ্কুৰ' প্ৰকাশৰ বাট বিচাৰি নাপায় হয়তো কলিতেই মৰহি গ'ল।

তাৰোপৰি এই ডেৰকুৰি বছৰীয়া জীৱন কালৰ ভিতৰতে তেখেতৰ সাহিত্য-ৰাজিক লৈ বিভিন্ন সময়ত পণ্ডিত হেমচন্দ্ৰ গোস্বামীলৈ ইংৰাজীতে বহুতৰোৰ চিঠি লিখিছিল। এইবিলাকেও তেখেতৰ সাহিত্য কৰ্মৰ এটি উজ্জ্বল দিশ সোঁৱৰাই দিয়ে।

ৰত্নেশ্বৰ মহন্তদেৱে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা সাহিত্যৰ অন্যতম আকৰ্ষণীয় অৱদান হ'ল— জোনাকীত প্ৰকাশ পোৱা 'মনোবৃত্তি', 'ভাৱনা', 'বিবাহ', 'জয়মতী কুঁৱৰী', 'গাৰো বৃত্তান্ত', 'অসমীয়া আৰু বিদেশী সাজ', 'ঘৈণীৰ কৰ্তব্য আৰু স্ত্ৰী-শিক্ষা', 'জান্তৱ জীৱন', 'ৰাম সৰস্বতী', 'অসমত মান', 'মোৱামৰীয়া বিদ্ৰোহ', 'তুলাৰাম সেনাপতি', 'চুটিয়া' ইত্যাদি ৰচনা আৰু প্ৰবন্ধবিলাক।

ডেৰকুৰি বছৰীয়া এই কেৰাণী সাহিত্যিকজনৰ জীৱন অধ্যয়নত এটা কথা অতি স্পষ্টভাৱে প্ৰকাশ পায় যে মহন্তদেৱৰ ব্যক্তিগত জীৱন অতি পৰিপাটি আৰু নিয়মানুৱৰ্ত্তী আছিল।

শেষত হেমচন্দ্ৰ গোস্বামীৰ ভাষাৰে কবলৈ গলে "দুখীয়া দেশৰ ৰত্ন, দুখৰ সোদৰ" ৰত্নেশ্বৰ মহন্ত আছিল 'বহু আশাৰ কুমলীয়া তোপাকলি।" ০০০

(১২ পৃষ্ঠা পিচৰ পৰা) অকালতে প্ৰতিভা হেৰাই যায়। এই সকলো বাধা নিঘিনি নেওচি যি সকল মহিলা লেখিকাই সাহিত্য সাধনাত ব্ৰতী হৈছে আৰু অসমীয়া সাহিত্যলৈ বিভিন্ন বিষয়ত বিভিন্ন অৱদান আগবঢ়াইছে সেইসকল নিজৰ প্ৰতিভাৰ স্বতন্ত্ৰ দীপ্তি। বিশ্ববিদ্যালয়ৰ নিচিনা গুৰুত্বপূৰ্ণ পদত থাকিও ড° নিৰ্মল প্ৰভা বৰদলৈয়ে আজি অসমীয়া সাহিত্যলৈ যিখিনি আগবঢ়াইছে আৰু আগবঢ়াব, সেই বৰঙণিয়ে তেওঁক অসমীয়া সাহিত্যাকাশত জিলিকাই ৰাখিব চিৰদিনলৈ। ০

# ভাষা-বিজ্ঞানৰ উৎপত্তি আৰু বিকাশ

—মনোৱাৰা বেগম
অধ্যাপিকা

ভাষাৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন বা ভাষা-বিজ্ঞানৰ চৰ্চাই বৰ্ত্তমানৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰাৰ বেচিদিন হোৱা নাই। অৱশ্যে ব্যাকৰণ চৰ্চাই সুদূৰ অতীতৰ পৰাই পণ্ডিত সমাজত স্থান পাইছিল। ব্যাকৰণত কেৱল কোনো এটা ভাষাৰ প্ৰতিষ্ঠিত পৰিমাৰ্জিত ৰূপটোৰ গঠন পদ্ধতিৰ বিষয়ে আলোচনা কৰা হয়। ভাষা তাত্বিকেও কোনো এটা ভাষাৰ লিখিত ৰূপটোক লৈহে অধ্যয়ন কৰে; কোনো পুথি বা শিলালিপিৰ পাঠান্তৰ অধ্যয়ন কৰি এটা ভাষাৰ শুদ্ধ আৰু পূৰ্ণ ৰূপ নিৰ্ণয় কৰাই ভাষাতত্ত্বৰ কাম। কিন্তু ভাষা-বিজ্ঞানে ভাষাক স্বাভাৱিক ৰূপতেই অধ্যয়ন কৰে। অৰ্থাৎ ভাষা-বিজ্ঞানীয়ে কোনো ভাষাৰ লিখিত ৰূপক বা সাহিত্য-সম্বলিত ভাষাক যেনেকৈ অধ্যয়ন কৰে ঠিক তেনেকৈয়ে লিখিত ৰূপ বা সাহিত্য নথকা কথিত ভাষাকো অধ্যয়ন কৰে। এটা ভাষাৰ অন্তৰ্ভুক্ত উপ-ভাষা আৰু স্থানীয় উপভাষাসমূহেও ভাষা-বিজ্ঞানত মান্য ভাষাৰ সমানেই গুৰুত্ব আৰু মৰ্য্যদা লাভ কৰে। তদুপৰি ভাষাৰ উৎপত্তি, ক্ৰমবিকাশ, স্থান, কাল আৰু অন্য ভাষাৰ প্ৰভাৱত হোৱা একোটা ভাষাৰ পৰিবৰ্ত্তন আদি সকলো বিষয় ভাষা-বিজ্ঞানৰ অন্তৰ্গত। মুঠতে স্থিতিৰ দিশৰ পৰা ব্যাকৰণ আৰু ভাষা-তত্ত্বৰ সৈতে ভাষা-বিজ্ঞানৰ পাৰ্থক্য বাৰীৰ ভিতৰৰ পকীনাদ আৰু বিশাল সাগৰৰ মাজৰ পাৰ্থক্যৰ দৰে। সেয়ে হ'লেও, বস্তুতঃ প্ৰাচীন ব্যাকৰণৰ ভেটিতেই আধুনিক ভাষা-বিজ্ঞান প্ৰতিষ্ঠিত।

ভাষাৰ বিষয়ে জনাৰ আগ্ৰহ ইউৰোপত প্ৰথমে গ্ৰীকসকলে দেখুৱাইছিল। তেওঁলোকে ভাষাৰ উৎপত্তি, ইতিহাস আৰু গঠনৰ বিষয়ে চিন্তা কৰিছিল। এই চিন্তাই পৰৱৰ্ত্তী কালত পাশ্চাত্য ভাষা বিজ্ঞানৰ বিকাশত সহায় কৰিছে। অৱশ্যে প্ৰাচীন গ্ৰীকসকলে কেৱল তেওঁলোকৰ নিজৰ ভাষাটোহে অধ্যয়ন কৰিছিল। নিজৰ ভাষাৰ ওপৰত বৈয়াকৰণিক পৰ্য্যবেক্ষনো তেওঁলোকে চলাইছিল আৰু এই ভাষাৰ পদ, বাক্য-ৰীতি, বিভক্তি, বচন, লিঙ্গ, পুৰুষ, কাল, ভাব ইত্যাদিও আৱিষ্কাৰ কৰিছিল; কিন্তু এইবোৰ ব্যাখ্যা কৰিবলৈ স্বীকৃত ভাষা-বৈজ্ঞানিক শব্দ ব্যৱহাৰ কৰা নাছিল।

গ্ৰীকসকলৰ আহিতে ৰোমানসকলে লেটিন ব্যাকৰণ ৰচনা কৰে। মধ্যযুগীয় ইউৰোপীয় পণ্ডিতসকলে ভাষা বুলিলে কেৱল লিখিত শাস্ত্ৰীয় লেটিনকেই বুজিছিল আৰু এই ভাষাৰ ব্যাকৰণ অধ্যয়ন কৰিছিল। নৱন্যাস যুগত পুনৰ গ্ৰীক ভাষাৰ অধ্যয়নৰ প্ৰতি মনোযোগ দিয়া হ'ল আৰু ইয়াৰ পাচতেই হিব্ৰু আৰু আৰবী ভাষাকো অধ্যয়নৰ বাবে গ্ৰহণ কৰা হ'ল। এই সময়তেই বিভিন্ন দেশৰ কিছু সংখ্যক পণ্ডিতে সমসাময়িক ভাষাৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰে।

ইউৰোপৰ বাহিৰত বহু জাতিয়ে ইতিমধ্যে ভাষা-বিষয়ক অধ্যয়নত ভালেখিনি অগ্ৰসৰ হৈছিল। এওঁলোকৰ অধ্যয়ন আছিল প্ৰধানকৈ পুৰাতত্ত্ব ভিত্তিক। আৰবসকলে পবিত্ৰ কোৰাণৰ আৰ্হিৰ শাস্ত্ৰীয় ৰূপৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল। আকৌ আৰবী ব্যাকৰণৰ আৰ্হিতেই ইহুদীসকলে হিব্ৰু ব্যাকৰণ ৰচনা কৰিছিল। প্ৰাচ্যত চীনাসকলে এই বিষয়ত যথেষ্ট অগ্ৰগতি লাভ কৰিছিল। জাপানী ব্যাকৰণেও নিজস্ব পদ্ধতিত গঢ় লৈ উঠিছিল। এই সকলোৰে ওপৰত, ভাৰতবৰ্ষত ব্যাকৰণ চৰ্চাই উন্নতিৰ সৰ্বোচ্চ শিখৰত আৰোহণ কৰিছিল। ভাৰতীয় ব্যাকৰণেই পশ্চিমীয়া পণ্ডিতসকলৰ সন্মুখত ভাষা অধ্যয়নৰ নতুন ধাৰাৰ দ্বাৰ উদ্‌ঘাটন কৰি দিলে। খৃষ্টপূৰ্ব চতুৰ্থ শতাব্দীৰ আগতেই পাণিনিয়ে প্ৰণয়ন কৰা সংস্কৃত ব্যাকৰণখন প্ৰাচীন ভাৰতীয় মনীষাৰ মহৎ নিদৰ্শন। এই অষ্টাধ্যায়ী ব্যাকৰণখন সংস্কৃত ভাষাৰ প্ৰত্যেকটো ৰূপ, সাধন, গঠন, বাক্‌-ৰীতি ইত্যাদিৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা-সম্বলিত। আজি পৰ্য্যন্ত পৃথিবীৰ অন্য কোনো ভাষাকে কোনেও ইমান নিখুঁত ভাবে বিশ্লেষণ কৰিব পৰা নাই। ষোড়শ শতিকাৰ পৰাই সংস্কৃত ভাষা আৰু ইয়াৰ ব্যাকৰণ সম্পৰ্কে কিছু কথা পাশ্চাত্যৰ পণ্ডিতসকলে জানিব পাৰিছিল। উনবিংশ শতিকাৰ ফালে তেওঁলোকে এই বিষয়ে যথেষ্ট জ্ঞান আহৰণ কৰিববলৈ সক্ষম হয়। তথ্যৰ সলনি পৰ্য্যবেক্ষণৰ সহায়ত কেনেকৈ এটা ভাষাৰ সম্পূৰ্ণ আৰু নিখুঁত আলোচনা কৰিব পাৰি সেই বিষয়ে ভাৰতীয় ব্যাকৰণে পশ্চিমীয়া পণ্ডিতসকলৰ চকু মুকলি কৰি দিলে। তদুপৰি, বিভিন্ন ভাষাৰ মাজত তুলনামূলক অধ্যয়নৰ সম্ভাৱনাৰ আভাসো দিলে। এনেদৰেই পাণিনিৰ সংস্কৃত ব্যাকৰণৰ ওপৰত ভিত্তি কৰিয়েই ভাষা-বিজ্ঞানৰ নতুন ধাৰা বিকশিত হ'ল।

বিগত দুটা শতিকাত ইউৰোপ আৰু আমেৰিকাত ভাষা-বিজ্ঞানৰ অধ্যয়নত মনোনিবেশ কৰা লোকৰ সংখ্যা যথেষ্ট। সাম্প্ৰতিক কালত ভাষা-বিজ্ঞানীসকলৰ বেলেগ বেলেগ সম্প্ৰদায় ( School ) গঢ়ি উঠিছে। এই সম্প্ৰদায়বোৰৰ প্ৰত্যেকৰে নিজস্ব মতবাদ, ৰীতি আৰু পৰিভাষা আছে। এইবোৰৰ জৰিয়তে ভাষা-বিজ্ঞানে বৰ্ত্তমান সম্পূৰ্ণ বিজ্ঞানৰ ৰূপত ঠন ধৰি উঠিছে। ০০০

# প্ৰদূষণ নিয়ন্ত্ৰণত মহিলাৰ ভূমিকা

চৈয়দা চমিনা আৰফিন ( চিমি )
স্নাতক ২য় বাৰ্ষিক ( কলা )

মানৱ সভ্যতা আৰু বিজ্ঞানৰ অভিনৱ বিজয়ৰ লগে লগে উদ্ভৱ হোৱা সমস্যাসমূহৰ ভিতৰত পৰিবেশ প্ৰদূষণে সৰ্বাধিক গুৰুত্ব লাভ কৰা সময়ত দেশৰ মহিলাসকলে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণৰ সময় আহি পৰিছে। মাটি, পানী, বায়ু, শাব্দিক, ঔদ্যোগিক, ৰাসায়নিক প্ৰভৃতি প্ৰদূষণে দৈনন্দিন মানৱ জীৱনৰ অঙ্গে অঙ্গে বিয়পোৱা বিষবাষ্পলৈ চাই মহিলাসকলে নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই কথা স্বীকাৰ্য্য যে ঘৰখনৰ ৰান্ধনিশালতে প্ৰাতঃকালে আৰম্ভ হোৱা ধোঁৱাৰ প্ৰদূষণৰ লগত ভিন ভিন ঠাইৰ প্ৰদূষিত কণা একাকাৰ হৈ হোৱা ভয়ঙ্কৰ প্ৰদূষণে সুস্থিৰে জীয়াই থকাৰ প্ৰশ্নটো লৈ সকলোকে চিন্তিত কৰি তুলিছে।

জনসাধাৰণৰ বসতিৰ চৌপাশে থকা জীৱিত প্ৰাণীৰ জগতখনেই হ'ল জৈৱিক পৰিবেশ। বেক্টেৰিয়া, ভেকুৰ, ভাইৰাচ, কীট-পতংগ, চৰাই-চিৰিকতি, তৰুতৃণ, হাবি বন আদিৰে সৃষ্টি হৈছে এই মনোৰম জৈৱিক পৰিবেশ। এইবোৰৰ বেছি ভাগেই ইটোৰ লগত সিটোৰ এক নেৰানেপেৰা সম্পৰ্ক ৰক্ষা কৰি আছে। এই সম্পৰ্কৰ আঁত ধৰে পৰিবেশে; এই পৰিবেশেই আজি অসুস্থ। জনসংখ্যা বৃদ্ধিৰ লগে লগে বিজ্ঞানৰ প্ৰয়োগিক প্ৰগতিয়ে মানৱ জীৱনলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়ালেও জনবিস্ফোৰণৰ প্ৰচণ্ড হেঁচাত সেউজ সুন্দৰ নিৰ্মল পৰিবেশ দিনক দিনে বিষময় গতিলৈ উৰা মাৰিছে।

বিশ্বত প্ৰকৃতিৰ ভয়াবহতা সম্পৰ্কে জনসাধাৰণক সজাগ কৰা প্ৰথম গৰাকী বিজ্ঞানী হ'ল 'ৰাকেল কাৰ্ছন' নামৰ এগৰাকী মাৰ্কিন মহিলা। তেওঁ পৰিবেশ সম্পৰ্কে চিন্তা-চৰ্চা কৰি, জীৱ মণ্ডলত অপকাৰী ৰাসায়নিক পদাৰ্থৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰি 'চাইলেণ্ট স্প্ৰিং' নামৰ কিতাপ এখন ৰচনা কৰিছিল। সেইদৰে পৰিবেশক সুস্থ সবল কৰি ৰখা অমাত গছ-গছনিৰ ওপৰত চলা নিৰ্মম লুণ্ঠন দমন কৰিবলৈ উত্তৰ প্ৰদেশৰ গাড়োৱালী মহিলাসকলে 'গছেই জীৱন' 'গছেই মাতৃ' শ্লোগানেৰে মুখৰিত কৰি গছক সাৱটি ধৰি কৰা আন্দোলনেই 'চিপকো আন্দোলন'। 'চিপকো' শব্দৰ

অৰ্থ হ'ল সাৰটি ধৰা। উত্তৰ প্ৰদেশৰ সমগ্ৰ উত্তৰাঞ্চল হিমালয় পৰ্বত-মালাৰে আবৃত। পৰ্বতৰ নামনি অঞ্চল এসময়ত শুকাঠি গছেৰে ভৰা আছিল যদিও মানুহে কাটি নোহোৱা কৰিলেও চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত, তিনি চাৰিগৰাকী মহিলাই একো-জোপা গছক সাৱটি অবশ্য সংৰক্ষণ কৰিছিল। ইয়াৰ পিছতো মহিলাসকলে 'মহিলা মণ্ডল' নামৰ এটা সংগঠন পাতি বনাঞ্চল বোধ কৰাৰ ব্যৱস্থা লয়।

অসমত এনে নহলেও অন্ততঃ বন ৰক্ষাৰ শ্লগানেৰে সমদল উলিয়াই বন বিষয়া-সকলক মহিলাসকলে সতৰ্ক কৰিব পাৰে।

অকাৰণতে থকা ঘৰৰ দুৱাৰ খিৰিকি বন্ধ কৰি ৰাখিব নালাগে। চলাচল বিহীন বায়ু বিষাক্ত আৰু তাৰ বিষক্ৰিয়া আৰম্ভ হয় মানুহৰ দেহত। ঘৰৰ ভিতৰৰ বতাহতকৈ বাহিৰৰ বতাহ কম দূষিত। যি কোনো ধোঁৱাৰ পৰা নিৰ্গত হোৱা ৰং, গোন্ধ নোহোৱা কাৰ্বন-ডাই-অক্সাইড মানব দেহৰ বাবে অতি ক্ষতি-কাৰক। আমাৰ বেছিভাগ মানুহৰে ৰান্ধনি শালত আহল-বহল খিৰিকি আৰু চৌকাৰ ধোঁৱা ওলাই যোৱা সু-ব্যৱস্থা নাথাকে। আধা পোৰা খৰিৰ ধোঁৱাও কাৰ্বন-ডাই-অক্সাইডযুক্ত। ৰন্ধনত ব্যৱহাৰ কৰা কয়লা, কেৰাচিন আদিৰ ধোঁৱায়ো থকা ঘৰৰ কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বঢ়ায়। মহিলাসকল সেয়ে সতৰ্ক হোৱা উচিত যাতে ৰান্ধনিশালত সদায় মুক্ত বায়ু চলাচলৰ সুবিধা থাকে। ভিতৰত জমা হোৱা ধোঁৱা ওলাই যোৱাৰ পথ নাথাকিলে সেই ধোঁৱা ৰান্ধনিৰ চকু, মুখত সোমাই চকুৰোগ, শ্বাসৰোগ সৃষ্টি কৰে। সেয়ে ঘৰখনক কেন্দ্ৰ কৰি হ'ব পৰা প্ৰদূষণক ৰোধ কৰাৰ ভূমিকা প্ৰতিগৰাকী মহিলাই পালন কৰিব লাগে।

শব্দৰ জোখক কোৱা হয় ডেচিবেল। আবাসিক অঞ্চলত শব্দৰ প্ৰাবল্য 55 ডেচি-বেল আৰু উদ্যোগিক অঞ্চলত দিনৰ ভাগত 70 ডেচিবেলৰ বেছি হলে শব্দ প্ৰদূষণ বুলি ধৰা হয়। কিয়নো মানুহৰ কাণৰ পৰ্দাই ইয়াতকৈ বেছি মাত্ৰাৰ শব্দ গ্ৰহণ কৰিব লগা হলে স্বাস্থ্যৰ ক্ষতি কৰে। এনে ক্ষেত্ৰত আমাৰ বহুতৰ ঘৰতে দূৰদৰ্শন, ৰেডিঅ', টেপ ৰেকৰ্ডাৰ ইমান বেছি হাৰত বজোৱা হয় যে ই শ্ৰুতি-কটু হোৱাৰ ওপৰিও শৰীৰৰ স্বাভাৱিক ক্ৰিয়া কলাপত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। প্ৰতি গৰাকী মহিলাই সেয়ে নিঃসন্দেহে আবাসিক অঞ্চলত শব্দ প্ৰদূষণ ৰোধ কৰাত অগ্ৰণী ভূমিকা ল'ব পাৰে।

ধূমপান এটা অপচয়। ধূমপানে ৰোগ সংক্ৰমণ কৰিব পাৰে। ৰেল, বাছ, ৰেষ্টুৰা হোটেল, অফিচ আদি জন সমাগমত ধূমপান কৰাটো এটা ক্ষমাহীন সামাজিক অপৰাধ। এটা গৱেষণাৎ সমীক্ষাত কোৱা হৈছে যে এটা চিগাৰেটত থকা নিক'টিনৰ বিষক্ৰিয়াই এটা এন্দুৰৰ কেন্সাৰ সৃষ্টিৰ কাৰণে যথেষ্ট। নিক'টিনৰ ধোঁৱাই শ্বাসাঙ্গ ৰোগ, কাঁহ, হাঁপানি, যক্ষ্মা, শ্বাসনলীয় কেন্সাৰ, ইনফ্লুয়েঞ্জা আদি ৰোগৰ সৃষ্টি কৰিব পাৰে। ধূমপানত ধূমপায়ীসকলৰ নিজৰেই যে অপকাৰ হয় এনে

নহয়, ধূমপানৰ ধোঁৱা যিমান দূৰলৈকে বিয়পে সিমান দূৰলৈকে বায়ু দূষিত হয়। সেয়ে মহিলাসকলে সকলোৰে মঙ্গল কামনা কৰি মানুহৰ এই বদ অভ্যাসবিলাক দূৰ কৰিবলৈ যত্ন কৰিব লাগে।

ঘৰচীয়া জীৱ-জন্তু হাঁহ, কুকুৰা আদি আজিকালি বহুতেই আবদ্ধ ঘৰত ৰাখি বজাৰৰ দানা কিনি খুৱাই পোহপাল কৰে। বহুতো মহিলাই একচেতিয়া লাভজনক অৰ্থকাৰী হিচাপেও পোহে। বিভিন্ন সময়ত সুবিধা পালেই হাঁহ কুকুৰাৰ গড়ালত কুকুৰ সোমাই দানা খোৱাত লাগে। কুকুৰে খোৱা এনে দানা হাঁহ কুকুৰাই খালে তাৰ পৰা হোৱা অপকাৰে মানুহকো আক্ৰান্ত কৰে। জাৰ্ছী গাই পুহি গৌৰৱবোধ কৰাৰ দৰে বহুতো মহিলাই বিলাতী কুকুৰ, মেকুৰী, বান্দৰ, শহাপহু আদি পোহাটো আজিকালি চখত পৰিণত হৈছে। এইবোৰ পশু-পক্ষীৰ আনদানিৰ লগে লগে কেতবোৰ মাৰাত্মক ৰোগৰ জীৱাণুও আমদানি হৈছে। উদাহৰণ স্বৰূপে ইয়াৰচিনেচিচ [ Yersinosis ] নামৰ ৰোগৰ জীৱাণু পোহনীয়া কুকুৰ, মেকুৰী, শহাপহু, চৰাই চিৰিকতিকে ধৰি বিভিন্ন জীৱ-জন্তুৰ গাত থাকে। ইয়াৰ উপৰিও বলিয়া কুকুৰে অবিৰত ভাৱে 250 কিঃ মিঃ পৰ্য্যন্ত দৌৰি লেলাউতিৰে ৰোগৰ জীৱাণু বিয়পায়। জলাতঙ্ক ৰোগত 100% মানুহেই মৃত্যু মুখত পৰে। ভাটৌ, মইনা আদি মৰমতে পুহিলেও চিটাক'চিছ [ Psitacossis ] নামৰ এবিধ ৰোগৰ জীৱাণু বিয়পায়। সেইবাবে জীৱ-জন্তুৰ দ্বাৰা হোৱা এই জীৱাণু প্ৰদূষণক মহিলাই ৰোধ কৰিব পাৰে। কুকুৰ, মেকুৰীক মুখ লগাই চুমা খোৱা, আলিঙ্গন কৰা, একে বিচনাতে শোৱা, চকী চোফাত শুবলৈ দিয়া, আদি অভ্যাস মহিলাসকলে ঘৰৰ সকলোকে ত্যাগ কৰোৱাৰ ব্যৱস্থা ল'ব লাগে।

অলপ মন কৰিলেই দেখা যায় যে অব্যৱহৃত ৰং, বেটাৰি আদি আমাৰ ঘৰৰ চৌহদত সিঁচৰতি হৈ থাকে। এই পুৰণি অব্যৱহৃত ৰঞ্জক, পৰিষ্কাৰক আদিয়ে উদ্বায়ী ৰাসায়নিকৰ তুলনাতকৈ তিনিগুণ বেছি ক্ষতিকাৰক। পেলনীয়া চামৰা, জোতা, চেণ্ডেল, প্লাষ্টিক কাপোৰ, পঁচা কাঠ, বাঁহ আদি অলক্ষিতে চৌহদৰ একোণত জমা কৰোতে তাৰ পৰা নিৰ্গত গেছ গোন্ধে স্বাস্থ্য হানি কৰে। দাহ্য সামগ্ৰী যেনে – প্লাষ্টিক, পলিথিন আদি সামগ্ৰী পুৰি পেলাওঁতে ইয়াৰ পৰা নিৰ্গত গেছে কেন্সাৰ সৃষ্টি কৰে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও ঘৰলৈ যাতে কীটনাশক দ্ৰব্য অনা নহয় বা আনিলেও বিধিসন্মত ভাৱেহে ঘৰৰ নিলগত সযত্নে ৰখা হয় তালৈ চকু দিব লাগিব। বহুতো কীটনাশকৰ গোন্ধেই ইমান তীব্ৰ আৰু বিষাক্ত যে ভালদৰে মুখ বন্ধ অৱস্থাত ৰাখিব নোৱাৰিলে ঘৰৰ সকলোৰে বিষক্ৰিয়া হব পাৰে। ম'হে ৰোগৰ জীৱাণু বিস্তাৰৰ সুবিধা নাপাবৰ বাবে ঘৰৰ চৌহদ পৰিষ্কাৰকৈ ৰাখিব লাগে। ইয়াৰ উপৰিও প্ৰতি গৰাকী মহিলাই ঘৰত থকা অনাৱশ্যকীয় পদাৰ্থলৈ বিশেষ চকু ৰাখি নিজৰ চৌহদক বিপদ মুক্ত কৰি ৰাখিব লাগে।

বিজ্ঞানীসকলৰ মতে বৰ্ত্তমান বায়ুমণ্ডলৰ শতকৰা 20 ভাগমান বায়ুহে মানুহৰ উশাহ নিশাহৰ উপযোগী হৈ আছে। আমাৰ জীৱন দায়িনী অক্সিজেন গেছও বায়ুমণ্ডলত শতকৰা 19 ভাগ মানুহে আছেগৈ। আজিৰ পৰা 100 বছৰৰ আগতে প্ৰতি একলাখ ভাগ বায়ুত থকা 250 ভাগ কাৰ্বন-ডাই-অক্সাইডৰ পৰিবৰ্তে এতিয়া দ্ৰুতগতিৰে 390 ভাগ হৈছেগৈ। ইয়াৰ ফলত পৃথিৱীত অস্বস্তিকৰ তাপমাত্ৰা বাঢ়িছে। পৰিবেশ সংৰক্ষণত, উপযুক্ত আৱহাৱা গঠনত মহিলাসকলে ঘৰত থাকিয়েই নিজ নিজ ঘৰুৱা পৰিবেশ প্ৰদূষণ-মুক্ত কৰাত আগভাগ ল'ব লাগিব। প্ৰতিখন ঘৰৰ প্ৰতি গৰাকী মহিলাই এই দায়িত্ব পালন কৰিলে সামগ্ৰিক ভাবে সমগ্ৰ অঞ্চলটোৱেই উন্মুক্ত বিপদৰ পৰা ৰক্ষা পৰিব। ০০০

- ☐ যি শিক্ষাই নিজকে আনৰ হাতত বিক্ৰী হ'বলৈ শিকায়, তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ জধামুৰ্খ হোৱা বহুগুণে ভাল।

—হেম বৰুৱা

- ☐ জীৱনটো মোৰ মানত এখন জাপানী ছবিৰ দৰে, যাক আমাৰ কল্পনাই চাৰিসীমাৰ ভিতৰতে শেষ হবলৈ নিদিয়ে। জীৱন নিজেই নিজৰ লক্ষ্য, জীয়াই থাকি লাভ আছে নে নাই সেই প্ৰশ্নৰ উত্তৰ হ'ল জীৱনৰ সাৰভাগ তুমি পাইছানে নাই। যিহেতু জীৱন হ'ল কৰ্ম আৰু আৱেগৰ সমষ্টি; মানুহে সমকালীন কৰ্ম আৰু আবেগৰ ভাগ ল'ব লাগিব; নহলে তেওঁ জীয়াই থকা নাছিল বুলিয়েই প্ৰতীয়মান হোৱাৰ কথা। জীৱন হ'ল হাতে কলমে পৰীক্ষা।

—অলিভাৰ ৱেণ্ডেল হোমচ,
জুনিয়ৰ।

কবিতা

# মোক তাহানিৰ সৰলতা লাগে

পূৰবী নাথ
স্নাতক ২য় বাৰ্ষিক

মই যেন
মাজে মাজে আঁওৰাব খোজোঁ
শব্দৰ ভৰত
দোঁ খাই পৰা
তাহানিৰ মৌনতাৰ ভাষা
অথবা—
উদাত্ত কণ্ঠৰ বশ্যতা।
মাজে মাজে
চুই চাব খোজোঁ
মোৰ নিৰ্লিপ্ত প্ৰথম যৌৱনত
জীৱনৰ অভিনৱ ৰং······
সোঁৱৰণি
এৰি অহা দিনৰ
উমাল পোহৰ
সেই পোহৰতে
মোৰ অবিৰত যাত্ৰা
মোৰ এটাই মাথো
শব্দৰ স্বপ্নিল বেথা······
যাৰ বিনিময়ত
উৎসৰ্গা কৰিছো হৃদয়।
অথচ
ময়েই যেন
মাজে মাজে বিচাৰিব খোজোঁ
পৃথিৱীৰ বিৰুদ্ধে
এক নিঃশব্দ, নিঃসঙ্গ বিদ্ৰোহ
সাৱটিব খোজোঁ
আকৌ
ওমলা দিনৰ আকাশ-বতাহ
মোক তাহানিৰ সৰলতা লাগে ।।

## কালপুৰুষ

মৰমী গগৈ
স্নাতক ২য় বৰ্ষ

মই দেখাৰে পৰা
দুৰ্নিবাৰ তাৰ গতি
মুখত ন সৃষ্টিৰ মন্ত্ৰ
বুকুত শোষণৰ নিৰ্য্যাতন
ধ্বংস কৰাৰ দুৰ্বাৰ স্পৃহা
সাময়িক সংঘাত ধ্বংস কৰি
প্ৰাপ্য আজুৰি আনিব পৰা
বজ্ৰকঠোৰ হাত
ভবিত অবিৰাম অবিশ্ৰান্ত গতি
ৰক্তিম মুখৰ তাৰ বিদ্ৰোহাগ্নি
ঘোষিত কৰে
তেজত তিয়াই লোৱা কলমৰ উদাত্ত কণ্ঠেৰে
নহলেবা বন্দুকৰ গুলীৰে, গ্ৰেণেডেৰে
জ্যোতিষ্মান ভৱিষ্যতৰ প্ৰত্যাশী সি
তাৰ বৰ্ত্তমান অনাগতসকলৰ
ভৱিষ্যতৰ বাবে—
কেতিয়া নৈৰেদ্য সজালে মই নাজানো
মাথো জানো মৃত্যুলৈকে
তাৰ গতি অবিৰাম, অবিশ্ৰান্ত ।

●

## মোৰ অনুভূতিৰ কবিতা

ৰবী বৰা
স্নাতক ১ম বাৰ্ষিক

কবিতা—
নিষ্ঠুৰতাৰে অন্য এটা ৰূপ ।

মোৰ নিভৃত হৃদয়ৰ পৰা বাগৰি অহা
মোৰ কবিতাবোৰে
কেৱল মোকহে আমনি কৰিব খোজে ।
আৰু
তেজেধোৱা শ্বহীদৰ
তেজ লগা বগা কাপোৰখনৰ দৰেই
হৃদয়তো তেজৰ চমকা চমক দাগ
করুণতাৰ, নিসংগতাৰ
আৰু
একাকীত্বৰ·········

●

# কাতিমহীয়া ঘন কুঁৱলীৰ মাজত

নন্দিতা গগৈ
স্নাতক ২য় বাৰ্ষিক

এইয়া ফাগুনৰ মন উৰুঙা
কৰা দিন। পচোৱাই তোমাৰ দেহৰ
আঁচল উৰুৱাৰ দিন।

লাহৰী অ' বহাগ অহালৈ
কেইদিন বাকী ?

ভাবিছোঁ, এইবাৰ বহাগতে
আমাৰ হোমৰ জুইকুৰা
জ্বলাম বুলি।

[আমাৰ আশাবোৰে তোমাৰ বেঁকা চুলিৰ ফাঁকে ফাঁকে
লুকা-ভাকু খেলি আছে।]

সচাঁ আৰু কল্পনাৰ বোলসনা আমাৰ
আশাক মিলনৰ বাউলি বতাহে জোকায়।

তুমি সুকোমল দুখনি হাতেৰে
ন ঘৰত জ্বলাবা ন বন্তিগছি।

লাহৰী অ'
বহাগ অহাৰ দৰেই তো আহিব
জেঠ······আহাৰ······শাওন

শুকান পথাৰৰ মাটিৰ চপৰাৰ মাজত
মই বিচাৰিম জীৱনৰ মোহ
আৰু পলসুৱা পথাৰৰ বোকাপানীৰ মাজত
তুমি বিচাৰিবা জীৱনৰ কোঁহ······

[লাহে লাহে আঁতৰি যাব তোমাৰ দেহৰ কেঁচা
মাহ-হালধীৰ গোন্ধ। হাত দুখন হব তামবৰণীয়া]

তেতিয়াই লাহৰী,
ঠিক তেতিয়াই
কাতিমহীয়া ঘন
কুঁৱলীৰ মাজত
আমি বিচাৰি যাম
আমাৰ জীৱনৰ সঁচা মাদকতা। □

# সৃষ্টিৰ উন্মাদনাত মোৰ উজাগৰী নিশা

ৰূপৰেখা বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

আঘোণী বাই,
তই মোক
সাধু এটাকে ক'
মোৰ টোপনি অহা নাই ।

তই যে কৈছিলি
শুনাম বুলি
সেই সাধুটোকে ক' ।

আঘোণী বাই,
'দৰঙৰ বাণী' অতীতৰ
'কমলা কুঁৱৰী'ৰ কাহিনী
তই বাৰু শুনাবিনে মোক ?

আকাশলৈ চাই চাই মচিম
আকৌ এবেলাৰ চকুপানী ।

* * * *

বোকোচাত সপোন ভৰাই
কেঁকাই আহিছিল
আপদীয়া ধুমুহাজাক

হেকোঁ জেকোঁকৈ কোনে জানো
টানিছিল ৰজাৰ দোলা···
পকা ধাননিৰ মাজে মাজে
সৰু সৰু আলিয়ে নাচে
ঘাট-মাউৰা কমলাক দেখোন
বাজ অন্তেষপুৰলৈ নিয়ে ।

নদীত বান
হৃদয়ত বান,
ৰাজকাৰেঙৰ
তিনি সতিনীৰ অন্তৰতো প্ৰতিহিংসাৰ বান ।
কুমন্ত্ৰণা আৰু ৰজাৰ কাৰেঙে,
সখী পাতে ।

* * * *

সতিনীৰ কুমন্ত্ৰণা···
সতিনীৰ ছলনা···
আজলী কমলা হেনো
সৰুৰে পৰা মাউৰা ।

মাটিৰ সেমেকা কথা
হৃদয় ভঙা ব্যথা
'কমলা কুঁৱৰী'
—ৰজাই বাৰু তোমাক
'পায়নে বুজি ?'

* * * *

বাই ঐ, মোৰ গাৰ নোম ডালি ডালি
ডাঠ অৰণ্যৰ চৰাইটোৰে
হেনো নিচিনে পোহৰ ।

শইচৰ পথাৰত
নাচি বাগি গাভৰু হোৱা
কমলাই নুবুজে আওভাও মহলৰ ।

* * * *

পাহাৰৰ সিপাৰৰ পৰা
দৌৰি দৌৰি অহা
বুকুৰ সপোনটোৰে
মাজ নিশাও ভাঙি দিয়ে
কমলাৰ টোপনি ।

দৰঙৰ বাণী
কমলা কুঁৱৰী
ৰজাই তোমাক 'পায়নে বুজি ?'

* * * *

লাজ লাজ লগা পুৰাতে
লাজুকী তগৰৰ সুবাস ।

কমলাৰ দেহত মাতৃত্বৰ আভাস···
মঙ্গলতী বায়ে মঙ্গল চালে,
তিনি সতীনিৰ উচটনিত
দৰঙৰ ৰাণীৰ সৰ্ব্বনাশ মাতে ।

❀ ❀ ❀ ❀

দৰঙৰ প্ৰজা পিয়াহত মৰে
ৰাজ্যৰ হকে,
প্ৰজাৰ হকে,
সতীনিৰ প্ৰতিশোধ পূৰণৰ হকে,
নাজানি ৰজাই
হয় ভৰ দিয়ে ।

❀ ❀ ❀ ❀

বুকু ভঙা সংবাদ
নাৰী হৈ নাৰীক অত্যাচাৰ ।
ৰাজ অন্তেষপুৰৰ ভিতৰত,
কমলাৰ বিননি
কোনে বাৰু শুনে ?

❀ ❀ ❀ ❀

প্ৰজাই পুখুৰী খান্দে,
ম'হ নহয় পাঠা নহয়
ৰজাই দান দিয়ে
গৰ্ভৱতী কমলাক ।

আকাশ স্তব্ধ, বতাহ স্তব্ধ
বাই ঐ, মোৰ গাৰ নোম ডালি ডালি
আজি বাৰু নুপুৰাৰ নেকি ৰাতি ?
আজি জল দেৱতা সন্তুষ্ট হব ।

কল কল পুখুৰীৰ বুকুত
পুঠি, খলিহনা দৰিকনাই,
সভা পাতিব ।

মানবৰ নিষ্ঠুৰতা, প্ৰতিহিংসাৰ বিষয়ে
আলোচনা কৰিব ।

❀ ❀ ❀ ❀

'একৰ্কাল'
'এবুকু'
কমলা কুঁৱৰী পানী তোমাৰ কিমান হ'ল ?
তুমি নামাতা কিয় ?
'কুঁৱৰী,·········
'কুঁৱৰী,·········
নাছিলানে তুমি, ৰজাৰ প্ৰাণেশ্বৰী ??

❀ ❀ ❀ ❀

পুখুৰীৰ পানীত
কমলাৰ মীনা খটুৱা সপোনবোৰ
উপঙি ফুৰে ।

❀ ❀ ❀ ❀

আঘোণী বাই,
নালাগে কব
মাটিৰ কথা,
পানীৰ কথা,
হৃদয় ভঙা ব্যথা ।
তই গীত এটাকে গা—
নহলে ক' মোক
বহল আকাশৰ কথা
বাই ঐ, মাজনিশা পুখুৰীৰ পাৰত
শুননে বিননি ?
আজি আৰু মোৰ নাহে টোপনী
আজি দুদিন ধৰি মই শুব পৰা নাই ।
সৃষ্টিৰ উন্মাদনাত মাজে মাজে
মোৰ টোপনী হেৰাই যায়
আঘোণী বাই, শুনি ভাল লগাকৈ
আজি তই গীত এটাকে গা···।।
তইতো নাজান ।
মোৰ প্ৰতিটো কবিতাৰ
সৃষ্টিৰ অন্তৰালত
কিমান যে পাৰ কৰো মই উজাগৰী নিশা ॥

●

## উপলব্ধি

অনিমা গোস্বামী
স্নাতক ৩য় বাৰ্ষিক

কান থলেই শুনা পাওঁ আইৰ বুকুত,
চিনাকি অচিনাকি বহুজনৰ ঘৰ্মাক্ত দেহৰ
জীৱন্ত কোলাহল ।
হৃদয়তো দেখো আজি এক নতুন অনামী পোছাক
য'ত নাই অনুভূতিৰ ৰং ।
নদীয়েদি বৈ যায় লক্ষ্যহীন ভাৱে
অলেখ পুৰঠ যৌৱন ।
ৰং সনা দিনবোৰত ফুলি উঠে
এ আকাশ নিদাৰুণ ফুল ।
ধুসৰিত আকাশত তেজেৰে দুহাত বুলাই
কৰো আলিংগন ইজনে সিজনক ;
চকুত চকু থৈ
পাৰ হৈ যায় বহু শব্দহীন সময় ।
দংশিত বিবেকৰ তীব্ৰ জাগৰণত
ছটফটাই উৰি যায় এহালি কপৌ ।
কলিজাতো মুঠি মাৰি সাহস দিওঁ
ইজনে সিজনক,
এই দৰেই পাৰ হয়, অলেখ জুইফুলা দিন ।
পাৰ হয় বহু বিক্ষিপ্ত সময় ।
তথাপিও জীয়াই থকাৰ দুৰ'ৰ হেঁপাহ
পুৰাতন অনুভূতি । □

## মোৰ দুচকু

অঞ্জনা ক্ৰাগ ফুং
স্নাতক ২য় বাৰ্ষিক

চকুৰ পানীৰে
ভৰি উঠিছে মোৰ দুচকু ।

এতিয়া কিদৰে
মই জীয়াই থাকো ?

হৃদয়ৰ গভীৰত
এটি বেথা ভৰা বেদনাই
সাজিছে বাঁহ,
আৰু
দিঠকত, এইয়া মোৰ দুচকু
চকুলোৰে ভৰপুৰ ।

এতিয়া কিদৰে
মই জীয়াই থাকো ? □

(পদ্মশ্ৰী নলিনীবালা দেৱীৰ সোঁৱৰণত)

# অনুভৱত তুমি

বিষ্ণুমণি দত্ত বৰুৱা
প্ৰাক্তন ছাত্ৰী

কাব্যাকাশৰ ভোটাতৰা
জীৱন ৰাগিনীত সন্ধিয়াৰ সুৰ
কবি গীতিকাৰ
হে মোৰ প্ৰিয় কবি
আজি এই সুললিত লগ্নত
সুৰ বিছো এবাৰ আকৌ
তাহানিৰ কবিতাৰ মালা গাঁথি
ব্যথা ভৰা জীৱনৰ
জ্বলাইছিলা তুমি এগছি
অনিৰ্ব্বাপিত বন্তি
তাৰেই প্ৰজ্বলিত শিখাই
উজ্বলাই তোলে কবিতা-কুঞ্জৰ
প্ৰতিপাহ সুগন্ধি ফুল
চকুৰ পতাত জিলিকাই
সোণবৰণীয়া চকুলো
হৃদয়ত বেথা ভৰা গান লৈ
আহত হৃদয় বীণাত
তুমিয়েই তুলিছিলা মধুৰ মূৰ্চ্ছনা
জীৱন নদীৰ তীৰত বহি
নীৰৱে গাইছিলা হেৰুৱা
জীৱনৰ সুৰীয়া গীত
জীৱন নাটৰ আখৰাতে
নাথাকি মগন
তুমি তীৰ্থস্থান কৰিলা
হৃদয় গঙ্গাত
কবিতাৰ বাৰিধি বোৱাই
ঘোপমৰা আঁউসীৰ
মৰাজোন লুকাল
পূৰ্ণিমাৰ স্নিগ্ধ কিৰণত
গালে মুখে সানি লৈ
জোনাকৰ জেউতিৰ ৰহণ
সিঁচি দিলা জগতৰ
সেউজীয়া পথাৰেত
মুকুতা মণিৰ কবিতাৰ শইচ
হে মোৰ প্ৰিয় কবি
থাকা তুমি য'তেই লুকাই
আত্মাৰ সৈতে পৰমাত্মাৰ
মিলন তোমাৰ
সেয়ে তুমি চাই আছা
জোনাক ভৰা আকাশৰ পৰা
এমোকোৰা মিঠা হাঁহি লৈ
আমিও গাঁথিছো এধাৰি দুধাৰি কৈ
কবিতাৰ সুগন্ধি গোলাপেৰে
তোমাকেই দিবলৈ পূজা
দুখনি চৰণত
দেহ ভাগি গ'লেও
মন নাভাঙিবা
এয়ে আছিল তোমাৰ কবিতাৰ
অমোঘ মন্ত্ৰ।
জলন্ত অনল বিশ্বাস
আছিল তোমাৰ বুকুৰ গভীৰত
আত্মা যে পৰম সত্য
হৃদয় নদীত কৰিছো স্নান
দিয়া আৰ্শীষ একাজলি
আচল ভৰাই লম
আৰ্শীষ তোমাৰ
শৰতৰ শেৱালি
সুবাসেৰে মন ভৰাই
লিখি যাম কবিতা
মানুহ মানুহৰ বাবে। ❀

# প্ৰাপ্তবয়স্ক

তৃষ্ণা বৰগোহাঁই
স্নাতক ২য় বৰ্ষ

নাজানোঁ
কেনেকৈ মোৰ এনেকুৱা হ'ল
খিৰিকিৰ ফ্ৰেমেৰে বান্ধি ললোঁ আকাশৰ সীমা
নিঃস্ব দুহাতেৰেই সাবটিব বিচাৰিলোঁ
আত্মীয়তা
আয়ে যে আচলত দুখ বান্ধি থয়
নিৰৱেই চাই থাকোঁ
কঢ়িয়াই লৈ ফুৰি নিৰ্য্যাতিত হৃদয়
মই চাগে বোবা লৈ গলোঁ···
নাজানো কেনেকৈ এনে হ'ল
তথাপি·········
তোমাৰ আকুল মুখে
হৃদয় উদভ্ৰান্ত কৰে
উপবাসী নিশাতো
তোমোৰ স্মৃতিতে
প্ৰসাধন কৰোঁ
আস,
এয়া কিযে উন্মাদনা
এতিয়াতো তেজৰ বাহিৰে তুমি
একো ৰং নোপোৱা চিনি···
নাজানোঁ
তোমাৰ কিয় এনে হ'ল
কিয় বাছি ল'লা সেই আত্মক্ষয়ী সম্ভাৱনা
উৰুঙা পথাৰৰ সেমেকা চিঞৰৰ
পিছে পিছে তুমি গুছি গ'লা
কিয় তুমি ······কিয় তুমি ??

# 'মোৰ প্ৰিয় কবি গণেশ গগৈ'

—পাৰুল গগৈ
স্নাতক ৩য় বৰ্ষ ( কলা )

"...মাণিক মুকুতা গাঁথি নাই গঁথা গলপতা
হীৰাৰ আঙঠি মোৰ নাই দিবল'ই,
ভালপোৱা অন্তৰত যি কনি চেনেহ আছে
মহাৰ্ঘ্য ৰতন মোৰ সেয়ে তোমাল'ই।
সেইয়ে তুলসী মোৰ সেয়ে মোৰ গঙা জল
তাতে ডুবৰি আছে তাতে বেলপাত,
তাতেই নিতৌ জ্বলে প্ৰণয়ৰ ধূপ-দীপ
সেইয়ে নৈবেদ্য মোৰ তোমাৰ পূজাত।..."

প্ৰেমক সৃষ্টিৰ মহত্তম দান বুলি ভবা, প্ৰেমৰ কবি হিচাপেই অসমীয়া কাব্য সাহিত্যত প্ৰসাৰ লাভ কৰা এই কবিজনাই হ'ল ৺গণেশ গগৈ। ১৯০৭ চনৰ ২৮ ডিচেম্বৰত তেওঁ যোৰহাট নগৰত জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক আছিল কণক গগৈ আৰু মাক আছিল কণকা গগৈ।

গণেশ গগৈ আছিল একেধাৰে কবি আৰু নাট্যকাৰ। তেওঁৰ কবিতাবোৰত পৰিস্ফুট হৈছিল প্ৰণয়ভংগৰ অশ্ৰুসিক্ত বেদনা আৰু আন কিছুমান কবিতাত পৰিস্ফুট হৈছিল অন্তৰৰ আবেগ মধুৰ উচ্ছাস। তেওঁ ভাল-দৰেই উপলব্ধি কৰিছিল 'প্ৰেমেই মস্তক মণি সাধনাৰ ধন।' ধ্বংস আৰু পৰিবৰ্ত্তনক নেওচা দি প্ৰেম অক্ষয় হৈ জিলিকি থাকে। প্ৰেমে মানুহৰ জীৱনটো অপৰূপা কৰি তোলে। এইয়াই আছিল তেওঁৰ প্ৰেম দৰ্শন। প্ৰণয় ভংগৰ বেদনাত তেওঁৰ হিয়া ভাগি চিগি চুৰমাৰ হৈ যোৱাৰ পিছতো কবিয়ে প্ৰেমক অশ্ৰদ্ধা কৰা নাই। সেইহে তেওঁ কৈছে –

"...মিলনৰ বালি ভেঁটা যদিওবা ভাগি গ'ল
নাইভগা সখি মোৰ প্ৰণয়ৰ বীণ,
সুৰৰ লহৰি তাত নুঠিলে নুঠিব পাৰে
তাঁৰৰ স্পন্দন তাৰ নহয় বিলীন।..."

তেওঁৰ অন্তৰত কোনো ধ্বংসৰ

সংশয় বা হতাশা নাছিল, আছিল উদগ্ৰ আবেগ, গভীৰ বিশ্বাস। তেওঁ সকলো হেৰুৱাইও নিৰাশ হোৱা নাছিল। তেওঁ আছিল আশাবাদী। সেইবাবে তেওঁ মৃত্যু শয্যাত পৰিও তেওঁৰ মৰমী প্ৰিয়াক এবাৰ চাবলৈ উদ্‌বাউল হৈ পৰিছিল।

"...যাবৰ সময় হ'ল সুঁৱকি পৰিছে ডোল
ছুদিনীয়া জগতৰ মায়া-মমতাৰ
আঁহা প্ৰিয়ে কাষ চাপি চাই লওঁ শেষবাৰ
তোমাৰ বিমল ছবি প্ৰেম প্ৰতিভাৰ।..."

গণেশ গগৈ আছিল প্ৰেমৰ পূজাৰী। সৌন্দৰ্য্যৰ সাজেৰে সাজি ওলোৱা বিশ্ব-বিয়পা প্ৰিয়াৰ প্ৰেম তেওঁ বাঞ্ছা কৰিছিল।

"...তুমিতো এদিন ক'লা "ভালপাওঁ তোমাকেই"
আছে জানো সেই ভাব আজিও তোমাৰ?
আছে যদি কোঁৱা সখী বিফলে নাযাব তেনে
ঢোপাকলি গঁথা মোৰ আলসুৱা হাৰ।..."

বিশ্বখনত বিয়পি থকা যি সৌন্দৰ্য্য আছে সি যাৰে তাৰে চকুত যেতিয়াই তেতিয়াই ধৰা নপৰে। এই অসীম সৌন্দৰ্য্যৰ স্বৰূপ হৃদয়ৰ অনুভূতিৰ পৰাহে পাব পাৰি। এই সৌন্দৰ্য্য গগৈদেৱৰ হৃদয়তো অনুভূত হৈছিল। তেওঁৰ মৰমী প্ৰিয়াৰ গাত তেওঁ দেখা পাইছিল বিশ্বৰ সৌন্দৰ্য্য থুপখাই আছি পৰা 'বসন্তৰ বা', 'কোকিলৰ কণ্ঠ', 'শেৱালীৰ সৌৰভ'। তেওঁ ভাবিছিল তেওঁৰ প্ৰিয়াৰ গাৰ পৰাহে যেন এই সকলোবোৰ চৌদিশে বিয়পাই দিছে।

"...তোমাৰ পৰাই নেকি চুৰ কৰি সমীৰণে
সুৰভি নিশ্বাস লৈ উৰি গুচি যায়,
শৰতৰ শান্তিময়ী সন্ধিয়া সখিৰ সতে
শেৱালীৰ সৌৰভ বুলি জগত বেহায়?..."

প্ৰিয়াৰ ৰূপত সম্মোহিত হৈ উপলব্ধি কৰা তেওঁৰ প্ৰেম অভিজ্ঞতা, প্ৰিয়াৰ সান্নিধ্যত পোৱা বিনন্দীয়া বিশ্বপ্ৰেম আৰু সৌন্দৰ্য্য উপাসনা কৰা হাবিয়াস এই সকলোবোৰ তেওঁৰ প্ৰিয়াই প্ৰত্যাখ্যান কৰাত তেওঁৰ অন্তৰাত্মাত সৃষ্টি হ'ল নানা ভাৱনাৰ অন্তৰ্দ্বন্দ, নানা মানসিক সংঘাট। সেই কাৰণেই তেওঁ লিখিছিল—

"...অযোগ্য নাছিল মোৰ পৰাণৰ ভালপোৱা
অযোগ্য নাছিল এই পূজাৰ সম্বল,
অশুচি নাছিল সখী অন্তৰৰো অন্তঃস্থল
ৰাখিছিলো ঢালি ঢালি প্ৰেম গঙা-জল।"

এপিনে যেনেকৈ তেওঁ প্ৰেম আৰু সুন্দৰৰ উপাসনাত আত্মবিভোৰ হ'ল, আনপিনে বিৰহ-বেদনা আৰু স্মৃতিৰ তাণ্ডৱ নৃত্যই তেওঁৰ হৃদয় ক্ষত-বিক্ষত কৰি পেলালে। তথাপি তেওঁ নিজৰ মনক শান্তনা দিছিল। কিয়নো প্ৰণয় সাগৰত দিক্-বিদিক্ হেৰুৱাই অৱচেতন হোৱা নাৱৰীয়া অকল তেওঁলোকেই নহয়, তেনে সহযাত্ৰী অলেখ—

"...মিলনত সখি, আছেই বিৰহ !
আমিয়েই অকল বিৰহত পৰি
নাই ভোগা দুখ, যাতনা দাৰুণ
শ্মশানৰ চিতা বুকুতে ধৰি ।

এইদৰে কবিয়ে শান্তনা লভি মনটোক দৃঢ় কৰিবৰ দুৰ্ব্বাৰ চেষ্টা কৰিলেও মাজে মাজে তেওঁ দুখত ভাগি পৰি মনৰ সাহ হেৰুৱাই পেলাইছিল। প্ৰিয়াহীন জীৱনৰ কোনো অৰ্থ নাই বুলি তেওঁ মৰণৰ কথা চিন্তা কৰিছিল — ।

" পাৰ কৰি দে মোক স'উ পাৰল'ই
সুধিছ, আহিছো কিয় পাৰ হবল'ই ?
শুন তেনে নাৱৰীয়া
মোৰ কোনো নাইকীয়া,
যি আছিল সিও গ'ল বুকু ভাঙি থ'ই,
কি কৰিম ইপাৰত কোন আছে অ'ই !
পাৰ কৰি দে মোক স'উ পাৰল'ই ।"

হিন্দু দৰ্শনৰ দৃষ্টি ভংগীৰে প্ৰেমৰ অৰ্থ এনে সহজ সৰল ভাৱে প্ৰকাশ কৰি গগৈদেৱে অসাধাৰণ কাব্যপ্ৰতিভা আৰু তেওঁৰ পবিত্ৰ প্ৰাণৰ পৰিচয় দিছে। নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতা তেওঁৰ কবিতাত ফুটি উঠিছে। তেওঁৰ কবিতাত প্ৰেমৰ আন্তৰিক অন্বেষণ আৰু বিমল অভিজ্ঞতাৰ সম্ভেদ পোৱা যায়।

"... প্ৰেমে নিবিচাৰে বিৰহ মিলন
বিচাৰে মাথোন বুকুৰ সুৰ,
প্ৰেমৰ কাষত জগতখনেই
জাউতিযুগীয়া অলকাপুৰ ।"

জগতত প্ৰেমৰ সাধক আৰু ৰূপৰ সাধকসকল সদায়েই কালজয়ী হয়। কিয়নো তেওঁলোকৰ অন্তৰ চিৰ প্ৰেমময় আৰু চিৰ কৰুণাময়। তেওঁলোকৰ সকলো একাত্ম আৰু অভিন্ন হয় —

"সেইহে কৈছো, শুনা সখী মোৰ
আমি জগতত সদায়ে জয়ী
পূজিবা দেৱতাক পূজিম দেৱীক
চিৰ প্ৰেমময় কৰুণাময়ী ।"

হৃদয় বিদাৰি যোৱা কৰুণ বেদনা গধুৰ কাব্য চেতনাই গণেশ গগৈৰ কবিতাৰ শেষ হিচাপ নহয়। প্ৰেমৰ উল্লাসৰে ভৰা দিশটোও তেওঁ চিনি পায়। তেওঁ মৰমী প্ৰিয়াৰ দেহৰ সৌন্দৰ্য্য বৰ্ণনা এনেদৰে দিছে—

"জালিকটা বিহাৰেনো ঢাকিলে কি হ'ব সখী
পাহি মেলি ফুলি অহা পদুমৰ কলি
আবেগৰ বা-লাগি দুৰিবনে বেণু তাৰ
নাহিবনে কাষ চাপি মতলীয়া অলি ?"

তেওঁৰ কবিতাৰ আৰু এটা বৈশিষ্ট্যতা আছে। প্ৰকৃতিৰ কবি হিচাপেও তেওঁৰ স্থান বহুত উচ্চত। তেওঁ যিদৰে ৰূপৰ পূজাৰী আছিল তেনেকৈ প্ৰকৃতিৰ ৰূপৰ

সম্ভাৰ দেখিও বিমোহিত হৈছিল। তেওঁৰ অনুভূতিবোৰ প্ৰায়েই প্ৰকৃতিৰ গছ-লতা, আকাশ-পোহৰ আদিক বাহন কৰি প্ৰকাশ পাইছে। প্ৰকৃতিৰ বিশ্ববিমোহনী চানেকীকে চাই তাৰে অনুৰূপ সৃষ্টি কৰিবলৈ তেওঁ হেঁপাহ কৰিছিল। বসন্ত কালত কুলি চৰাইৰ 'কু' 'কু' মাতে কবিৰ সপোন ভাঙে; প্ৰিয়হাৰা কৰি কবিক ব্যাকুল কৰে। বনত ফুলা কেতেকী ফুলে তেওঁৰ মন-প্ৰাণ বিভোৰ কৰি তোলে।

"মনত ফুলনিবাৰী, মনে মনে পাতে
বনৰ কেতেকী ফুলি সুবাস বিলায়
জনে জনে উলাহত, আঁকোৰালি ধৰে
সোণত সুৰগা ঢালি জেউতি চৰায়।
যিদৰে আজিও এই ৰঙালী বিহুতে
বুকুৰে বিচাৰি ল'লে বুকুৰ সোৱাদ,
নতুন দিনৰ ইয়ে নতুন পাতনি
পাহৰালে অতীতৰ দুখ অৱসাদ।"

গণেশ গগৈৰ কবিতাত আছে দেহমন চেৰাই যোৱা আধ্যাত্মিক প্ৰেম। তেওঁৰ প্ৰেম হিন্দুসমাজৰ আত্মা উপলব্ধিৰ প্ৰেম, যি প্ৰেমে নিবিচাৰে বিৰহ-মিলন। তেওঁ প্ৰেয়সীৰ লগত "চুমা-চুমি"ৰ লাজ খাবলৈকো বিচৰা নাই, বিচৰা নাই লাজুকী পৰশ নাইকা জোনবাই ডাৱৰে আবৰা নিশা তেওঁ প্ৰেয়সীক অকলে নিবিড় ভাৱে লগ পাবলৈকো মতা নাই। তেওঁৰ মানসী প্ৰিয়াই তেওঁৰ স্বপ্নৰ কাৰেং ভাঙি আতৰি যোৱাৰ পিছতো তেওঁক দোষাৰোপ কৰিব খোজা নাই। তেওঁ ভাবিছে কেৱল নিয়তিৰ অভিশাপৰ বাবেহে তেওঁ বিচ্ছেদৰ মালা পিন্ধিব লগা হ'ল।

"তুমি ভালপোৱা মযো ভালপাওঁ,
বিধিয়ে সহিব নোৱাৰি তাকে;
মধুৰ মিলনৰ মোহিনী পটত,
চিৰ বিৰহৰ ছবিটি আঁকে।"

আকৌ তেওঁ কয়—

"ভুল হ'ল সখি, ক্ষমা কৰা মোক
মিছাতেই দিছো তোমাক দোষ,
নাই লিখা যদি কঁপালতে সখী
আমি ক'ৰ পৰা পামনো সুখ।"

যি সকলে প্ৰেম মানে এজনক জীৱনৰ সংগীৰূপে পাবলৈ বিচৰাটোকে বুজে, তেনেলোকে ভালপোৱা গৰাকীক জীৱন সংগিনী ৰূপে নোপোৱাত প্ৰেমৰ ব্যৰ্থতা দেখে। কিন্তু গগৈদেৱৰ প্ৰেম তেনে তৰল ধৰণৰ নাছিল। তেওঁ উপলব্ধি কৰা প্ৰেমে তেওঁৰ প্ৰাণ প্ৰেমময় কৰি তুলিছিল আৰু শেষ শয্যাতো তেওঁ সেই প্ৰেমৰ সোৱাদেৰে আত্ম তৃপ্তি লাভ কৰিছিল।

"তয়ু পূণ্য পৰশতে স্নান কৰি প্ৰাণ মোৰ
শুচি হৈ শুচি যাব পৰ পাৰল'ই,
থাকি যাব ইপাৰত মিলন মধুৰ স্মৃতি
সিয়ে মোৰ শেষ দান প্ৰিয়ে তোমাল'ই।"

কবিয়ে নিজকে লক্ষ্যহীন বুলি ভাৱে। তেওঁ জীৱনৰ তিব্ৰ অভিজ্ঞতাবোৰে জীৱনত বিশেষ লক্ষ্য নথকা এজন দায়িত্বহীন ব্যক্তি বুলি দেখুৱায়। তথাপি বিৰহ-ব্যথিত হৃদয়ে তেওঁৰ জীৱনটো মষিমূৰ কৰাৰ সন্দেহ কবিতাবোৰত পোৱা নাযায়। বৰঞ্চ মাজে সময়ে তেওঁ অনুভৱ কৰে যে বিৰহ-বেদনা একো একক ঘটনা নহয়। তেওঁ সেইবাবে প্ৰেমৰ ওপৰত বিশ্বাস হেৰুওৱা নাই আৰু তেওঁৰ প্ৰিয়াক হেৰুৱাৰ বেদনাত ভাগি পৰি জীৱনত পথভ্ৰষ্ট হোৱা নাই। সেইহে তেওঁ প্ৰিয়াক আক্ষেপেৰে জনায় এইদৰে—

"কিজানি ভাবিছা তুমি    তুমি এৰি গুচি গলে
সোণৰ হৰিণী মোৰ যাব জাল ফালি,
কিজানি ভাবিছা তুমি,    তোমাক নাপাই মই
হেৰুৱাম জীৱনৰ সেন্দুৰীয়া আলি।
ভুল সখি, অতি ভুল,    বিৰহ ধেদনা ভুগি
নাকাটে অকনো কাল, চকুলো নোলায়;
কলিজাৰ একোনত    জ্বলিলে চিতাৰ জুই
থাকিম নিতউ আৰু অকলে ফুঁৱাই।"

মৰণলৈ সকলোৱে ভয় কৰে। শৰ্য্যাশায়ী ৰোগীয়েও মৰণ নিবিচাৰে। কিন্তু গণেশ গগৈ আছিল মৰণ বিজয়ী কবি। অকালতে তেওঁৰ মৃত্যু শৰ্য্যাতো জগতখনিক মনোৰম পুষ্পোদ্যান আৰু মানৱ জনম এটি স্থুল পদ্মফুল বুলিয়ে তেওঁ প্ৰকাশ কৰিছে।

"আজি জন্ম মৰণৰ    সন্ধিয়া বেলিকা আহি
অলকাৰ দেৱবালা ভাঙিলাহি ভুল,
বুজিলো জগতখনি    মনোৰমা পুষ্পোদ্যান
মানৱ জনম এটি স্থূল পদ্মফুল।"

গগৈদেৱৰ কবিতাত নিৰাশাবাদ নাই, নাই চঞ্চলতা। আছে হৃদয়ৰ তলিৰ পৰা ওলোৱা প্ৰেমানুভূতিৰ বিমল কিৰণ। তেওঁৰ প্ৰেম কবিতাবিলাক তেওঁৰ প্ৰেম উপলব্ধি, তেওঁৰ প্ৰেম অন্বেষণ, তেওঁৰ প্ৰেমৰ বিৰহ, জীৱন দৰ্শন আদি মনোমোহা অভিব্যক্তিৰে ভৰপূৰ। সকলো কবিতাতে তেওঁৰ কাম স্বাৰ্থ আৰু ইন্দ্ৰিয় বিলাস বিহীন প্ৰেম স্পষ্ট হৈছে। তেওঁৰ কবিতাৰ কোমলতা, আন্তৰিকতা আৰু উচ্চ ভাৱে আমাৰ সকলোৰে মন স্পৰ্শ কৰে।

সঁচা অভিজ্ঞতা, আন্তৰিক প্ৰেম, অন্বেষণতা, হিন্দু দৰ্শনৰ আধ্যাত্মিক দৃষ্টিভংগী, অকৃত্ৰিম ৰচনাশৈলী আৰু ভাব, ছন্দৰ ভাষাৰ অপূৰ্ব সমন্বয়ৰ কাৰণে গগৈদেৱৰ কবিতাবিলাক অসমীয়া কাব্য-সাহিত্যত এক মহান সম্পদ হৈ ৰ'ব। ০০০

(গণেশ গগৈৰ ৰচনা সম্ভাৰ'ৰ সহায়লৈ)

গল্প

# সংকল্প

—কল্পৰী শেনছোৱা

ঘৰখনত পুৱাৰে পৰাই এক ব্যস্ততা-মুখৰ পৰিবেশে গা কৰি উঠিছে। লগে লগে সময়তকৈও অধিক বেগত ব্যস্ত হ'বলগা হৈছে নয়নীৰ লৱণুকোমল হাত দুখনি। পুৱাৰে-পৰাই এক মিনিট সময়ো তাই এনেয়ে থাকিবলৈ পোৱা নাই। মিচেচ শইকীয়ানীৰ কঠোৰ বাক্যবাণ, উপদেশ অনবৰতে কৰ্ণগোচৰ কৰি নিৰৰচিত্তে তাই নিজৰ কাম বনবোৰ কৰি গৈছে পৰিপাটীকৈ, অতি যত্নপৰ হৈছে যাতে কামবোৰত ক'তো অকণো খুঁত নাথাকে। নহলে মিচেচ শইকীয়ানীৰ লপা থপাবোৰতো আছেই। আজি চহৰৰ অভিজাত্য শইকীয়া দম্পত্তিৰ একমাত্ৰ আলসুৱা জীয়াৰী টিনাৰ জন্মদিন। সেয়েহে পুৱাৰে পৰা এনে এক ব্যস্ততামুখৰ পৰিবেশ। ৰাতিপুৱা টিনাহঁতে নানা সুস্বাদু মিঠাই, কণী, গাখীৰ আদিৰে পুৱাৰ জলপান খোৱাৰ সময়তে নয়নীয়েও ৰঙা চাহ এবাটি ভীমকল এটাৰ সৈতে খাই লৈ নিজৰ কামত লাগি গৈছে। কামৰ মাজে মাজে হুমুনিয়াহ একো-টাইঁত এৰি তাই পুনৰ নিজৰ কামত ব্যস্ত হয়। হৃদয়ৰ গভীৰতম কোণৰ পৰা ওলাই অহা সেই তপত হুমুনিয়াহ দুখৰ নে আনন্দৰ সেইয়া তাই হয়তো সেইসময়ত উপলব্ধি কৰিব পৰা নাছিল।

নয়নী দহ বছৰীয়া এজনী ঘাট-মাউৰী ছোৱালী। তাই নিজৰ সম্পৰ্কে, নিজৰ মাক-দেউতাক বা পৰিয়াল সম্পৰ্কে নিজে একো নাজানে। শইকীয়া দম্পতিৰ মুখৰ পৰা শুনামতে তাই হেনো জন্মৰ এবছৰ পাছতেই মাক-দেউতাকক হেৰুৱাইছিল। সেই ঘাট-মাউৰী কণমাণিজনীকে নিঃসন্তান শইকীয়া দম্পতিয়ে লৈ আনি নিজৰ নিসঙ্গ-তাৰ আৱৰণখন গুচাব খুজিছিল। নয়নীৰ মনে ঢুকি পোৱা সময়লৈকে তাই শইকীয়া-শইকীয়ানীৰ মৰমৰ ছত্ৰছায়াতে ডাঙৰ-দীঘল

হৈছিল। মৰমৰ ছত্ৰছায়াৰ পৰা স্বাৰ্থৰ বেশভূষা ওলাই পৰিল সেইদিনা, যিদিনা টিনাৰ জন্ম হৈছিল। তাৰ পাছৰে পৰা নয়নীৰ আৰম্ভ হ'ল এক ভিন্ন জীৱন। সেই জীৱনৰ বাটত বাট বুলিবলৈ ধৰাৰ লগে লগেই নয়নীয়ে উপলব্ধি কৰিবলৈ শিকিলে জীৱনৰ কঠোৰতা-বোৰৰ কথা। বয়সতকৈ অভিজ্ঞতাই তাইক জীৱন যুঁজৰ থলীত অধিক পৰিপক্ক কৰি তুলিলে। অন্তৰৰ দুখ-বেদনা, ৰঙা-নীলা মধুৰ সপোনবোৰ বুকুতে মৰহি যাবলৈ দি তাই জীৱনৰ বাটত অগ্ৰসৰ হৈছিল। তাইৰ মনটো সেই সময়ত সপোন ৰাজ্যত ঘূৰি ফুৰাৰ মন, কল্পনাৰ পখিলা খেদি ফুৰাব বয়স। কিন্তু তাইৰ কুমলীয়া মনটোৱেও বুজিছিল যে সিহঁতৰ দৰে মানুহৰ সপোনৰ কোনো মূল্য নাই, সিহঁতে সপোনৰ মাধুৰ্য্যতাহে উপলব্ধি কৰিব পাৰে, তাৰ বাস্তৱতা কল্পনা কৰিব নোৱাৰে।

খং ভাৰত নিমগ্ন হৈ থাকোতে হঠাতে তাইৰ হাতৰ পৰা ধুনীয়া ফুলকটা টি-পট এটা পৰি পকা মজিয়াখনত ভঙা টুকুৰাবোৰ সিঁচৰিত হৈ পৰিল। সেই শব্দ শুনি মিচেচ শইকীয়ানী উধাতু খাই দৌৰি আহি সেই অৱস্থা দেখি চিঞৰি ৰাখৰি নয়নীক বাৰুকৈয়ে দুচৰমান শোধাই দিলে। লগে লগে গালিও পাৰিবলৈ নেৰিলে। মিচেচ শইকীয়ানীৰ মতে নয়নীৰ হেনো অন-বৰতে টিনাৰ ওপৰত হিংসা ভাৱ থাকে। সেয়ে টিনাৰ জন্ম দিনৰ উলহ-মালহ দেখি হিংসাৰ জ্বালাতে টি-পটটো ভাঙি পেলালে। নয়নীৰ দুচকুৰ পৰা নিৰবে দুধাৰি তপত চকুলো বাগৰি আহিল। তাইৰ হৃদয়খন দুখত অৱহেলাত জৰ্জৰিত হৈ পৰিল। শই-কীয়ানীৰ চৰকেইটা খোৱাৰ বাবে নহয়, তেওঁ তাইৰ ওপৰত জাপি দিয়া মিছা অপ-বাদৰ বাবেহে। অৱশ্যে নয়নীয়ে জানে যে তাইৰ টিনাৰ প্ৰতি সদায় নিজৰ ভনীৰ দৰে মৰম থাকে, কিন্তু শইকীয়ানীয়েহে যেন তাইক চকু পাৰি দেখিব নোৱাৰে, অনবৰতে তাইৰ ওপৰত হিংসাভাৱ পোষণ কৰি থাকে। ভগৱানে তাইক অইন একো নিদিলেও ৰূপ লাৱণ্য তথা কৰ্মপটুটাখিনি দিয়াত কৃপণালি কৰা নাই। ক'বলৈ গ'লে টিনাতকৈ নয়নী ৰূপে গুণে বহুখিনি আগবঢ়া। তথাপি আজিৰ ধন প্ৰধান বস্তুবাদী সমাজখনত এইবোৰৰ জানো কিবা মূল্য আছে? ধনেইতো আজি সমাজৰ সকলো। তাই অনুভৱ কৰিলে ভঙা টি-পটটোৰ তুলনাত আজিৰ সমাজত তাইৰ মূল্য যেন তেনেই নগন্য। হঠাত শইকীয়ানীৰ ধমকত নয়নীৰ ভাৱৰ যতি পৰিল। জীৱনৰ ক্ৰীয়া যন্ত্ৰণা উপলব্ধি কৰি কৰিয়েই তাই পুনৰ সাৱধানে কামত মনোযোগ দিলে।

আজি নয়নীৰ কামকাজ আনকালতকৈয়ো সোনকালেই শেষ হ'ল। কাৰণ আজিৰ সকলো কাম তাই কৰিব লগা হোৱা নাই। বাহিৰৰ ধোৱা পখলা, সৰা পোছা কামখিনি কৰি উঠি গাটো ধুই তাই নিজৰ কোঠাত সোমাই দুৱাৰখন মাৰি বিচনা-খনত এনেয়ে বাগৰ এটা দিলে। নানান দোমোজা আৰু কাম বনৰ ভাগৰে তাইৰ সুকোমল দেহটোক নিদ্ৰাদেৱীৰ কোলাত

আলফুলে তুলি দিলে।

বাহিৰত মানুহৰ হাঁহি-ধেমালি, কথা বতৰা, টেপ ৰেকৰ্ডাৰৰ পৰা ভাঁহি অহা নানান সুমধুৰ গীতৰ সুৰে তাইক নিদ্ৰামগ্ন অৱস্থাৰ পৰা জগাই তুলিলে। এইবোৰতকৈও এটি আমোল মোলোৱা মিশ্ৰিত সুগন্ধ আহি নাকত লগাত তাইৰ মনটো উৎফুল্লিত হৈ উঠিল। তেতিয়াহে তাই অনুভৱ কৰিলে তাইৰ পেটটো যেন পুৰিব ধৰিছে। ঠিকেইতো, পুৱাৰ ৰঙা চাহবাতি আৰু ভীমকলটোৰ বাহিৰে তাইৰ পেটত এতিয়ালৈকে খুদকণ এটাও পৰা নাই। সেই মূহুৰ্ত্ততহে যেন তাই তীব্ৰভাৱে পেটত ভোক অনুভৱ কৰিলে। অসহ্য ভোকত তাই পেটটো হেঁচি ধৰিলে। এবাৰ ভাবিলে, ওলাই যাব নেকি! কিজানি জ্বালা শাম কাটেই। কিন্তু পিছমূহুৰ্ত্ততে নিজৰ পিন্ধি থকা ফ্ৰকটোলৈ চাই তাইৰ মনটো কোঁচ খাই আহিল। ফ্ৰকটো ভালেকেইডোখৰ ঠাইত ফটা। এনে অৱস্থাত দেখিলে শইকীয়ানীয়ে অতবোৰ মানুহৰ আগত তাইক কি পুৰস্কাৰ দিব ঠিক নাই। সেয়ে তাই ওলাই নোযোৱাটোকে ঠিক কৰিলে। কোনোবাই নিশ্চয় খোৱাৰ সময়ত খবৰ ল'ব। নয়নীৰ মনত পৰিল যোৱাকালিৰ দিনটোৰ এটি ঘটনা। তাই বিছনাখনত বহি পৰিল। যোৱাকালিৰ ঘটনাটো মনলৈ অহাত মনটো এচপৰা কলীয়া ডাৱৰে আৱৰি ধৰা যেন অনুভৱ কৰিলে তাই। শইকীয়ানীয়ে টিনাক লগত লৈ বজাৰলৈ গৈ জন্মদিন উপলক্ষে টিনাক দামী দামী তিনিটা ফ্ৰক কিনি দিছিল। ফ্ৰককেইটা দেখি নয়নীয়ে সকলো পাহৰি গৈ এটা ফ্ৰক নিজৰ গাৰ ওপৰত লৈ জুখি চাইছিল। তাকে দেখি শইকীয়ানীয়ে তাইক চুলি জোকোৰা এটা দি সেইটো কাঢ়ি থৈছিল। সেই কথা ভাবি নয়নীৰ মনটো শইকীয়ানীৰ প্ৰতি বিতৃষ্ণা আৰু ঘৃণাৰে ভৰি পৰিছিল। মনুহৰ মন বিশেষকৈ নাৰীৰ মন ইমান কঠোৰ হ'ব পাৰে বুলি তাই ভাবিবও পৰা নাছিল। তাই মনতে ভাবিছিল জীৱনৰ জীয়া যন্ত্ৰণা তিলতিলকৈ উপভোগ কৰিবলৈকে তাইক নিথৰুৱা কৰি মাক-দেউতাকে এই পৃথিৱীত এৰি গ'ল নেকি? সেই সময়ত মাক-দেউতাকৰ প্ৰতিও তাইৰ মন অভিমানেৰে উপচি পৰিছিল। কিন্তু কি কৰিব তাই? জীয়াই থকাৰ তাড়নাত মৃত্যু যন্ত্ৰণা উপলব্ধি কৰিও তাই জীয়াই আছে। হঠাতে তাইৰ নিজৰ জীৱনটোলৈ বৰ মায়া উপজিল। তাই সংকল্প ললে তাই জীয়াই থাকিব, জীৱনৰ মধুৰতাখিনিক উপভোগ কৰি যাব। হঠাতে ৱাল ক্লকটোৱে চাৰিবজাৰ সংকেত দিলে। নয়নীৰ পেটৰ ভোকটোৱেও পুনৰ উক দি উঠিল। ভোকাতুৰ পেটত তাইৰ লবণুকোমল হাতদুখনিৰে হেঁচি ধৰি তাই দৃঢ় সংকল্প ল'লে, তাই জীয়াই থাকিব। মৰি-মৰিও তাই জীয়াই থাকিব। ০০০

(এই গল্পটো ১৯৯৬-৯৭ বৰ্ষৰ কলেজ উৎসৱ উপলক্ষে অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতাৰ অন্তৰ্গত গল্পৰ পাণ্ডুলিপি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল)

# আইতাৰ যুক্তি, মোৰ বিশ্বাস

- ময়ূৰী ফুকন
স্নাতক ৩য় বাৰ্ষিক

চ'ত মাহৰ নিজান দুপৰীয়া। বিচনাত পৰি খিৰিকীৰে অদূৰৰ সেউজীয়াবোৰলৈ দৃষ্টি বুলাই আছো। পাছচোতালৰ পাৰ-কেইটাই কুণ দি নিজান দুপৰীয়াটোক আৰু গভীৰ ৰূপ দিছে। ক'ৰবাৰ পৰা ঢেকীৰ মাত ভাঁহি আহিছে। হয়তু বিহুৰ বাবে চিৰা খুন্দিছে। মাত্র এটা সপ্তাহহে বাকী। অসমীয়াৰ প্ৰাণৰ ৰঙালী বিহুক আদৰিবলৈ সকলো সাজু হৈছে। কিন্তু আমাৰ ঘৰত শ্মশানৰ নিৰৱতা। অথচ আজি দুদিনৰ আগত আমাৰ ঘৰৰ এখন বিয়া হৈ গৈছে। মই এজনী নবৌ পাইছো, মায়ে পাইছে বোৱাৰী, আইতাই পাইছে নাতিলৰাৰ বোৱাৰী। সকলোৱে পাইও যেন সুখী হ'ব পৰা নাই। সকলোৰে মুখত ফুটি উঠিছে আনন্দৰ সলনি দুখৰ হুমুনিয়াহ। যেন সকলো হেৰুৱাৰ বেদনাৰে ভাৰাক্ৰান্ত।

মই হাঁহিবলৈ ইচ্ছা কৰিছো, কিন্তু হাঁহিব পৰা নাই। মোৰ মনটোও বাৰু পুৰণি বিশ্বাসেৰে ভৰি আছে নেকি ? নহলে মই কিয় মুক্তমনে হাঁহিব পৰা নাই। নাই, মই হাঁহিব লাগিব, সকলোকে হঁহুৱাব লাগিব। আইতাক, মাক সকলোকে। আমাৰ ঘৰলৈ বসন্তই এক নতুন জোৱাৰ আনিছে, তাক আমি সাবটি লব লাগিব। আইতাক মই আকৌ বুজাম।

পুৰণি বিশ্বাসবোৰ লৈ মই প্ৰায়ে আইতাৰ লগত তৰ্ক কৰো। আইতাৰ সকলো বিশ্বাস মই উলাই নকৰো। মই জানো, এই ধাৰণাবোৰৰ আঁৰত একোটা সত্য লুকাই থাকে। কিন্তু কিছুমান এনে কথাত আই-তাই "নাপায়" শব্দটো ব্যৱহাৰ কৰে যে মই তাৰ কোনো ভিত্তি বিচাৰি নাপাওঁ আৰু তেতিয়াই আইতাৰ লগত মোৰ তৰ্ক হয়। অৱশ্যে আইতাই অৱশেষত অসন্তোষীয়া মনেৰে হলেও 'তই যি ভাল দেখ কৰ' বুলি

সন্মতি প্ৰদান কৰে। কিন্তু দাদাৰ প্ৰসংগটোত আইতা কোনোপধ্যে মান্তি নহয়। আইতাক মই বাৰে বাৰে বুজাব খুজিছো যে আজি আমি জাত পাতৰ সৰু বৰ বিচাৰ কৰি একো লাভ নাই, বৰঞ্চ আমাৰ লোকচানেই হ'ব। মই জানো, তোমাৰ সকলো কথা, সকলো ধাৰণা উলাই কৰিব নোৱাৰি। তোমাৰ কিছুমান 'নাপায়' মই সমৰ্থন কৰিলেও মই তোমাৰ এই যুক্তিটো মানি লব নোৱাৰো। মানিলোহেতেন, যদিহে ৰাতিপুৱা দেৰিলৈকে শুই থাকিব নাপায়, গা নোধোৱাকৈ থাকিব নাপায়, ৰাতি নখ কাটিব নাপায়, কাপোৰ পিন্ধি থকা অৱস্থাত চিলাব নাপায় এইবোৰৰ দৰে হ'লহেতেন আজিৰ যুক্তিটো। 'মণিবাইঁত সৰু বা তলথাপৰ মানুহ' এই ধাৰণাটো মই কেতিয়াও মানি নলও। ইয়াৰ কোনো ভিত্তি নাই। আজিৰ সমাজৰ সকলো মানুহ একে আকাশৰ তলৰ সকলো এটা জাতি। কিন্তু নাই, ৰাতি ১২ বজালৈকে ইত্যাদি ধৰণৰ বিভিন্ন যুক্তি দেখুওৱাৰ পাছতো আইতাই দাদাক ক্ষমা কৰিবলৈ মান্তি নহল।

দাদাই আমাৰ ঘৰৰ অলপ আঁতৰৰ যশোৰন্ত খুৰাৰ ছোৱালী মণিকা হাজৰিকাক ভাল পাইছিল। কথাটো শুনি মই তেতিয়াই অনুমান কৰিছিলো আজিৰ দৰে পৰিস্থিতি এটা হব বুলি। কিন্তু দাদা তেতিয়া ঘূৰি আহিব পৰা অৱস্থাত নাছিল। আহিব লাগিলেহেতেন মানবীয়তাৰ মূৰত কুঠাৰাঘাট কৰি, যিটো মইও কৰিব নোৱাৰো। দাদাই মোক কৈছিল — "মোৰ বাবে মণি কোনো হাজৰিকাৰ জীয়েক নহয়, মই মাত্ৰ জানো তাই এজনী ছোৱালী আৰু মই ল'ৰা। গতিকে এইয়া মই কোনো ভূল কৰা নাই। তই মাইঁতক বুজাবি।"

সেয়া, আইতাই আকৌ মণিবাৰ ঘৰখনক গালি পাৰিছে। দোষাৰোপ কৰিছে মণিবাৰ মাক-দেউতাকক। কিন্তু মই জানো, দাদাৰ আৰু মণিবাৰ সমন্ধটোৰ বাবে তেওঁলোক দায়ী নহয়, তেওঁলোকেও ঘটনাটো সহজভাবে লব পৰা নাই। তেওঁলোকো আনন্দিত হোৱা নাই বৰ জীয়েকৰ এনে অপ্ৰত্যাশিত সিদ্ধান্তত। মণিবা ঘৰখনৰ প্ৰথম সন্তান আৰু আমাৰ দাদাও আমাৰ ঘৰৰ প্ৰথম ল'ৰা। মণিবাৰ মাক-দেউতাকেও বিচৰা নাছিল তেওঁলোকৰ ছোৱালী কোনোবা অজাতিৰ লৰাৰ লগত বিয়া হোৱাটো। কিন্তু তেওঁলোকে মণিবাক ৰখাব নোৱাৰিলে। নোৱাৰিলে মণিবাই মাক-দেউতাকৰ চেনেহৰ ডোলক দাদাৰ প্ৰেমৰ জৰীতকৈ টানকৈ ধৰিব।

দাদাই ঘৰৰ পৰা ওলাই যোৱাৰ আগমূহুৰ্ত্তত মোক সিহঁতৰ সিদ্ধান্তৰ বিষয়ে কৈ গৈছিল। মই দুখ পাইছিলো যদিও সিহঁতক ৰখাৰ পৰা শক্তি মোৰ নাছিল। মাইঁতৰ শুচৰত ক্ষমা বিচাৰি এখন চিঠি লিখি থৈ গৈছিল। মই তাৰ মানসিক অৱস্থাটো বুজিবৰ চেষ্টা কৰিছিলো। সিও ঘৰখনৰ অমতে গৈ সুখী হোৱা নাই। কিন্তু সি নিৰুপায়, তাৰ তুলাচনীত মাৰ

মৰমতকৈ মণিবাৰ ভালপোৱাৰ পৰিমাণ বেছি গধুৰ হৈছিল। মই কান্দিছিলো নীৰৱে, লুকাই। পিছদিনা সকলোৱে কান্দিছিল চিঞৰি চিঞৰি, মনৰ শোক উজাৰি।

মাক মই কোনো কথা কোৱা নাই। মাৰ ওপৰত মোৰ বিশ্বাস আছে। কিন্তু আইতা! দেউতা নোহোৱা আমাৰ ঘৰখনত আইতাৰ সন্মতিৰ অবিহনে আজিলৈকে কোনো কামেই হোৱা নাই। মই আইতাক কওঁ "তুমি যেন নবকান্ত বৰুৱাৰ 'ককা-দেউতাৰ হাড়'ৰ আইতাগৰাকী।" কোনো কামতে অংশ নলয়, অথচ তেওঁৰ সন্মতি লাগিবই।

যেতিয়া ঘৰত কথাটো জ্ঞাত হৈছিল, সকলো স্তব্ধ হৈ গৈছিল। মই কৈছিলো দাদাৰ সপক্ষে। কিন্তু কাৰো সন্মতি নাই। ঘৰঘনত এক অস্বাভাৱিক নীৰৱতা আহি পৰিল। দাদাই সিদ্ধান্তই যেন সকলোকে এক যান্ত্ৰিক সত্বা প্ৰদান কৰি গ'ল! কাৰো মুখত মাত নাই, অথচ সকলোৱে নিজৰ কৰ্তব্য কৰি গৈছে।

মই আইতাক অনুৰোধ কৰিছিলো। দাদাক মই প্ৰতিশ্ৰুতি দিছো আইতাক মান্তি কৰিম বুলি। কিন্তু অইতাই কোনো পধ্যেই মানি নলয়। আইতাৰ কথা হ'ল – সিহঁত দুয়োটা ঘৰৰ ডাঙৰ সন্তান। ডাঙৰে ডাঙৰে বিয়া হ'ব নাপায়। মোৰ তাগিদাত আইতাই এই যুক্তিটো উঠাই ললে। কিন্তু আইতাৰ জাত-পাতৰ বিচাৰটো হলে উঠি নগল। অৱশেষত মই গুচি আহিলো তেওঁৰ ওচৰৰ পৰা।

দাদালৈ মোৰ বেয়া লাগিছে। ভয় লাগিছে, আইতাই বাৰু সঁচাই দাদাক ক্ষমা নকৰিব নেকি? মই জানো, আইতাৰ সন্মতি অবিহনে কোনো কাম নহয়। আমি কৰিব নোৱাৰো। হ'ব পাৰে আইতাৰ মন পুৰণিকলীয়া বিশ্বাসেৰে পৰিপূৰ্ণ। কিন্তু হলেও আমি আইতাক এৰি চলিব নোৱাৰো। আমি কোনোৱেই পুৰণিক এৰি চলিব নোৱাৰো। তেওঁলোকৰ আধাৰতে আমি নতুন সমাজ গঢ়িব লাগিব। তেওঁলোকক, তেওঁলোকৰ সংস্কাৰক ধুই নিকা ৰূপ দিব লাগিব। মই আকৌ যাম আইতাৰ ওচৰলৈ। নহলে যে দাদাৰ জীৱন আধৰুৱা হৈ ৰ'ব। হয়তু আইতাই এদিন ক'ব— "তহঁতি নিয় যদি কাইলৈ মইও যাম সিহঁতক ঘৰলৈ লৈ আহিমগৈ।" আৰু মই আইতাৰ সেই কথাষাৰৰ প্ৰতীক্ষাতে ৰৈ থাকিম। মোৰ বিশ্বাস মই দাদাক দিয়া প্ৰতিশ্ৰুতি ৰাখিব পাৰিম। ০০

॥ গল্প ॥

# লাচনি-পাঁচনি

—নন্দিতা গগৈ
স্নাতক তৃতীয় বাৰ্ষিক

ত্ৰিশগজ আঁতৰৰ পৰা ডগ্‌মগ্‌কৈ জিলিকি থকা গৌৰীৰ কপালৰ ৰঙা ফোঁটটো দেখিলে ৪০ বছৰীয়া লয়নীৰ মনটো আজিও এক তীব্ৰ বেদনাত মোচৰ খাই যাব খোজে।

এবা, লয়নীৰো জীৱনৰ প্ৰতি এক তীব্ৰ মোহ আছিল। শইকীয়ানী মানুহ গৰাকী যদি অকণমান অনুভূতি-প্ৰৱণ হ'ল-হেঁতেন লয়নীৰ কপালতো আজি ত্ৰিশ গজ আঁতৰৰ পৰা জিলিকি থাকিলহেঁতেন এনে এটা ডগ্‌মগীয়া ৰঙা ফোট! আজি তাইৰ অৱলম্বনহীন জীৱনটোত আশা আৰু বাস্তৱ যেন দুডাল সমান্তৰাল ৰেখা, যাৰ মিলন হোৱাটো অত্যন্ত দুৰ্লভ।

লয়নীৰ শইকীয়ানীৰ ঘৰত থকা আজি ৩০ বছৰ হ'ল। ১০ বছৰ বয়সতে মাতৃৰ মৰমৰ পৰা চিৰদিনলৈ বঞ্চিত হোৱা লয়নীক দেউতাকে শইকীয়ানীৰ ঘৰলৈ লৈ গৈছিল। আধুনিক আদৱ-কায়দাৰে সুসজ্জিত বিল্ডিংটোত সোমাই লয়নীৰ ফুলকোমল মনটোত আনন্দৰ জোৱাৰ উঠিছিল— যদিও সি সাগৰৰ ক্ষণিকৰ ঢৌৰ দৰে, পিছ মুহূৰ্ত্ততে গাঁৱৰ বোকা, ধূলি-বালিৰে সনা-পোটোকা, মুক্ত, সহজ-সৰল জীৱন-টোলৈ মনত পৰি লয়নীৰ ফুলকোমল মন-টোৱে বাৰে বাৰে কান্দি উঠিছিল। শইকীয়ানীয়ে লয়নীক ঘৰতে চিলাই দিয়া এটা ৰং বিৰঙৰ ফ্ৰক পিন্ধাই দিছিল, হাতত দুডাল-মান প্লাষ্টিকৰ খাৰু, চুলিত পখিলা লগা বেণ্ড পিন্ধাই দিছিল। দেউতাক যোৱাৰ পাছত লয়নী উচুপি উচুপি কান্দি উঠিছিল। শইকীয়ানীয়ে তাইক মৰমেৰে সাৱটি লৈছিল। শইকীয়ানীৰ বুকুৰ মাজত সোমাই তাই যেন আকৌ মাকৰ বুকুৰ উমহে পালে। তাই সকলো বেদনা পাহৰি গ'ল।

লয়নী শইকীয়ানীৰ ঘৰলৈ আহোঁতে ডাঙৰ ল'ৰা বুলবুলৰ বয়স দুবছৰ। তেতিয়া তাক কোলাত ওমলাই ফুৰাটোৱেই লয়নীৰ কাম আছিল। লাহে লাহে লয়নী ডাঙৰ হৈ আহিল, তাইৰ কৰ্ত্তব্যও বাঢ়ি গ'ল। আনহাতে শইকীয়া-শইকীয়ানীৰ সংসাৰো ৩ জনৰ পৰা ৫ জনলৈ বৃদ্ধি পালে। বুলবুলৰ পাছত মাই আৰু আইমানু আহিল।

লয়নীয়ে আজিকালি বুলবুল, মাইনুক

স্কুললৈ উলিয়াই দিব পৰা হ'ল। আই-মানুক কোলাত লৈ ওলাই যাব পৰা হ'ল, বাৰান্দৰ টাবকেইটাত পানী দিব পৰা হ'ল, ভিতৰৰ পকী মজিয়াখন ঝাৰু দিব পৰা হ'ল।

লয়নীৰ মনত পৰে, শইকীয়ানীয়ে এদিন শোৱনি কোঠাৰ বেডিংখন আঁতৰাই পাটি পাৰিছিল। ওচৰৰ বৰুৱানী আৰু কেইগৰাকীমান মানুহ আহি উৰুলি দি তাইক পাটিত বহুৱাইছিল। তাৰ পাছত বৰুৱানীয়ে এদিন আহি তাইক কৈছিল— 'তই এতিয়া ডাঙৰ হ'লি ; যেতিয়াই তেতিয়াই ঘৰৰ পৰা পদূলিলৈ ওলাই নাযাবি। এওঁলোক নাথা-কিলে, কোনোবা ল'ৰা আহিলে ওলাই নাহিবি" ইত্যাদি বহু কথা বৰুৱানীয়ে মুখস্থ মতাৰ দৰেই মাতিছিল। তেতিয়াৰে পৰাই তাই সজাৰ ভাটৌটোৰ দৰেই ভিতৰত সোমাই থাকে।

লয়নীৰ দেউতাক কেতিয়াবা আহে। শইকীয়ানীয়ে কেতিয়াবা দেউতাকৰ হাতত কেইটামান টকা গুজি দিয়া লয়নীয়ে দেখে। তাই নুবুজে বা বুজিবলৈ চেষ্টা নকৰে শই-কীয়ানীয়ে দেউতাকক দিয়া টকাকেইটাৰ মূলতে কি গোপনীয়তা লুকাই আছে।

বুলবুল এতিয়া ডাঙৰ হ'ল। ইঞ্জি-নিয়াৰিঙ্ পঢ়িছে। হোষ্টেলত থাকে। মাইনু কলেজত আৰু আইমানু হাইস্কুলত। আগতে বুলবুল আৰু লগৰ ল'ৰা-ছোৱালী আহিলে লয়নীয়েই লাচনি পাচনি কৰে। আজিকালি শইকীয়ানীয়ে দিয়ে। আনকি সিহঁতৰ লগৰ ল'ৰা-ছোৱালী আহিলে লয়নী ওলোৱাতো শইকীয়ানীয়ে বন্ধ কৰি দিছে। লয়নীয়ে ইয়াৰ ৰহস্য নুবুজে। মাথো শইকীয়ানীৰ নিৰ্দেশমতে তাই সকলো কৰে। তাই যেন যন্ত্ৰচালিত মেচিন, প্ৰাণ-স্পন্দনহীন ৰবটলৈ পৰিবৰ্তন হ'ল।

এদিন বুলবুল হোষ্টেলৰ পৰা আহি-ছিল। লয়নীয়ে গৰমত ঘামি-জামি অহা বুলবুলক লৰালৰিকৈ চৰবত এগিলাচ দিছিলগৈ। বুলবুলে লয়নীয়ে দিয়া চৰবত গিলাচ নি পিচফালে পেলাই দিলেগৈ। সৰুৰে পৰা কোলাত লৈ ডাঙৰ কৰা বুলবুলৰ কাণ্ড দেখি লয়নী আহত হ'ল। মৰমতে 'বুল' বুলি তাক লয়নীয়ে মাতে। তাই দুচকুৰ পৰা দুফোট চকুলো ওলাই আহিল। পিছমূহুৰ্ত্ততে আকৌ তাই বুলবুলে পিন্ধি অহা কাপোৰযোৰ ধুবলৈ হাঁহি হাঁহি টিউবেলৰ ওচৰলৈ গ'ল।

এৰা, মনলৈ অহা সকলো বেদনা ঢাকি ৰাখি তাইযে হাঁহিবই লাগিব। তাইৰ ওপৰত অদৃশ্যৰ এয়া যেন এক বিৰাট অভি-শাপ! লয়নীয়ে হাঁহে ; সুখতো হাঁহে, দুখতো হাঁহে। হাঁহি হাঁহি বেদনা মচাৰ বাহিৰে তাইৰ জীয়াই থকাৰ বিকল্প নাই।

আন এদিন আইমানুৰ লগৰ ছোৱালী দুজনীমান আহিছিল। লয়নীয়ে ছোৱালীকেই-জনীক চফ্ দিলেগৈ। আইমানুৱে ছোৱালী-কেইজনীয়ে নেদেখাকৈ লয়নীক গতিয়াই বাহি-ৰলৈ উলিয়াই দিলে। তাই হাঁহি হাঁহি ক'লে, আইমানুৱে মোৰ লগত খুউব ধেমালি কৰে আজিকালি। সেইদিনা আইমানুৱে ৰাতি ভাত-পানী নাখাই ৰুমত সোমাই থাকিল।

মাকে পাহুতহে গম পালে লয়নীয়ে লগৰ ছোৱালীবোৰক চক্ দিয়া কাৰণেহে তাই বোঁহ পাতিছে। আইমানু ভাত খাবলৈ নহা দেখি লয়নীয়ে মাতিবলৈ গ'ল। তাইৰ গাত ধৰি জোকাৰি দিলত আইমানুৱে গাৰ জোৰেৰে লয়নীক ঠেলা মাৰি দিলে। তাই পকী মজিয়াখনত হামকুৰি খাই পৰি গল। তাইৰ কপালেদি তেজ ওলাই আহিল। তাই লৰালৰিকৈ উঠি তেজবোৰ ধুই পেলালেগৈ। তাই ক'লেহি, আইমানুকনো কোনে কি কৰিলা, তাই ভাত নাখালে মইও নাখাওঁ। লয়নীয়ে জনা নাছিল আইমানুৰ বোঁহ্ পতাৰ মূল কাৰণ তাই নিজেই।

শইকীয়া-শইকীয়ানীৰ মৰমৰ আবদাৰত ডাঙৰ হোৱা লয়নীৰ হাতৰ পৰশত প্ৰতিপালিত আইমানু যে খুউব আলসুৱা, আকলুৱা আৰু ক্ষণিকৰ অভিমানী তাক লয়নীয়ে জানে।

এদিন বুলবুল ইঞ্জিনিয়াৰ হ'ল, তাক বিয়া পাতি দিয়া হ'ল অভিজাত পৰিয়ালৰ কন্যা, সুকোমল তনুৰ অধিকাৰী গৌৰীৰ লগত। মাইনুক বিয়া দিয়া হল এজন ব্যৱসায়ীলৈ আৰু আইমানুক বিয়া দিয়া হ'ল এজন ডাক্তৰৰ লগত। আটাইকেইখন বিয়াতেই লয়নীয়ে মন-প্ৰাণ ঢালি কাম কৰিলে।

বুলবুলৰ বিয়াত ফুলকুমলীয়া বোৱাৰী গৌৰীক হাঁহি হাঁহি আদৰি আনিলে ন-ঘৰলৈ।

মাইনু আৰু আইমানুক কান্দি কান্দি এইখন ঘৰৰ পৰা বিদায় দিলে আন এখন ঘৰলৈ।

কিন্তু লয়নী? তাই মাজতে ফাঁক হৈ ৰ'ল। দেউতাকে তাইৰ কাৰণে ল'ৰা এজন আনিছিল। শইকীয়ানীয়ে প্ৰতিবাদ কৰিলে। [ হয়তো শইকীয়ানীৰ কামৰ সোঁহাত স্বৰূপ লয়নীক আজীৱন তেওঁৰ হাতৰ মুঠিত ৰাখিব বিচাৰিছিল ] শইকীয়ানীয়ে নানা অজুহাত দেখুৱালে ···· লয়নী সৰু হৈ আছে, ল'ৰাজন লয়নীতকৈ ডাঙৰ, কোনো কৰ্ম সংস্থাপন নোহোৱা ল'ৰাৰ লগত লয়নীয়ে কেনেকৈ খাব, জীয়েকসম ছোৱালী লয়নীক ইমান সোনকালে শইকীয়ানীৰ পঠিওৱা ইচ্ছা নাই, সৰুৰে পৰা শইকীয়ানীহঁতৰ আধুনিক আদব-কায়দাৰ মাজত ডাঙৰ হোৱা লয়নীয়ে গাঁৱৰ পৰিবেশত থাকিব নোৱাৰিব, ইত্যাদি বহু কথা। শইকীয়ানীয়ে এই বিষয়ে লয়নীৰ মতামত লোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। সৰল ৰেখাৰ দৰে পোনগতিৰে জীৱন অতিবাহিত কৰা হোজা লয়নীৰ দেউতাকে শইকীয়ানীৰ কথা নিৰ্বিবাদে মানি ললে।

এইদৰেই টকা আৰু অভিজাতৰ গৰ্ব দেখুৱাই শইকীয়ানীৰ দৰে আন বহুতে লয়নীৰ দেউতাকৰ দৰে কিছুমান মানুহৰ অনুভূতিবোৰ কিনি পেলাইছে, নিজৰ মুঠিত ৰাখিছে লয়নীৰ দৰে অবক্ৰ জীৱনৰ গতিধাৰাক। লয়নীয়ে শইকীয়ানীৰ ওচৰত কৈফিয়ৎ বিচাৰিব নোৱাৰে, কাৰণ 'লয়নী' তেজ মঙহৰ মানুহজনী আৰু অনুভূতিৰ দাম শইকীয়ানীৰ দৈনন্দিন জীৱনৰ হিচাবৰ বহীত লিপিবদ্ধ। আগতে শইকীয়া-শইকীয়ানীৰ আৰু এতিয়া বুলবুল-গৌৰীৰ যুগ্ম-জীৱনৰ লাচনি-পাঁচনি

ধৰে লয়নীয়ে। কোনো স্বাৰ্থ নাই, কোনো খেদ নাই, কাৰো ওপৰত ক্ষোভ নাই, নাই অকণমান মৰমৰ আৱদাৰো। মুঠতে, ফুলৰ দৰে কোমল, আলফুলীয়া বুলবুল-গৌৰীৰ সংসাৰখনত কোনো জোঁট নলগাকৈ অতি-বাহিত হওক এয়াই লয়নীৰ মনৰ একান্ত ইচ্ছা।

কেতিয়াবা মাইনু আৰু আইমানু ঘৰলৈ আহে। লয়নীলৈ চাদৰ, ব্লাউজ লৈ আনে। সিহঁতে পিন্ধাই দিয়ে। হাঁহি হাঁহি কয় "বাঃ তোমাক খুউব ভাল লাগিছে।" লয়নীয়েও সিহঁতৰ লগতে হাঁহে। কিন্তু সকলোৰে অজ্ঞাতে লয়নীৰ কোনোবা এটা বুকুৰ কোণ বিষাই যায়।

সোজনী গৌৰী, তাইৰ কপালত ৰঙা সেন্দুৰৰ ফোঁটটো জিলিকি আছে। কোলাত জিলিকিছে ছমহীয়া কেঁচুৱাটো—লয়নীৰ ভাল লাগে দেখি। নাৰীৰ সৌন্দৰ্য্য এইটো ৰূপতহে প্ৰকৃততে প্ৰস্ফুটিত হয়।

শইকীয়ানীয়ে কোনোদিন লয়নীৰ হৃদয়ৰ গোপন প্ৰাপ্যখিনিৰ কথা উপলব্ধি কৰিব নোৱাৰিলে। লয়নীৰ দৰে শইকীয়া-নীওতো এগৰাকী তেজ-মঙহৰ নাৰী। নাৰীৰ অন্তৰৰ চিৰন্তন আশা-আকাঙ্খা, প্ৰাপ্যটো নোপোৱাৰ নিৰ্মম ব্যথা শইকীয়ানীয়ে বুজি-বৰ কাৰণে কিঞ্চিতো চিন্তা কৰিব নোৱা-ৰিলে। কাৰণ এখন সুখৰ সংসাৰ, স্বামী, পো-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰে এখন পৰিপূৰ্ণ সংসাৰ শইকীয়ানীৰ। তাত লয়নীৰ কথা চিন্তা কৰাৰ অৱকাশ শইকীয়া-নীৰ ক'ত? শইকীয়ানীৰ দৰে পৰিপূৰ্ণ সংসাৰখন নিয়াৰিকৈ চলাই নিবলৈ, ইটো-সিটো লাচনি-পাঁচনি কৰিবলৈকে যেন লয়নীৰ দৰে নিঃসম্বল জীৱনবোৰ সৃষ্টি হৈছে।

লয়নীয়ে গৌৰীৰ ৰঙা কপালৰ ফোঁট-টোলৈ চাই আছে। ত্ৰিশ গজ আঁতৰৰ পৰা ডগ্‌মগ্‌কৈ জিলিকি থকা গৌৰীৰ কপালৰ ৰঙা ফোঁটটো দেখি ৪০ বছৰীয়া লয়নীৰ মনটো যেন এক তীব্ৰ বেদনাত মোচৰ খাই যাব!

"লয়নী, বোৱাৰীয়েৰলৈ ভেবা লাগি চাই ৰলি যে— ঘৰটো ঝাৰু দে হি আহ।" শইকীয়ানীৰ মাতত লয়নীৰ তন্ময়তা ভাগিল।

তাই লৰালৰিকৈ ভিতৰলৈ সোমাই গ'ল। ০০০

> "হাঁহিৰ গোপন উৎস আনন্দ নহয়, বেদনাহে।"
> মাৰ্ক টুৱেইন।

॥ গল্প ॥

# দুঃস্বপ্ন

—তৃষ্ণা বৰগোহাঁই
স্নাতক ২য় বাৰ্ষিক

বাহিৰত তেতিয়া বৰষুণ দি আছিল। নেওৰাখনৰ পানী পৰা ঠাইখিনিত মই এটা চচ্ পাতি দিছিলো আৰু বৰষুণৰ পানীবোৰ তাত পৰি বিষণ্ণ সাংগীতিক ধ্বনি এটাৰ সৃষ্টি কৰিছিল। মোৰ বেয়া লাগিছিল! হিমাদ্ৰী আজিও নাহিল! আজিকালি মোৰ উজাগৰী ৰাতিবোৰ তাৰ খোজৰ শব্দটো শুনিবৰ বাবেই আকুল হৈ থাকে, অনবৰতে।

সি কৈছিল, "মই গুছি অহা পথটো শুদ্ধ নহব পাৰে, কিন্তু এতিয়া বিকল্প নাই, শুদ্ধ নহলেও একমাত্ৰ পথ।" মই বৈ থাকিবলৈ আৰম্ভ কৰিছিলো। হয়তো একো আশা নকৰাকৈ। আজিকালি সপোন নেদেখোঁ। কি হব শূন্যতাৰ খেলা খেলি। হিমাদ্ৰীৰ খবৰেই নাই।

ইমানকৈ বৰষুণ দিও মেঘবোৰ শেষেই হোৱা নাইনে? নাই এতিয়া আৰু কোনো আশা নাই, মই বিচৰাখিনি হিমাদ্ৰীয়ে দিব পাৰিবতো? হয়তো পাৰিবও পাৰে, আজিকালি হেৰুৱাবলৈ একো নাই যেন লাগে। কালি মাত্ৰ কালি মই সেই খবৰটো পাইছিলো; হে প্ৰভু, হে প্ৰভু মিছা হওঁক, এইবোৰ মিছা হওঁক।

বকুলে আহি খবৰটো দিলে, মই থানালৈ দৌৰ মাৰিলো। বগা কাপোৰখন দাঙি চালো, নহয় এইটো হিমাদ্ৰী নহয়।

চকুমকাকৈ সাৰ পাই দেখিলো মই তেতিয়াও বিছনাত.....সঁচাকৈ এইটো দুঃস্বপ্নই হওক... ..... এনেকুৱাকৈ মোৰ হিমাদ্ৰী ঘূৰি নাহক, নেলাগে, সি মৃত্যু বিজয়ী হওক। *০০০

* থলীতে লিখা গল্প প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত।

॥ উপন্যাস ॥

# জোনাকত যেতিয়া জুই জ্বলে

– ৰবী বৰুৱা
স্নাতক ২য় বাৰ্ষিক

গাড়ীখন ৰখাই দিয়াত নিজকে জোকাৰি ৰ'দালি গাড়ীৰ পৰা নামিল। ...বেগটো মাটিতে থৈ তাই ঘড়ীলৈ চালে। ...ঘুৰা ৭ বাজিছে। ইতিমধ্যে অন্য যাত্ৰীবোৰো গাড়ীৰ পৰা নামি নিজৰ গন্তব্যস্থানলৈ গৈছে। তাই চাৰিওফালে চালে। ঠাইডোখৰৰ দোকান পোহাৰবোৰ লাহে লাহে খুলিবলৈ আৰম্ভ কৰিছে। তাই নাতিদূৰৰ হোটেলখনৰ ফালে খোজ ল'লে। মুখ-হাত ধুই তাই চাহ একাপ খালে। মেনেজাৰজনক সুধি তাই গম পালে ডিব্ৰুগড় অভিমুখী বাচখন আহিবলৈ আৰু আধাঘণ্টামান আছে। তাইৰ মনটো বিৰক্তিৰে ভৰি পৰিল।

: 'ৰ'দালি'..........

তাই উচপ খাই উঠিল। পিচফালে ঘূৰি চাই দেখিলে তন্ময়। তাই যেন নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে।

: 'তনু, তুমি.........'

: "ভালে আছা ৰ'দালি ?"

: "ও, ভালেই"

তন্ময় একেদৰেই আছে। অলপ ক্ষীণাইছে। চকু দুটাত কিবা করুণ ভাৱ এটা, যেন এতিয়া কান্দি দিব।

: "মোৰ লগত যাবা ৰ'দালি......?"

বিনাবাক্যব্যয়ে ৰ'দালি তন্ময়ৰ গাড়ীত উঠিলহি। তন্ময়ে তাইক লৈ গ'ল চহৰখনৰ উপকণ্ঠ অঞ্চলত থকা 'সংৰক্ষিত বনাঞ্চল'ৰ তাৰ কোৱাৰ্টাৰলৈ। ৰ'দালিৰ বিয়াৰ আগতেই তাৰ চাকৰি হৈ গৈছিল এই বনাঞ্চলৰেই বিট অফিচাৰৰ পদত।

গাড়ীৰ শব্দত ল'ৰা এটাই দৌৰি আহি গেটখন খুলি দিলে। সি তাইক তাৰ ৰুমলৈকে লৈ গ'ল। ৰান্ধনি ল'ৰাটোক সি চাহ দিবলৈ ক'লে। তাই ৰাহিৰলৈ আহি চাৰিওফালে চকু ফুৰালে। সুন্দৰ পৰিবেশ। দুটা ৰুমেৰে তাৰ কোৱাৰ্টাৰটো। ওচৰতে আৰু দুটা ৰুম। তাৰ এটা ৰুম পাকঘৰ আৰু আনটোত ৰান্ধনি ল'ৰাটো আৰু ড্ৰাই-

ভাৰ থাকে ।

০ ০ ০ ০

সন্মুখত ধুম্ৰায়িত চাহকাপ লৈ তন্ময় একেথৰে বহি আছে মোৰ সন্মুখত । সম্পূৰ্ণ ছয় বছৰৰ পিছত আমাৰ দেখাদেখি । তথাপিও তাৰ কোনো প্ৰতিক্ৰিয়াই নাই তাৰ মুখত । গাড়ী চলাই আহোঁতেও সি মোক একোকে সোধা নাছিল । যেন সদায় সি এনেদৰেই থাকে । কিন্তু তাৰ এই নীৰৱতা মোৰ স্বাভাৱিক যেন নালাগিল । কেতিয়াবা শব্দতকৈও নীৰৱতাৰ অৰ্থ বহুত বেছি হৈ পৰে ।

ঃ "অ'লী, মোৰ লগত ফুৰিবলৈ যাবা ?"

ঃ "যাম ।"

ঃ "গা পা ধুই ফ্ৰেছ হৈ লোৱা ।"

বেগটো খুলি কাপোৰ উলিয়াই তাই বাথৰুমলৈ গ'ল । "অ'লী" এই নামেৰে আকৌ মাতিছে সি তাইক । এতিয়াহে মনত পৰিল তাইৰ চাহকাপ খোৱা নহ'ল । ৰান্ধনি ল'ৰাটোৱে চাহ দিয়াৰ লগে লগে তাই অনুভৱ কৰিছিল সি যেন উদভ্ৰান্ত হৈ উঠিছে । সি লুকুৱাবলৈ বিচাৰিলেও তাইৰ চকুত ধৰা পৰিছিল তাৰ উদভ্ৰান্ততা । সিও ছাগে পাহৰিব পৰা নাই কোনোদিন সিহঁতৰ নিবিড় স্মৃতিবোৰ ।

ঃ "তনুমণি........."

ব'দালিৰ মাতত ঘূৰি চালে সি ।

ঃ "কি ভাবি আছা তুমি ।" নিঃসংকোচে তাৰ কান্ধত হাত থ'লে তাই । সি চাই ৰ'ল তাইৰ মুখলৈ । তাৰ পিছত টাৱেলখন লৈ সি নীৰৱে বাথৰুমলৈ গ'ল । সি গোৱাৰ পিনে চাই তাই হুমুনিয়াহ কাঢ়িলে । তাৰ বহুত পৰিবৰ্ত্তন হ'ল । তাই ভাবিলে । আইনাৰ সন্মুখত বহি তাই নিজকে চালে । তাইৰো পৰিবৰ্ত্তন হ'ল । মানসিকভাৱে নহলেও বাহ্যিকভাৱে । তাইৰ একে উকা কাণ, উকা ডিঙি, মাত্ৰ পৰিপূৰ্ণ হৈ আছে শিৰ আৰু কপাল সেন্দুৰেৰে । শিৰত সেন্দুৰ লওঁতে তাই ভাবিলে আজি ছবছৰে তাই নিজকে কিমান ফাঁকি দিছে । কিবা মূল্য আছে জানো তাইৰ এই সেন্দুৰ লোৱাৰ ।

০ ০ ০ ০

যাবলৈ সাজু হৈ তন্ময়ে ৰ'দালিলৈ চালে । খিৰিকিৰ ৰেলিঙত ধৰি তাই বাহিৰলৈ চাই আছে । সি ভাবিলে আজি হুইস্কীৰ বটল লগত নিবনে নিনিয়ে । তাই বাৰু তাক কিবা কব নেকি ? তাৰ মনটো বিদ্ৰোহী হৈ উঠিল তাইৰ প্ৰতি । ৰ'দালিৰ আজি কোনো অধিকাৰ নাই তন্ময়ক কিবা কবলৈ, যি অধিকাৰ এটা সময়ত সি অকৃপণভাৱে তাইক দান কৰিছিল, সেয়া আজি মূল্যহীন । গাড়ীৰ একেটা ছিটতে ওচৰাওচৰিকৈ বহি সি অনুভৱ কৰিছিল সম্পূৰ্ণ ছবছৰৰ পিছত লগ পাইও আজি সি একো কব পৰা নাই কিয় তাইক । অথচ পাৰ হৈ অহা দিনবোৰৰ প্ৰতিটো মুহূৰ্ত্তই আৰু জোকাৰি গৈছিল তাইৰ স্মৃতিয়ে । কলেজত পঢ়ি থাকোঁতেও সিহঁত একেলগে বহি গৈছিল পিকনিকলৈ । খোৱা-বোৱা শেষ হোৱাৰ পিছত সি তাৰ লগৰ লৰাৰ লগত লুকাই-চুৰকৈ হুইস্কী খাইছিল ।

কিন্তু সকলোকে ফাঁকি দিব পাৰিলেও সি তাইক ফাঁকি দিব পৰা নাছিল। বহুদিনলৈকে তাই তাৰ ওচৰৰ পৰা আঁতৰি ফুৰিছিল। যিদিনা তাইক জোৰকৈ লগ কৰি সৰু ল'ৰাৰ দৰে কাণত ধৰিছিল তাইৰ সন্মুখত, সেইদিনা তন্ময়ৰ হাতখন তাইৰ দুহাতৰ মাজত লৈ গভীৰ মমতাবোধেৰে ৰ'দালিয়ে তন্ময়ক কৈছিল, "তনু, আমাৰ মৰম ভালপোৱাবোৰ এইবোৰেৰে ধ্বংস কৰি নিদিবা।" আৰু এতিয়া ? তাৰ অসংযত মূহুৰ্ত্তবোৰৰ প্ৰতিটো ক্ষণেই তাইৰ এই কথাবোৰে আমনি কৰি থাকে তাক এতিয়াও।

সদায় বহি থকা নৈখনৰ পাৰত উপস্থিত হৈছিলহি সিহঁত। ড্ৰাইভাৰটোক পিছত আহিবলৈ কৈ তন্ময়ে বিদায় দিছিল তাক।

: "তনু, তুমি বহুত পৰিবৰ্ত্তন হ'লা। কেতিয়াবা ভাবিছিলানে আমি পৰস্পৰে পৰস্পৰৰ ওচৰত অচিনাকীভাৱে থাকিব লাগিব।"

সি পোনপটীয়াকৈ তাইলৈ চালে। তাইৰ সেন্দুৰৰ ফোঁটটো জিলিকি আছে। তাৰ বুকুখনৰ কোনোবা এখিনিত কিবা এক অস্থিৰতা অনুভৱ কৰিলে।

: "তুমি ভাবানেকি তোমাৰ বাহিৰে আন কাৰোবাক মই বিয়া কৰাব পাৰো ?"

সি বাৰু কান্দি দিব নেকি এতিয়া ? তাৰ মাক-দেউতাক নাই, নাই বংশ পৰিচয়। নিঃসন্তান মোমায়েকে এজনে তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। তেওঁৰ লগত তন্ময়ৰ তেজৰ সম্বন্ধ নাছিল। এইদৰে কৈ এদিন সি উচুপি উঠিছিল তাইৰ সন্মুখত। সেইদিনাৰ পৰা পিতৃসুলভ কৰ্তৃত্বৰে, মাতৃসুলভ মমতাৰে আবৰি ৰাখিছে তাই তাক। M. A. ফাইনেল দিয়াৰ পিছত যেতিয়া মাকে তাইক বিয়াৰ কথা কৈছিল, তাই স্পষ্টভাৱে জনাই দিছিল তন্ময়ৰ কথা। একেই স্পষ্টতাৰে মাকেও তাইক জনাই দিছিল কোনোমতেই মাকে তাইক বংশ পৰিচয়হীন ল'ৰা এটাৰ হাতত গতাব নোৱাৰে। তাইৰ দেউতাক নাছিল। দেউতাকৰ অবিহনে মাকেই তাইৰ সকলো আছিল। মাকৰ কথা শুনি তাই স্তব্ধ হৈ গৈছিল। আৰু ...... শেষত তাই সিদ্ধান্ত লৈছিল তাই বিয়া সোমাব। মাক সুখী হৈছিল। তাই নিজৰ সুখ বিচৰা নাছিল। মাকৰ মৰমৰ প্ৰতিদানত তাই বিশ্বাস ঘাটকতা কৰিব নোৱাৰে। ৰ'দালিয়ে যেতিয়া তাইৰ এই সিদ্ধান্তৰ কথা তন্ময়ক কৈছিল সি মান্তি হোৱা নাছিল।

: "নাই, নাই অ'লী, তুমি এইবোৰ নকৰিবা। মোৰ প্ৰেম, ভালপোৱা এইবোৰৰ কি হ'ব।"

: "কিন্তু তনু, যি মায়ে দেউতাৰ অবিহনে মোক ডাঙৰ কৰিলে, সেই মাক কৰা বিশ্বাস ঘাটকতাৰ দুখ, তোমাক এৰি যোৱা দুখতকৈ বহুত বেছি তনু।"

: "তোমাক মই আনৰ হ'বলৈ কেনেকৈ দিওঁ অ'লী ?"

: "যদি এইকণ দুখ সহ্য কৰিবই নোৱাৰা,

তেন্তে মোক ভাল পাইছিলা কিয় ?”

তাইৰ মুখত এইবোৰ কথা শুনি সি তাইক একো কোৱা নাছিল। তাইৰ ওচৰৰ পৰা সি নীৰৱে আঁতৰি গৈছিল।

° ° ° °

: “অ’লী, তোমাৰ মিষ্টাৰ এতিয়া ক’ত আৰু তোমাৰ ল’ৰা-ছোৱালী ...... ?”

তন্ময়ৰ মাততহে ৰ’দালি বাস্তৱলৈ ঘূৰি আহিল। তাই কৈ গ’ল তন্ময়ক, তাইৰ বিয়াৰ কথা। প্ৰকৃত অৰ্থত তাই বিয়া হ’বলৈকে নাপালে। নতুন ঘৰখনত তাই এদিনো থাকিবলৈ নাপালে। তাই যেতিয়া নতুন ঘৰখনৰ ৰভাতল গচকিছিল, তেতিয়াই তাইৰ স্বামী অৰ্থাৎ বিপুলে ভাল পোৱা ছোৱালীজনীয়ে সিহঁতৰ যুগ্ম ফটোগ্ৰাফ আৰু চিঠিবোৰ নিজ হাতেৰে ৰ’দালিক দিছিল। তাই সিদ্ধান্ত লৈছিল সেইখন ঘৰৰ পৰা চিৰদিনৰ বাবে বিদায় লোৱাৰ। তাই বিপুলক কৈছিল, “তোমাৰ লগত মোৰ বিয়াহে হৈছে, কিন্তু তোমাৰ ওপৰত তাইৰ অধিকাৰ আছে, ভালপোৱাৰ দাবী আছে। তুমি তাইক গ্ৰহণ কৰা।” তাই গুচি আহিছিল। তাইৰ এই দুৰ্ঘটনাত মাকে চিৰদিনৰ বাবেই তাইক এৰি গুচি গৈছিল। কিছুদিন মোমায়েকৰ ঘৰত থাকি তাই স্কুলৰ শিক্ষয়িত্ৰীৰ পদত যোগ দিছিল।

: “মই এইবোৰ বিচৰা নাছিলো অ’লী, মই তোমাৰ সুখেই বিচাৰিছিলো। তুমিতো জানাই মোৰ কোনো নাছিল। তোমাৰ বিয়াৰ পিছত ইয়ালৈ গুচি আহিছিলো। মামাই বিয়া পাতিব বিচাৰিছিল। কিন্তু তোমাক কোনোমতেই পাহৰিব নোৱাৰিলো, এতিয়া মামা নাই, আছে এই নৈখন আৰু মদ ........ ।”

: “কিন্তু তুমিতো আগতে এইবোৰ নাখাইছিলা ?”

: “তুমি থাকোঁতে নাখাইছিলো, এতিয়া সদায়েই খাওঁ। মোৰ জীৱনত তুমিও নাথাকিবা, মদো নাথাকিব এনে কোনো কথা নাই।”

ইতিমধ্যে সন্ধ্যা হৈ আহিছিল আৰু তনুৰ নিচাও বেছি হৈ আহিছিল। সি মোৰ কোলাতে শুই পৰিছিল। মই নৈখনলৈ চাই বহি আছিলো। কিবা এটা শব্দত উভতি চাই দেখিলো ড্ৰাইভাৰটো গাড়ীৰ পৰা নামি আহিছে। সি প্ৰায় দাঙি আনি তনুক গাড়ীত তুলিলেহি। ড্ৰাইভাৰটোৰ পৰাই জানিব পাৰিলো তনু সদায় আহে এই নৈখনৰ পাৰলৈ।

: “চাহাবৰ ওচৰলৈ কোনো নাহে নেকি ?”

: “আগতে মোমায়েক এজন আহিছিল, এতিয়া নাহে, ঢুকাল বোলে। মাজে মাজে এজন বন্ধু আহে।”

বন্ধু, কোন হ’ব পাৰেনো ? তাইৰ আকাশৰ কথা মনত পৰিল। আকাশেই হ’ব। তনুৰ বন্ধু হিচাপে আকাশৰ লগতো তাইৰ সহৃদয়তা গঢ় লৈ উঠিছিল। কিন্তু সি তাইৰ বিয়াৰ আগেয়ে দিল্লীলৈ গুচি গৈছিল কিবা এক প্ৰশিক্ষণৰ কামত। তাৰ পাছত তাক আৰু লগ পোৱা নাই।

তাৰ কোৰাটাৰ পোৰাৰ পিছতো ড্ৰাইভাৰটোৱেই তন্নুক ৰুমত থৈ গ'লহি। তাক বিচনাত শুৱাই তাৰ চাৰ্ট আৰু জোতা-মোজা খুলি দিলে। বাথৰুমত মুখ-হাত ধুই তাই আকৌ তাৰ কাষত বহিলহি। তাইৰ খুব ভোক লাগিছিল। খাবলৈও মন নগ'ল। তন্নুৱে সাৰ পালে একেলগে খাব।

° ° ° °

ভাত খোৱাৰ পিছতো তন্ময় বিচনাতে বহি থাকিল। ৰ'দালিয়ে মুখখন ধুই আহি চুলিখিনি ফণিয়াবলৈ ল'লে।

: 'অ'লী'

বিচনাত বহি থকাৰ পৰাই সি ৰ'দালিক মাতিলে। তাই তাৰ ওচৰ চাপি গ'ল।

: "তুমি নিজকে ইমান ফাঁকি দিছা কিয় অ'লী।" তাই শিৰৰ সেন্দুৰখিনিলৈ চাই সি কৈ গ'ল আপোনমনে। "তোমাৰ বিয়াই নহ'ল, তেন্তে কি প্ৰয়োজনত তুমি সেন্দুৰ লৈছা।"

কথাষাৰ কোৱাৰ লগতে সি তাৰ হাতখন শিৰলৈ নিলে সেন্দুৰ মচিবৰ বাবে। তাই হাতখন নমাই আনিলে।

: "তুমি এইবোৰ নকৰিবা তন্নু, মোক এনেকৈয়ে থাকিবলৈ দিয়া।"

: "তুমি পাৰিলেও মই নোৱাৰো অ'লী। তোমাৰ অশান্তি মোৰ অলপো সহ্য নহয়। তোমাক আৰু মই মোৰ ওচৰৰ পৰা যাবলৈ নিদিও।"

: "তুমি বিচাৰিলেও এইবোৰ মই বিচৰা নাই তন্নু। একেলগে থকা নহ'ল যদিও মই আজি বিবাহিত। মোৰ শিৰত আন এজনৰ সেন্দুৰ। তুমি বিয়া কৰোৱা তন্নু। মই কালিলৈ যামগৈ।"

: "তোমাৰ বিয়াৰ কথা মই ভালদৰেই জানো। তেতিয়াৰে পৰা মই তোমাক বিচাৰি ফুৰিছো। তোমাৰ প্ৰেম, তোমাৰ স্মৃতিয়ে মোক কাহানিও শান্তিত থাকিবলৈ নিদিয়ে অ'লী।"

: নাই, নাই তন্নু, জীৱনত বিয়া এবাৰেই হয়। মোৰ বিয়া হৈ গৈছে। মোৰ সেন্দুৰে মোক প্ৰতাৰণা কৰিলেও তোমাৰ ভালপোৱাক কেতিয়াও অসন্মান কৰা নাই।

সি একো নামাতিলে। একেথৰে চাই ৰ'ল তাইৰ মুখলৈ। তাৰ পিছত হঠাৎ কোঠাৰ একাষত থকা আলমাৰীটো খুলি তাৰ পৰা হুইস্কীৰ বটল উলিয়াই ল'লে। ৰ'দালিয়ে ভাবিলে তাক দুখ দি তাই বাৰু কি আনন্দ পাইছে। তাই তাৰ কাষৰ পৰা আঁতৰি গৈ আন এজনৰ লগত বিয়া সোমাইছে। তথাপিও তাইৰ ওপৰত তন্ময়ৰ কোনো অভিযোগ নাই। তাইক আকৌ নিজৰ কৰি বিচাৰিছে। কিমান সত্য, কিমান নিস্বাৰ্থ তাইৰ প্ৰতি তাৰ প্ৰেম। নাই, নাই, তাক ধ্বংস হবলৈ এৰি দিব নোৱাৰি। "তুমি এইবোৰ কি কৰিছা তন্নু।" তাই তাৰ হাতৰ পৰা গিলাচটো আনিবলৈ চেষ্টা কৰিলে। সি গিলাচটো বেৰখনৰ ফালে জোৰেৰে মাৰি দিলে। পকাত লাগি গিলাচটো চূৰ্ণ-বিচূৰ্ণ হৈ পৰিল। এইবাৰ সি বটলটোৰে তাৰ মুখত মদ বাকি ল'লে। তাই বটলটো

কাটি লবলৈ চেষ্টা কৰিলে । "কোন তুমি, কি হোৱা মোৰ ।" তাৰ কথালৈ কাণ নকৰি তাই বটলটো তাৰ হাতৰ পৰা কাঢ়ি লবলৈ চেষ্টা কৰিলে । তাৰ চকু দুটা জ্বলি উঠিল । এটা প্ৰচণ্ড চৰ তাইৰ গালত বহুৱাই দিলে সি । কিন্তু তাই তাক একো নকৈ বিচনালৈ আনিবলৈ যত্ন কৰিলে । অত্যাধিক মানসিক প্ৰেচাৰ, মদ্যপান আদিয়ে তাক দুৰ্ব্বল কৰি পেলাইছিল । তাই তাক বিচনাত শুৱাই গাত কাপোৰ দি দিলে । লাইটৰ চুইচ অফ কৰি তাই তাৰ কাষত বহিল হি । সি শুই পৰিছে । তাইৰো টোপনি ধৰিছে । নিসংকোচে তাই তাৰ কাষতে শুই পৰিল ।

তাইৰ গাত হাত লগাত ৰ'দালি সাৰ পাই উঠিল । তনু বিচনাত উঠি বহিছে । তাই বিচনাৰ পৰা উঠিব ধৰা দেখি তন্ময়ে ক'লে, "পানী অলপ আনিবা অ'লী ।" তাই বিচনাৰ পৰা নামি পানী এগিলাচ আনি দিলে । অলপ সময় বিচনাতে বহি ৰ'ল । তাৰ পিছত তাইলৈ নোচোৱাকৈয়ে সি আপোনমনে কৈ গ'ল, "তোমাক মই বৰ কষ্ট দিছো অ'লী । মোৰ কাৰণেই তোমাৰ এই অৱস্থা । মই তোমাক আৰু ধৰি নাৰাখো অ'লী । তুমি যাবাগৈ ।" অ'লীয়ে একো নামাতি তাৰ হাতখন লৈ তাইৰ শিৰৰ সেন্দুৰখিনি মচি পেলালে । হাতখন বুকুৰ মাজত লৈ তাই তাক ক'লে, "আৰু ক'লৈকো নাযাওঁ তনু ।"

০ ০ ০ ০

ৰাতিপুৱা তনুৱে সোনকালে সাৰ পালে । তাৰ বুকুৰ মাজত মূৰটো থৈ নিশ্চিন্তভাৱে তাই টোপনি গৈছে । কিবা এটা আবেগত সি তাইৰ কপালত চুমা আঁকি দিলে. পিছত সমগ্ৰ মুখমণ্ডলত । তাই চকামকাকৈ সাৰ পাই উঠিল । "এই, কি হ'ল তোমাৰ ।"

: "তুমি কালি খু-উ-ব দুখ পালা নহয় ।" তাইৰ গালত হাত ফুৰাই সি ক'লে. "কি হৈ গৈছিল মোৰ. আজিৰ পৰা এযা চোৱা. তোমাৰ শপত. একো নকওঁ তোমাক ।"

: "ইমান সুন্দৰ দিন এটা, এইবোৰ কথাৰে কিয় আৰম্ভ কৰিছা । পাহৰি যোৱা সেইবোৰ ।"

: "আজি আকাশ আহিব মোৰ ওচৰলৈ ।"

: "তুমি মোক কালিৰ পৰা কিয় কোৱা নাই এই কথা ।"

: "তুমি ক'বলৈ সুবিধা দিছা মোক ?"

: "মই এটা কথা ভাবিছো ।" অ'লী নীৰৱে থকা দেখি সি ক'লে, আজিটো আকাশ আহিবই । আমি ইয়াৰ পৰা অলপ দূৰত থকা শিৱ মন্দিৰলৈ যাম । তোমাকতো কন্যা ৰূপত মই দেখাই নাই, খুউব ধুনীয়া লাগিব তোমাক ।"

: "ইমান লৰালৰি নকৰিলেও হ'ব । মইতো আছোৱেই তোমাৰ ওচৰত ।"

: "তুমি কেনেকৈ বুজিবা অ'লী, এইটো দিনৰ কাৰণে মই কিমান দিনৰ পৰা বৈ আছো ।"

০ ০ ০ ০

গাড়ীৰ পৰা নামি তন্ময়ৰ লগত ৰ'দালিক দেখি আচৰিত হৈ গৈছিল আকাশ ।

নিজকে স্বাভাৱিক কৰি লবলৈ তোৰ বহু সময় লাগিছিল। সি ৰ'দালিৰ বিষয়ে কোনো কথাই তন্ময়ক সুধিব পৰা নাছিল ৰ'দালি ৰান্ধনি ল'ৰাটোৰ লগত পাকঘৰত ব্যস্ত থাকোতে তন্ময়ক সুধিছিল, "তন্ময়, অ'লীক তই ক'ত লগ পালি?" তন্ময়ে আকাশক সকলোখিনি ক'লে। "মই কি ভাবিছো জান আকাশ। তোৰ উপস্থিতিতে মই আজি তাইক নিজৰ কৰি ল'ব বিচাৰোঁ। তোৰ কিবা আপত্তি আছে।"

"মই খু-উ-ব সুখী হ'ম তন্ময়।" তোৰ হাত এখনত ধৰি সি কৈ উঠিল।

ভাত-পানী খাই আবেলি সিহঁত ওলাই গৈছিল শিৱ মন্দিৰলৈ। গাড়ী আকাশেই চলাইছিল। মন্দিৰত অ'লীৰ শিৰত সেন্দুৰ দিওঁতে অলীৰ দুচকুৰেদি পানী বৈ আহিছিল। আকাশে তাইৰ মুখলৈ একেথৰে চাই আছিল। মন্দিৰৰ পৰা ওলাই সিহঁত বজাৰ কৰিবলৈ গৈছিল। আকাশে অলীক ধুনীয়া ৰূপৰ সেন্দুৰৰ টেমা এটা উপহাৰ দিলে। বজাৰ কৰি ৰেষ্টুৰেণ্টত চাহ খাই সিহঁত যেতিয়া গাড়ীত বহিছিলহি, তেতিয়া প্ৰায় সন্ধ্যা লাগিছিল। আকাশে গাড়ী চলাবলৈ লওঁতে তন্ময়ে আপত্তি কৰিছিল। অচিনাকী ঠাইত এতিয়া গাড়ী চলাবলৈ সি অসুবিধা পাব পাৰে। অ'লীয়ে আকাশক তাৰ নিজৰ কথা সুধিলে। আকাশ এতিয়াও দিল্লীতে আছে। বিয়া পতা নাই। নগৰৰ পৰা অলপ দূৰ আহি টাৰ্ণিংটো ঘূৰাবলৈ লওঁতেই তন্ময়ে দেখিলে বিপৰীত ফালৰ পৰা প্ৰচণ্ড জোৰেৰে ট্ৰাক এখন আহি আছে। সি গড়ীখন চাইড কৰিলে। "তনু" আকাশে চিঞৰি দিলে। সিহঁতৰ গাড়ীখনৰ প্ৰায় সন্মুখতেই এটা প্ৰকাণ্ড গাত। আনন্দৰ আতিশয্যাত একান্তভাৱে গাড়ী চলাই থকা তন্ময়ে গাতটো লক্ষ্যই কৰা নাছিল। আকাশৰ চিঞৰত অন্যমনস্ক হৈ পিছলৈ চাওঁতেই সিহঁতৰ গাড়ীখন গাতত সোমালগৈ।

ο ο ο ο

চকু মেলি চাই ৰ'দালিয়ে প্ৰথমতে ক'ত আছে ধৰিবই নোৱাৰিলে। মৃত্যুৰ শিতান বহি থকা আকাশক দেখি তাইৰ সকলো মনত পৰিল। "তনু" দুয়োখন হাতেৰে মুখখন ঢাকি উচুপি উঠিল তাই। আকাশে তাইৰ মূৰত হাত বুলাই দিয়ে।

"আকাশ" পৰ্দাখন দাঙি ড° হাজৰিকা আহিল। ৰ'দালিয়ে এই প্ৰথম ডাক্তৰক দেখিলে। ডাক্তৰে ৰ'দালিলৈ নোচোৱাকৈয়ে আকাশক কোঠাৰ এচুকলৈ লৈ গ'ল। তাইক আঁৰ কৰি ডাক্তৰে আকাশক কিবা ক'লে। আকাশৰ মুখখন বিবৰ্ণ হৈ উঠিল। এক অপৰাধীৰ চাৱনিৰে ডাক্তৰে অ'লীৰ মুখলৈ চালে আৰু তাইৰ মূৰত হাত ফুৰাই একে ঠাইতে ষ্টেচুৰ দৰে বৈ থকা আকাশক ক'লে, "আকাশ ৰ'দালিক তন্ময়ৰ ওচৰলৈ লৈ ব'লা।"

"ডক্তৰ, তনু ভাল হৱনে?"

নিঃশব্দে ৰ'দালিৰ মুখলৈ চাই তেখেতে আকাশক ক'লে— 'ব'লা।'

ο ο ο ο

'তনু', কোঠাত সোমায়েই তাই মুখখন চাকি সশব্দে কান্দি দিলে। আকাশৰো চকু চলচলীয়া হ'ল। তনুৰ মুখ আৰু বুকুত বেণ্ডেজ। গাড়ীৰ আয়না ভাঙি তাৰ বুকুত সোমাই গৈছিল। তনুৰ হাতখন দুহাতৰ মাজত লৈ ৰ'দালিয়ে উচুপি থাকিল। তন্ময়ৰ দুগালেদি পানী বৈ গৈ গাৰুত পৰিছেগৈ।

ঃ "আকাশ", দুৰ্বল কণ্ঠেৰে তন্ময়ে মাতিলে। "তই কথা দে মোৰ কিবা হলে মোৰ অ'লীক তই চাবি।"

ঃ "তই এইবোৰ কি কৈছ তনু, তই ভাল হবি।"

ঃ "অ'লী ভাল ছোৱালী, তাইক অলপো কষ্ট নিদিবি। তাইৰ অশান্তি দেখিলে সিপুৰীতো মই শান্তি নাপাম।"

ঃ "তুমি কথা নকবা তনু।" অ'লীয়ে তাৰ মুখত হাত দি কৈ উঠিল। তন্ময়ে ৰ'দালিৰ হাতখন লৈ আকাশৰ ফালে চালে। সি যেন কিবা কব বিচাৰিছে, কব পৰা নাই। আকাশ তাৰ ওচৰ চাপি গ'ল। তন্ময়ে আকাশৰ হাত এখন লৈ অ'লীৰ হাতখন তাৰ হাতত দিলে। লাহে লাহে তাৰ মূৰটো গাৰুৰ পৰা বাগৰি পৰিল। একো বুজিব নোৱাৰি আকাশে ডাক্তৰৰ ফালে চালে। ডাক্তৰে বগা কাপোৰেৰে তন্ময়ৰ গাটো ঢাকি দিলে। তন্ময়ৰ বুকুৰ মাজত মূৰ থৈ কান্দি থকা ৰ'দালিক সি আঁতৰাই আনিলে। 'তনু' চিঞৰ মাৰি তাই আকাশৰ কান্ধৰ ওপৰতে অজ্ঞান হৈ পৰিল।

o o o o

ৰ'দালিৰ কাষত বহি আকাশে বাহিৰৰ ফালে চালে। তাই শুয়েই আছে। তাই সাৰ পাইছিল যদিও তাই টোপনিত থকা ভাল বুলি ডাক্তৰে তাইক আৰু এটা বেজি দি গ'ল। ডাক্তৰজনেই সিহঁতক হোটেলৰ এই ৰুমটো লোৱাত সহায় কৰি দিছিল। অকল সেয়েই নহয়, তন্ময়ৰ শেষকৃত্য সম্পন্ন কৰাৰ পৰা আৰম্ভ কৰি অ'লীক ইয়ালৈ অনালৈকে সকলো কাম তেৱেঁই কৰি দিছিল। বৃদ্ধ ডাক্তৰজনক দেউতাক বুলি ভাবিবলৈ মন গ'ল আকাশৰ। তাৰোতো দেউতাকৰ বাহিৰে কোনো নাছিল। প্ৰায় তিনি বছৰেই হ'ল দেউতাক ঢুকুওৱা। দেউতাকৰ পিছত তাৰ একমাত্ৰ শুভাকাঙ্খী আছিল তন্ময়। সিও গুছি গ'ল তাক এৰি থৈ। নিমিষতে তাৰ দুচকু চলচলীয়া হৈ পৰিল।

ঃ "আকাশ।" অ'লীৰ মাতত সচকিত হৈ উঠিল সি। কিবোৰ যে ভাবি আছিল সি। "মোক তনুৰ ওচৰলৈ লৈ ব'লা আকাশ।" উচুপি উচুপি অস্পষ্টভাৱে তাই তাক ক'লে, "মই তনুৰ ওচৰলৈ যাম।" অসংলগ্ন কথা কিছুমান তাই কৈয়ে থাকিল। আকাশে এটা দীঘল হুমুনিয়াহ এৰিলে। উচুপি উচুপি তাই এসময়ত শান্ত হৈ পৰিল।

o o o o

ঃ "তুমি জনা-বুজা ছোৱালী, এইদৰে নাখাই-নবৈ থাকিলে জানো তুমি তনুক ঘূৰাই পাবা।"

ঃ "কিন্তু, আংকল, আমাৰ বিয়া হোৱা এদিনো নহ'ল। মই তনুক কেনেকৈ পাহৰিম।"

ঃ "সময়ে তোমাক সকলো পাহৰাই দিব। তুমি ধৈৰ্য্য ধৰা।"

০ ০ ০

এইদৰেই দিনবোৰ পাৰ হৈ গৈছিল। নিজক লৈ থকা প্ৰতিটো মুহূৰ্ত্তই পাৰ হৈ গৈছিল ৰ'দালিৰ হা-হুমুনিয়াহ, উচুপনিৰে। তাইক মই প্ৰায়েই ফুৰাই ফুৰিছিলো। দিনটো একমুহূৰ্ত্তও এৰি দিয়া নাছিলো। আবেলি ডাক্তৰ খুড়াৰ ওচৰলৈ লৈ গৈছিলো। খুড়াৰ বুজনিত, সান্তনাবাণীত তাই মনে মনে আছিল যদিও অলপো আশ্বস্ত হ'ব পৰা নাছিল। তাইক ইমান ভাগি পৰা কেতিয়াও দেখা নাছিলো আনকি বিয়াৰ সময়তো। বিপুলৰ লগত বিয়া হোৱাৰ কথা ইমান স্বাভাৱিকভাৱে তাই মোৰ আগত কৈছিল, মই অবাক হৈ পৰিছিলো। মইতো খুবেই স্পষ্ট আছিলো তন্ময় ৰ'দালিৰ ভালপোৱাত।

ঃ "কিন্তু অ'লী, তন্ময়ক তুমিতো ভাল পাইছিলা, তেনেস্থলত আনৰ লগত তোমাৰ বিয়া.......... ।"

ঃ "তুমি ভাবানেকি আকাশ, তন্ময়ক মই ভাল নাপাওঁ বুলি........ । মই বিয়া হলো বুলিয়েই মোৰ ভালপোৱাৰ অপমৃত্যু ঘটিব নেকি ?"

ঃ "তন্ময়ে জানো পাৰিব তোমাৰ এই সিদ্ধান্ত সহজভাৱে ল'ব।"

ঃ "পাৰিব লাগিব আকাশ, মোৰ বিয়া হ'ব যদিও আমি দুয়ো দুয়োৰে অন্তৰত সং-গোপনে শুই থাকিম। ভালপোৱাৰ পৰিণতি মই ইয়াতকৈ আৰু একো নিবিচাৰো আকাশ।

তন্ময়ক এই বিষয়ে সোধাত সি গহীন হৈ গৈছিল। "চা আকাশ, মই আজি তাইক মোৰ ভালপোৱাৰ দাবীৰে নিজৰ কৰি ল'ব পাৰো। কিন্তু তাৰ ফলত কি হ'ব জান। তাই হয়তো চিৰদিন অশান্তিত ৰব। আৰু তাইৰ সেইখিনি অশান্তি মই কেতিয়াও সহ্য কৰিব নোৱাৰিম। লাগিলে তাই মোৰ ওচৰৰ পৰা আঁতৰি যাওঁক।"

বাৰান্দাৰ চিৰিত বহি এই অসংলগ্ন কথাবোৰকে ভাবি আছিলো। ৰ'দালিয়ে হয়তো এইটো সময়ত খিৰীকিৰ ৰেলিঙত ধৰি বাহিৰলৈ চাই আছে। আজি ৰাতিপুৱা ডাক্তৰ খুড়াৰ ওচৰলৈ যাওঁতে খুড়াই মোক মনে মনে মাতি নি কৈছিল, "আকাশ, তোমালোক সদায়ে এনেকৈয়ে থাকিবা নেকি ? তন্ময়ে তোমাক অ'লীৰ দায়িত্ব দি থৈ গৈছে। তাৰোপৰি তোমাৰ দিল্লীলৈ ঘূৰি যাবৰো সময় হৈছেহি...... ... ।"

ঃ "কিন্তু খুড়া, অ'লীয়ে এই অৱস্থাত এইবোৰ কথা...... ..... ।"

ঃ "সময়েই তাইক সকলো পাহৰাব। তোমাৰ সান্নিধ্যই হয়তো তাইক তন্ময়ক পাহৰাত সহায় কৰিব।"

খুড়াৰ ওচৰৰ পৰা গুছি অহাৰ পিছতো মই এইবোৰ কথাকে ভাবি আছিলো।

ভাবিছিলো, অ'লীৰ আগত এইবোৰ কথা কেনেকৈ কওঁ, তাইয়ে বাৰু কি বুলি ভাবিব মোক। তাই কিজানি এয়া মোৰ বন্ধুৰ প্ৰতি থকা অকৃত্ৰিম সহৃদয়তা বুলি নাভাবি মোক স্বাৰ্থপৰ বুলি ভাবি লয়।

০ ০ ০

ঃ "অ'লী, আজি ডাক্তৰ খুড়াই মোক এটা কথা সুধিছিল।"

তাইৰ ওচৰতে বহি মই তাইৰ মুখলৈ চাইছিলো। "খুড়াই সুধিছিল, আমি আমাৰ ভৱিষ্যত জীৱনৰ বিষয়ে কি সিদ্ধান্ত লৈছো।"

ঃ "মই এনেকৈয়ে থাকিব বিচাৰো আকাশ, এতিয়া নতুনকৈ জীৱন এটা আৰম্ভ কৰাৰ ইচ্ছা বা সাহস, মোৰ কোনোটোৱে নাই।"

ঃ "কিন্তু অ'লী, তন্ময়ৰ শেষ কথা মই ৰাখিবই লাগিব।"

ঃ নাই, নাই আকাশ, মই মোৰ ভাল-পোৱাৰে কাকো ধৰি ৰাখিব নোৱাৰিলো। এদিন মই তন্ময়ক নিজৰকৈ বিচাৰিছিলো, কিন্তু তাৰ পৰিবৰ্তে পালো বিপুলক। বিপুলৰ বিষয়ে একো নুবুজাকৈয়ে তাকো হেৰুৱালো। তাৰ পিছত একেবাৰে নিজৰ কৰি পাইছিলো তন্ময়ক। কিন্তু মোক অকলশৰীয়া কৰি তন্ময় একেবাৰেই আঁতৰি গ'লগৈ। তাৰ পিছতো মই আৰু তোমাক নিজৰ কৰি পোৱাৰ কথা ভাবিব নোৱাৰো।

ঃ "তোমাৰ এইবোৰ অমূলক ধাৰণা অ'লী।"

ঃ "তুমি মোক আৰু একো নকবা আকাশ।" কান্দোনত ভাগি পৰিল অ'লী।

ঃ "তুমি এনেকৈ কান্দি নাথাকিবা, অ'লী। নহলে তন্ময়ৰ আত্মাই সিপুৰীতো শান্তি নাপাব।"

ঃ "তোমাৰ অধিকাৰৰ দাবীৰে মোক তোমাৰ নকৰিবা আকাশ।"

ৰাতি বিচনাত পৰাৰ পিছতো মোৰ টোপনি নাহিল। কাষৰ বিচনাখনত অ'লী টোপনিত। অ'লীক মই এদিন ভাল পাইছিলো। কলেজত পঢ়ি থকা অৱস্থাত তাইক লৈ বহুত কিবা-কিবি ভাবিছিলো। কিন্তু মোৰ এই কথা অপ্ৰকাশিত হৈয়ে থাকিল। তন্ময়ে এদিন তাইৰ ফটো একপি মোক দেখুৱাই কৈছিল— এইজনী ছোৱালীক সি ভাল পায়। সি স্তব্ধ হৈ পৰিছিল। কিবা এক অজান দুখত ৰাতি তাৰ দুচকু পানীৰে ভৰি পৰিছিল। সি নিজকে সান্ত্বনা দিছিল তন্ময়ৰ কাষত থাকিলেও সি সদায়েই পাই থাকিব অ'লীক। তাৰোপৰি তন্ময়ৰ ওচৰত তাইৰ কোনো অশান্তি নহয়। তাৰ পিছত যেতিয়া এদিন অ'লীয়ে নিজ মুখে কৈছিলহি তাইৰ বিয়াৰ কথা, তেতিয়া সি নিজকে চম্ভালিব পৰা নাছিল। তাইৰ বিয়াৰ আগ-তেই গুছি গৈছিল সি দিল্লীলৈ প্ৰশিক্ষণৰ অজুহাতত। পিছত তাতেই থাকি গৈছিল সি। জীৱনত বহুত ছোৱালীয়েই লগ পাইছিল সি, কিন্তু কাকো ভাল পাব পৰা নাছিল। শেষত দেউতাকো যেতিয়া তাৰ ওচৰৰ পৰা আঁতৰি গৈছিল, সি বাদ দিছিল, বিয়াৰ কথা ভাবিবলৈ। এইবাৰ তন্ময়েই তাক মাতি পঠিয়াইছিল তাৰ ওচৰলৈ। সি

এনে এটা পৰিস্থিতিৰ সন্মুখীন হ'ব বুলি ভবা নাছিল। সি সিদ্ধান্ত কৰিলে যে অ'লীক সি নিজৰ কৰি লবই। তাইৰ অশান্তি তাৰো সহ্য নহয় লাগিলে তাই তাক স্বাৰ্থপৰ বুলিয়েই ভাবক।

° ° ° °

পিছদিনা খুড়াৰ ব্যৱস্থা মতেই খুড়াৰ ঘৰতে আমাৰ সামাজিক সমন্ধ স্বীকৃত হৈছিল। অ'লীয়ে কিন্তু আজি অলপো কন্দা নাছিল। খুড়াক সেৱা কৰোতে খুড়াৰ দুচকুৰেদি চকুপানী বৈ আহিছিল। আমি খুড়াৰ লগত বহুত সময় থাকিলো। ৰাতিৰ খোৱাৰ ব্যৱস্থাও খুড়াই কৰিলে। আমি যেতিয়া আমাৰ ৰুমলৈ আহিছিলো, তেতিয়া নিশা প্ৰায় ন বাজিছে।

ৰাতি শোৱাৰ সময়ত অ'লীয়ে আকৌ কান্দিলে। মই তাইক প্ৰায় জোৰকৈয়ে বিচনাত শুৱাই দিলো। মোৰ বুকুৰ মাজত মুখখন থৈ উচুপি উচুপি তাই ক'লে, "এয়া তুমি খুউব ভুল কৰিলা আকাশ।" মই একো নামাতিলো। তাইলৈ মোৰ বেয়া লাগিল। কিমান দুখ সহ্য কৰিব বাৰু তাই। কালি খুড়াই মোক মাতি নি কৈছিল 'আকাশ, অ'লী কেতিয়াও মাতৃ হ'ব নোৱাৰে।' মই খুড়াক অনুৰোধ কৰিলো এই কথা অ'লীক নজনাবলৈ। কেনেকৈ বাৰু সহ্য কৰিব তাই এই কথা। °°°

□ শিক্ষাই জীৱন, জীৱনেই শিক্ষা।

□ ব্যাপক অৰ্থত সকলো অভিজ্ঞতায়ে শিক্ষা।

লক্স

□ শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিৰ দেহ আৰু আত্মাৰ সৌন্দৰ্য্য আৰু পূৰ্ণতা দান কৰা।

– প্লেটো

□ শিক্ষাই প্ৰতিজন মানৱৰ মনত নিহিত হৈ থকা সাৰ্ব্বজনীন যুক্তি সিদ্ধ ভাৱধাৰাসমুহ বাহিৰত প্ৰকাশ কৰে।

—চক্ৰেটিচ

॥ প্ৰবন্ধ ॥

# শান্তি আৰু সুখৰ সন্ধান

– অঞ্জলী দেৱী
স্নাতক ২য় বাৰ্ষিক ( কলা )

মানৱ জাতিটোৱে জন্ম লাভ কৰি এই সৃষ্টিশীল পৃথিৱীখনৰ পৰা কি পাবলৈ ইচ্ছা কৰে বুলি প্ৰশ্ন কৰিলে সকলোৱে পৰা এটাই উত্তৰ আহিব— সেইটো হৈছে, শান্তি আৰু সুখ। এই সৃষ্টিশীল পৃথিৱীখনত এনে এজন ব্যক্তি নাই, যিজনেই এই শান্তি আৰু সুখ নিবিচাৰে। সমাজত বাস কৰা ধনী, দুখীয়া সকলো মানুহে এই শান্তি আৰু সুখক লাভ কৰিবলৈ ইচ্ছা কৰে। সেয়েহে প্ৰত্যেকেই নিজকে নিজে ব্যস্ত ৰাখে এই শান্তি আৰু সুখ বিচাৰি পাবলৈকে।

যেতিয়া মানুহ জটিলতাৰ মাজত সোমাই পৰে, তেতিয়াই মানুহৰ মনৰ পৰা শান্তি নাইকীয়া হৈ পৰে। এই অশান্তিৰ পৰা মুক্তি পাবলৈ মানুহে বিচাৰি ফুৰে, কিদৰে অশান্তিক দূৰ কৰি শান্তিক স্থাপন কৰিব পাৰি। এই সুখ-শান্তি পাবলৈকে মানুহে নানা ঘাত-প্ৰতিঘাতৰ মাজত সোমাই পৰে আৰু তাৰ পৰাই দয়া, ক্ষমা, প্ৰেম, ভক্তি, মৰম-চেনেহ ইত্যাদি মানবীয় গুণেৰে এই সুখ-শান্তিক লাভ কৰিবলৈ সক্ষম হয়।

সুখ-শান্তিৰ সন্ধানতেই মানুহে নানা ধৰণৰ কাম কৰে। কিছুৱে শুদ্ধ কাম আৰু কিছুৱে অশুদ্ধ কাম। সমাজত কাম কৰা মানুহবোৰে সুখ-শান্তিৰ সন্ধানতেই আমি দেখিবলৈ পোৱা বেয়া কামবোৰ কৰে। যিদৰে দৰিদ্ৰৰ মৰম থাকে ধন নাথাকে, ঠিক সেইদৰে ধনীৰ ধন থাকে, মৰম নাথাকে। এই দিশতো সুখ আৰু শান্তিয়েই প্ৰধান। এই দুয়োটাৰ সংমিশ্ৰনেই মানুহৰ জীৱন। ধনীয়ে ধনৰ বলত সুখ আনিব পাৰে কিন্তু শান্তি লাভ কৰিব নোৱাৰে, সেইদৰে দুখীয়াৰ অন্তৰত শান্তি পূৰ্ণ হৈ থাকিলেও সুখ লাভ কৰিব নোৱাৰে। সেয়েহে মানৱ জাতিটোৱে পৃথিৱীৰ পৰা সুখ আৰু শান্তিৰ সন্ধানতেই শুদ্ধ অশুদ্ধ কাম কৰে আৰু তাৰ পৰাই সুখ-শান্তিক লাভ কৰিবলৈ যত্ন কৰে।

মানুহ পাপী হ'ব পাৰে, অত্যা-

চাৰীও হ'ব পাৰে কিন্তু তেওঁলোকে বিচাৰি ফুৰে সুখ-শান্তিৰ পথ। এই সুখ, শান্তিক বিচাৰি নাপাই তেওঁলোক অত্যাচাৰী আৰু পাপী হৈ পৰে। জীৱনৰ মূল্য বিচাৰি নাপাই তেওঁলোক নিষ্ঠুৰ হৈ পৰে।

মানুহৰ মন নানা কলুষ-কালিমাৰে ভৰপূৰ হৈ থাকে। এইবোৰৰ মাজতেই এই সুখ শান্তিয়ে বাস কৰি থাকে। সেয়ে ক'ব পাৰি সকলোৱে এই সৃষ্টিশীল পৃথিৱীখনত জন্ম গ্ৰহণ কৰিছে কিবা এটা পোৱাৰ আশাক বুকুত বান্ধি। এই আশায়েই হৈছে জীৱনৰ শান্তি আৰু সুখৰ সন্ধান। ০০০

## ॥ হত্যাকাৰী ॥

—ৰীতামণি বৈৰাগী
স্নাতক ২য় বাৰ্ষিক

মইটো নাজানিলো
মৃত্যুৰ শীতল পৰশ কেনেকুৱা,
হে হত্যাকাৰী, তুমিওটো
অনুভৱ নকৰা মৃত্যুৰ যান্ত্ৰণা।
দুখানুভূতি তোমাৰ নাই
তোমাৰ হাতত আছে
কেৱল মৰণাস্ত্ৰ।
কিন্তু মই তুলিলো
হাতত কলম,
আহাঁ তুমি যুঁজ দিয়াহি
মোৰ লগত।
মোক তুমি হত্যা কৰিবা
কিন্তু মই মোৰ সত্ত্বাক থৈ যাম
বুৰঞ্জীৰ পাতত,
তুমি পচি ৰ'বা দুৰ্গন্ধৰ মাজত
লোহাৰ শিকলি হ'ব তোমাৰ পৰিধান॥ ০০

## ॥ বিষাদ ॥

—মৌচুমী দত্ত
স্নাতক ১ম বাৰ্ষিক

নিবিড়তা মাথো নিবিড়তা
চাৰিওফালে কেৱল নিস্তব্ধতা
আৰু মই...... ?

তাৰ মাজতে আছো
অকলশৰে কাৰোবাৰ আগমনলৈ
বাট চাই॥

কোন বাৰু সেইজন
যাৰ বাবে অশেষ কষ্ট সহ্য কৰি,
জীয়াই আছো ?

বন্ধ কোঠাৰ মাজত
অকলে অকলে মই,
মাথো কাৰোবালৈ
বাট চাই আছো............ ॥ ০০

॥ গল্প ॥

# অনুভৱ

—জ্যোতি সন্দিকৈ
স্নাতক ১ম বাৰ্ষিক

নিৰ্বাচনলৈ দিনবোৰ যিমানেই আগ বাঢ়িছে নগৰখনত তেনেদৰে বাঢ়িব লাগিছে জনসাধাৰণ অসম্ভৱ ব্যস্ততা। অবিৰাম গতিত বাঢ়িব ধৰিছে গাড়ী মটৰৰ অহা-যোৱা। শব্দ প্ৰদূষণৰ সৃষ্টি হৈছে ৰাজনৈতিক দলবোৰৰ প্ৰলোভিত বিকট শ্লগানত। অবাধ টকাৰ খেলাৰে মহত্ব প্ৰদানৰ প্ৰতিযোগিতা চলিব লাগিব, সন্দেহৰ চকুৰে চোৱা মহান ৰাজনৈতিক নেতাবোৰৰ মাজত।

"অই সৌফালে চা" অস্বাভাৱিক ভাৱে হেঙুলীয়া ওঁঠৰ ফাকেদি ওলাই অহা তাইৰ কথাষাৰত কেতিয়া মূৰটো তুলি দিলো, মই নিজেই নাজানো। পাছত এটা খিল-খিলীয়া হাঁহি। হঠাৎ চকুৰ আগত এটা উলঙ্গ মানুহৰ প্ৰতিমূৰ্তি। বিবেক ম্লান প্ৰাপ্ত বৈশিষ্ট সুলভ মানুহটোলৈ চাই কিয় জানো ব্যস্ত মানুহবোৰে সময় খৰছ কৰি বিদ্ৰূপ কৰিছে বা হাঁহিছে, বুজি পোৱাত সফল হ'ব নোৱাৰিলো মই।....

"চাকৰিলৈ বুলি ওলাই অহা প্ৰথম দিনটোত তাইনো এই অমঙ্গলখন দেখিব লাগেনে ? কিমান লাগি ভাগি চাকৰিটো পাইছে; তাকো এইখন হৈছে" —মই একো কবলৈ নাপাওঁতেই তাই পুনৰ আৰম্ভ কৰি দিলে দীঘলীয়া লেকচাৰ। মাজে মাজে প্ৰতিফলিত হোৱা নিচলাৰ হীনমন্য ভাৱটোৱে মোক অস্থিৰ কৰি পেলালে। মোৰ কৈ দিবৰ মন গৈছিল।

বুজিছ অনুপমা, মানুহৰ ইতিকিংৰ পাত্ৰ সেই মানুহটোহে মাথো উলঙ্গ নহয়, যিবোৰে ইতিকিং কৰিছে সেইবোৰো একেই। তই মই হাতেবোৱা কাপোৰ এৰি বিদেশী ৰঙীণ কাপোৰ পিন্ধি আধুনিকা সাজটো কৰো, তথাপি আমিও উলঙ্গ। তই মই আমি সমূহ অসমীয়াই একোটা উলঙ্গ প্ৰতিমূৰ্তিহে। নিজৰ বস্ত্ৰ নিজেই কিনুবাৰ ৰাগীত ফালিছিৰি সভ্যতাৰ চাকনৈয়াত উটুৱাই দিছো............। কিন্তু একো নক'লো। তেতিয়াও তাইৰ মুখত কৰিং ফুটাদি ফুটি আছিল একেবোৰেই কথা। ০০০

# কবিতা আৰু প্ৰকৃতি

— কৱৰী শেনচোৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক

কবিতাসমূহত প্ৰকৃতিৰ ৰূপ অতি স্পষ্ট ভাৱে পৰিলক্ষিত হোৱা দেখা যায়। জন ড্ৰাইডেনৰ মতে— Poetry is the image of nature.

বৈদিক যুগৰে পৰা প্ৰকৃতিৰ ৰূপ কি বিচিত্ৰ !
প্ৰকৃতিৰ অবিহনে মানুহৰ ভাব অনুভূতিৰ বিকাশ কেনেকৈ হ'ব ? আৰু তেতিয়া জানো কবিতাই প্ৰকৃত ৰূপ পাব ? প্ৰকৃতি মৌন হলেও প্ৰকৃতিয়েই মানুহক নিজৰ কোলাত ধাৰণ কৰে, পালন কৰে। প্ৰকৃতিৰ কোলাতেই মুৰ থৈ মানৱৰ দৃষ্টিৰ প্ৰথম উন্মেষ ঘটে। প্ৰকৃতিয়েই নিজস্ব সৌন্দৰ্য্যৰে মানুহক অনুভৱ কৰিবলৈ শিকায় আৰু তাৰ ফলতেই কবিতাৰ সৃষ্টি হয়।

প্ৰকৃতিৰ ৰূপ আৰু শোভাই জাপানী আৰু চীনাসকলৰ মন কিদৰে আচ্ছন্ন কৰিছিল তাৰ উদাহৰণ দিয়ে এনে কবিতাই—

When I went out
In one spring meadows
To gather violets
I enjoyed myself
So much that,
I stayed all night.

উপমা আৰু ৰূপকৰ কাৰণেও আছে প্ৰকৃতিতেই অফুৰন্ত সমল :

The memories of long love
Gather like drifting snow
Poignant as the mandarin ducks
Who float side by side in sleep—
( Crenji )

লুইত পাৰৰ গীতত কবি অমলেন্দু গুহই অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণাইছে এনেদৰে—

মই ভাল পাওঁ তাৰ বনৰাজি নীল পৰিবেশ
জাকি মাৰি জাৰকালি উৰি যায় বনৰীয়া হাঁহ,
কমলাৰ কুঞ্জে, কুঞ্জে মউ মাখি উৰি ফুৰে,
বৰফৰ টুপী পিন্ধা দূৰণিৰ ভূটান পাহাৰ।

কবি কেশৱ মহন্তৰ "আঘোণৰ কুঁৱলীত" ছয়াময়াকৈ হেমন্তৰ হালধীয়া পথাৰখন, হাঁহি থকা আকাশখন মূহুৰ্ত্তৰ বাবে মূৰ্ত্ত হৈছিল যদিও কুঁৱলীয়ে ই আকৌ নমনা কৰিলে :

আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি
একোকে নমনি
কুঁৱলী নথকাহলে দেখিলোহেঁতেন বা
পকা সোণ বৰণীয়া ধানৰ আঁচল

বাস্তৱৰ দগ্ধ জ্বালা পাহৰি, শান্তিময় নিৰুপদ্ৰৱ জীৱনৰ আকাঙ্ক্ষাৰে প্ৰকৃতিৰ লগত একাত্ম হোৱাৰ বাসনা নতুন কবিতাত সামন্যভাৱে পোৱা যায়। কবি ইয়েটচ্‌ৰ Take life easy, as the grass grows on the valleys. এইষাৰ কথা মনলৈ আহে।

প্ৰকৃতিৰ শ্যামলিমাৰ অকৃত্ৰিম স্নৰভিয়ে হৃদয়ৰ ৰক্তাক্ত ক্লান্তিক গভীৰ শান্তি দিব পাৰে। প্ৰকৃতিক সুগভীৰভাৱে চিন্তা কৰিব পাৰিলেই আমি কবিতা লিখাৰ উৎস বিচাৰি পাম লগতে প্ৰকৃতিৰ লগত একাত্ম হ'ব পাৰিম। ••••

॥ কবিতা ॥

# পূৰ্ণ নাৰী

—অঞ্জনা চন্দ
স্নাতক ২য় বাৰ্ষিক

ফুলে ক'লে, 'মই স্বৰ্গ হব পাৰো' ;
মেঘে ক'লে, 'মই শাওন হব পাৰো' ;
বিহঙ্গই ক'লে, 'মই বসন্ত হব পাৰো',
মই ক'লো, 'মই কেৱল ত্বহাত ভৰা থাকু'।

• • •

ৰঙে ক'লে, 'মই সাত ৰঙৰ ৰামধেনু' ;
নদীয়ে ক'লে, 'মই সাগৰ গঢ়া তনু ;
ৰূপে ক'লে, 'মইয়েই স্বৰ্গৰ অপেস্বৰী' ;
মই ক'লো, 'মই কেৱল নীলবৰণীয়া নাৰী।'

কলমে ক'লে, 'মই মহাকাব্যৰ জখলা' ;
কবিয়ে ক'লে, 'মই সৃষ্টিৰ কাৰিকৰ' ;
পাহাৰে ক'লে, 'মইয়েই অহংকাৰ' ;
মই ক'লো, 'মোৰ, তুমি মোৰ'।

• • •

জোনে ক'লে, 'ৰূপালী বনৰ ঝৰ্ণা' ;
তৰাই ক'লে, ,মইয়েই বহুতো ধন্য' ;
সুৰে ক'লে, 'মই অনন্যা'
মই ক'লো, 'মই ৰঙা সেন্দুৰৰ কইনা'। ••

# আহাঁ মেঘালী, তোমাৰ সতে কথা পাতো

—ৰূপৰেখা বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক

বহল আকাশখনলৈ চাই,
মাজে মাজে
দুখবোৰ মোৰ হৃদয়ৰ পৰা
হেৰাই যায়।

শুকুলা মেঘৰ আঁৰে আঁৰে,
মোৰ ফুলকুমলীয়া
দুখবোৰে
লুকা-ভাকু খেলে।

আঁহা, মেঘালী
তোমাৰ সতে সখী পাতো
আলাপ কৰো ক্ষন্তেক সময়
বহুদিন কাৰো সতে,
আলাপ কৰাৰ
সৌভাগ্য মোৰ হোৱা নাই।

ৰুদ্ধ কুঠৰীৰ ফাঁকেদি
জোনাকৰ মিঠা পোহৰো
মই দেখা নাই বহুদিন

বুকুৰ ভিতৰৰ দুখবোৰ
কেতিয়াবা কেতিয়াবা
ভগাই লোৱাৰ ইচ্ছা হয়।
কবিতাৰ সহায়েৰে,
টুকুৰা-টুকুৰ শব্দৰে
সুৰীয়া গীত এটি
ৰচিবৰ ইচ্ছা হয়।
আঁহা মেঘালী
তোমাৰ সতে সখী পাতো
আলাপ কৰো ক্ষন্তেক সময়।
কটিয়াই নিৰা তুমি
অন্তৰে অন্তৰে......
মোৰ হৃদয়ৰ
বিষাদৰ বতৰা
মোৰ ৰিক্ত হৃদয়ত ধ্বনিত
হৈছে এই ক্ষণত
মেঘ মধুৰ
এজাক কোমল বতাহ। ০০০

# সৌন্দৰ্য্যতৃষ্ণা

—চালমা জামান
স্নাতক ২য় বাৰ্ষিক

হে প্ৰকৃতি, তোমাৰ কিযে মনোমোহা দৃশ্য
তোমাৰ এই অনিৰ্বচনীয় সৌন্দৰ্য্যৰ
মায়াৰ জালত মই এতিয়া আৱদ্ধ
তোমাৰ এই মাধুৰী ৰূপত
মই তন্ময় হৈ পৰিছো ॥

হে নিৰ্জনতা, তোমাৰ স্নিগ্ধ ৰূপে যেন
মোক তোমাৰ কৰিলে চিৰদিনৰ বাবে
সঁচাই তুমি মোৰ অন্তৰৰ প্ৰেয়সী,
মই তোমাক ভাল পাওঁ ॥

সেউজীয়া প্ৰকৃতিৰ কোমল কোলাত
অনাবিল আনন্দত ঘূৰি ফুৰা মনোমোহা
চৰাইজাকৰ জগত-ভোলোৱা সঙ্গীতে
মোৰ হৃদয় বীণত অপৰূপ
সুৰৰ সৃষ্টি কৰিছে ॥

তোমাৰ বুকুত কত নদ-নদী, পৰ্বত, ভৈয়াম
জান জুৰি আৰু জীৱ-জন্তুৰ আশ্ৰয়ৰ স্থল ।
সঁচাই তোমাৰ এই অনুপম দৃশ্যই
মানুহৰ অন্তৰত প্ৰকৃতি-প্ৰেমৰ
ভাৱ জগাই তুলিছে ॥ ০০

## কলেজৰ প্ৰাচীৰ পত্ৰিকাৰ পৰা

# আধুনিক গীত

—প্ৰণতি চেতিয়া
স্নাতক ২য় বাৰ্ষিক

শেৱালি তোমাৰ
সুকোমল পাহি
ভোমোৰাই চুহি খায়
শেৱালি তোমাৰ
বুকুৰ সপোন
আন্ধাৰতে হেৰাই যায়
শেৱালি তোমাৰ………
শৰৎ আহি
শ্যামলীমা সানি
তোমাক যে উতলাই
শুকুলা মেঘৰ
আঁৰে আঁৰে আহি
জোনাকেও জুমি চায়
শেৱালি তোমাৰ………
………পাহি
ভোমোৰাই………
শেৱালি তোমাৰ
………সপোন
আন্ধাৰতে………
পুৱাৰ কিৰণে
বাতৰি বিলাই
শেৱালি তোমাৰ
চকুলো বোৱাই
যৌৱন দুদিনীয়া
তুমি কিয় বুজা নাই……
শেৱালি তোমাৰ……… ও ০০০

# স্মৃতি

—আৰতি কোঁৱৰ
স্নাতক ২য় বাৰ্ষিক

সেইদিনা জীৱনৰ প্ৰথম পুৱাত
মৰমৰ দুটি হাত মেলি,
ৰচিছিলো ৰঙময় অলেখ কবিতা
ভালপোৱাৰ চিত্ৰপত খেলি ॥

দুধাৰি চকুলো হ'ল হিয়াৰ সাৰথি
নিৰাশাৰ বালি বলুকাত,
সেয়ে হব অতীতৰ অমিয়া মাধুৰী
প্ৰণয়ৰ ফুল দলিছাত ॥

গোৱা নাই তোমাৰেই গান—
বিচিত্ৰ বিধানখনি হাঁহিমুখে লোৱা তেনে
বিদায়ৰ শেষ সন্নিধান ॥

স্মৃতিৰ মাজত বহি আজি জানো পাবা
অতীতৰ মৰম মাধুৰী,
ভুলতো এবাৰ প্ৰিয়ে নকৰা বেজাৰ
তুমি মোক পেলোৱা পাহৰি ॥ ০০

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা
## ১৯৯৫-৯৬ চন

### সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ অস্তিত্ব, মৰ্য্যদা আৰু গৌৰৱ ৰক্ষাৰ্থে নিজৰ প্ৰাণ আহুতি দিয়া মহান বীৰ শ্বহীদসকলৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

ঐতিহ্যমণ্ডিত ৰংপুৰ নগৰত অৱস্থিত নাৰীৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান হৈছে 'শিৱসাগৰ ছোৱালী মহাবিদ্যালয়'। আমাৰ এই জ্ঞান মন্দিৰৰ পৰা শিক্ষা লাভ কৰা বহুতো ছাত্ৰীয়ে ইতিমধ্যে নিজকে সমাজৰ আদৰ্শবান শিক্ষিতা নাৰীৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। ই নিশ্চয় আমাৰ মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কাৰণ। শিক্ষাৰ দ্বাৰাহে আমি প্ৰকৃত জ্ঞান পাওঁ; জ্ঞানতকৈ পৱিত্ৰ একো বস্তু নাই। এই পৱিত্ৰ জ্ঞানৰ দ্বাৰাই সমাজৰ উশৃংখলতা নিবাৰণ কৰিব পাৰি আৰু এই উশৃংখলতাৰ পৰিবেশ নিবাৰণ কৰিব পাৰিলেহে সমাজত সুস্থ পৰিবেশ বাহাল থাকিব। গতিকে মই আশাকৰো আমাৰ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীয়ে একোগৰাকী সচেতন ছাত্ৰী হিচাপে বৰ্ত্তমান সমাজৰ সকলোবিলাক সমস্যা সমাধানৰ কাৰণে সৎ সাহস আৰু সুস্থ চিন্তাধাৰাৰে আগুৱাই যাব।

১৯৯৫-৯৬ চনৰ মহাবিদ্যালয়ৰ নিৰ্ব্বাচনত ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাবে দায়িত্ব ভাৰ লবলৈ যিসকল ছাত্ৰী বান্ধৱীয়ে মোক উৎসাহ-উদ্দীপনা যোগালে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। আপোনালোকে যি মানসেৰে মোক সাধাৰণ সম্পাদিকা হিচাবে নিৰ্ব্বাচিত কৰিলে সেই হিচাবে মই আপোনালোকৰ অভাৱ-অভিযোগ আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

এখন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ, শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তিতা আদি সকলো নিৰ্ভৰ কৰে জ্ঞান অৰ্জন কৰিবলৈ অহা ছাত্ৰীসকল আৰু ছাত্ৰী একতা সভাৰ ওপৰত। সেয়েহে মই সমূহ ছাত্ৰীবান্ধৱীক অনুৰোধ কৰিছো যেঁন তেখেতসকলে এই সত্য স্বীকাৰ কৰি লৈ আত্মসচেতনতাৰে মহাবিদ্যালয়ৰ সুস্থ পৰিবেশ গঢ়ি তোলাত সহায় কৰিব। তেতিয়াহে মহাবিদ্যালয়খনৰ লগতে সমাজৰো মংগল হ'ব।

**১৯৯৫–৯৬ চনৰ ছাত্ৰী একতা সভাৰ কাৰ্য্যসূচী ঃ**

ছাত্ৰী একতা সভাৰ প্ৰধান সম্পাদিকা ৰূপে কাৰ্য্যভাৰ লোৱাৰ পাছতেই মাননীয় অধ্যক্ষ মহোদয় আৰু পুৰণি ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী নিবাসৰ অধীক্ষকৰ বাসভৱন নিৰ্মানৰ বাবে খুটা পোতা হয়। কলেজৰ অধ্যক্ষ মহোদয়ে ইয়াৰ শুভ উদ্বোধন কৰে।

ছাত্ৰী একতা সভাৰ বাবে আন এক উল্লেখনীয় দিন হৈছে ছাত্ৰী একতা সভাৰ নতুন কাৰ্য্যালয়ৰ শুভ উদ্বোধন। কাৰ্য্যালয় উদ্বোধন কৰে অসমীয়া বিভাগৰ অধ্যাপিকা যমুনা বৰগোহাঁই বাইদেৱে। এই উদ্বোধনী অনুষ্ঠানত মাননীয় অধ্যক্ষ মহোদয়ো উপস্থিত আছিল।

আন কেইবছৰৰ দৰে এইবাৰো ২ জানুৱাৰীৰ পৰা ৭ জানুৱাৰীলৈকে ৬ দিনীয়া কাৰ্য্যসূচীৰে বাৰ্ষিক কলেজ সপ্তাহ অনুষ্ঠিত কৰা হয়। ৭ জানুৱাৰীৰ দিনটো আমাৰ বাবে অৰ্থাৎ ছাত্ৰী একতা সভাৰ বাবে অতি গৌৰৱময় দিন। কিয়নো এই দিনটোতে গত তিনি বছৰত ডিব্ৰুগড় মহাবিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা স্নাতক চূড়ান্ত পৰীক্ষাত আমাৰ মহা-বিদ্যালয়ৰ পৰা বিভিন্ন বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰি শিৱসাগৰ ছোৱালী কলেজলৈ সুনাম কঢ়িয়াই অনা ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনাবলৈ সুযোগ পাইছিলো।

বাৰ্ষিক কলেজ সপ্তাহৰ পাছতেই শ্ৰীশ্ৰীসৰস্বতী পূজা পালন কৰা হয়। এই পূজাতে আমাৰ মহাবিদ্যালয়লৈ শ্ৰীযুত প্ৰণৱ ফুকনদেৱে তেওঁৰ দেউতাক ৺দীননাথ ফুকনদেৱৰ স্মৃতিত এখনি ভোৰণ আগবঢ়ায়। তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ।

**নৱাগতা আদৰণী সভা ঃ**

আমাৰ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ অহা নৱাগতা ছাত্ৰীসকলক আদৰণি জনাবলৈ ২০/৯/৯৬ তাৰিখে নৱাগতা আদৰণী সভাখন অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ মাননীয় শ্ৰীযুত বীৰেন তালুকদাৰদেৱে। নিমন্ত্ৰিত অতিথি ৰূপে যোগদান কৰে কেন্দ্ৰীয় মানৱ সম্পদ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী তথা এই কলেজৰ ভূতপূৰ্ব অধ্যক্ষ মাননীয় শ্ৰীযুত মুহিৰাম শইকীয়াদেৱে।

**আমাৰ বিভিন্ন সমস্যা আৰু অভাৱ অভিযোগ ঃ**

প্ৰতিবেদনৰ সামৰণি পৰাৰ আগতে ছাত্ৰীসকলে সততে অনুভৱ কৰা অভাৱ অসুবিধা দুই এটাৰ কথা থোৰতে উল্লেখ কৰিব বিচাৰিছো—

**আমাৰ অভাৱসমূহ ঃ** (১) ছাত্ৰী অনুপাতে মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাৰ সংখ্যা কম।

(২) কেন্টিনৰ পৰিসৰ বৃদ্ধি কৰিব লাগে।

(৩) প্ৰস্ৰাৱগাৰৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে পৰিস্কাৰকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে

(৪) গ্ৰন্থাগাৰত Reading Room ডাঙৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

(৫) ছাত্ৰীসকলৰ জিৰণী কোঠা আহলবহলকৈ নিৰ্ম্মানৰ ব্যৱস্থা কৰিব লাগে।

(৬) মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সংবিধান নোহোৱা বাবে সমস্যাৰ সন্মুখীন হ'ব লগা হয়।

১৯৯৫-৯৬ ৰ মোৰ কাৰ্য্যকালত কলেজৰ সমূহ কাৰ্য্যতে অনুপ্ৰেৰণা যোগোৱা বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সমূহ ছাৰ-বাইদেউলৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। অফিচৰ কৰ্মচাৰী সকলৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু কলেজ কেন্টিনৰ কৰ্ম্মচাৰীয়ে বিভিন্ন সময়ত যথাসাধ্যে আগবঢ়োৱা সহায়ৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশিলো।

মোৰ বান্ধৱী বিদ্যা, ৰীতা, মৃদু, আচৰ্কি, ৰেখা, পাপলি, তহমিদা, চুলতানা, ইনু, মাইনা, পপি, শ্ৰুতিয়ে প্ৰতিটো ক্ষেত্ৰতে মোক যথেষ্ট পৰিমাণে সহায় আগবঢ়ালে। সাধাৰণ সম্পাদিকাৰ বাবে প্ৰতিদ্বন্দিতা কৰাৰ আগৰে পৰা শেষ অৱস্থালৈকে তেওঁলোকে যি সহায় আগবঢ়ালে তাৰ বাবে তেওঁলোকলৈ ধন্যবাদ যাচিলো।

শেষত আমাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। বিশাল বিশ্বৰ জ্ঞানভাণ্ডাৰ মণিমুকুতাৰ লুকাই থকা মাণিক বোটলাৰ আপোনাসৰৰ যি অফুৰন্ত কামনা সেই কামনা পূৰণ হওঁক। আপোনাসৰ ভৱিষ্যতে একো একো গৰাকী দেশৰ সুনাগৰিক হওঁক, সুস্থ সৰল মনেৰে সু-স্বাস্থ্যৰ অধিকাৰী হওঁক, প্ৰতিভাত হওঁক প্ৰতিটো প্ৰত্যাশাৰ প্ৰতিৰূপ। শেষত আপোনাসৰলৈ এটাই অনুৰোধ— নিজকে সঁচা মানৱতাৰে গঢ়ি তোলক।

॥ জয়তু শিৱসাগৰ ছোৱালী কলেজ ॥

মৌচুমী চেতিয়া
সাধাৰণ সম্পাদিকা, ছাত্ৰী একতা সভা

# ছাত্ৰী-একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্যাসকলঃ



১) মৌচুমী চেতিয়া
সাধাৰণ সম্পাদিকা



(২) মালিনী হাজৰিকা
সহঃ সাধাৰণ সম্পাদিকা



(৩) প্ৰণতি চেতিয়া
সম্পাদিকা কলেজ আলোচনী
আৰু সাহিত্য শাখা



(৪) বৰ্ণালী শইকীয়া
সম্পাদিকা , সাংস্কৃতিক বিভাগ



(৫) ৰেখাৰাণী দেৱী
সম্পাদিকা , সঙ্গীত শাখা



(৬) সুৰভি গঁগৈ
সম্পাদিকা , সমাজ সেৱা বিভাগ



(৭) নাজৱিণ বেগম
সম্পাদিকা , তৰ্ক শাখা



(৮) জিনু বৰুৱা
সম্পাদিকা , ছাত্ৰী জিৰণী কোঠা

# যাৰ প্ৰতিভাৱে সমুজ্জ্বল আমাৰ কলেজ (১৯৯৫-৯৬বৰ্ষ)



(১) পদুমী হাতীমূৰীয়া
শ্ৰেষ্ঠা দৌৰ প্ৰতিযোগী



(২) ময়ুৰাক্ষী দত্ত
শ্ৰেষ্ঠা অভিনেত্ৰী



(৩) অংশুমাল্য দত্ত
শ্ৰেষ্ঠা গায়িকা



(৪) আলফুল দেবী
শ্ৰেষ্ঠা আধুনিক নৃত্যশিল্পী



(৫) চয়নিকা গঁগে
শ্ৰেষ্ঠা তাৰ্কিক

# যাৰ প্ৰতিভাৰে সমুজ্জ্বল আমাৰ কলেজ (১৯৯৫-৯৬বৰ্ষ)



(৬) বৰ্ণালী দত্ত
কইনা প্ৰতিযোগিতাত প্ৰথম



(৭) ৰেখাৰাণী দেৱী
কেৰম প্ৰতিযোগিতাত প্ৰথম স্থান



(৮) ৰূপৰেখা বৰুৱা

স্বৰচিত কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান কৰোঁতা। উল্লেখনীয় যে ১৯৯৫ চনত পূব দৰং প্ৰেছ ক্লাবৰ সৌজন্যত আয়োজিত সদৌ অসম কবিতা ৰচনা প্ৰতিযোগিতাত এওঁ প্ৰথম পুৰস্কালাভ কৰিছে।

# যাৰ প্ৰতিভাৰে সমুজ্জ্বল আমাৰ কলেজ (১৯৯৫-৯৬বৰ্ষ)



(৯) চায়েদা চায়েৰ ৰহমান

সংঘবদ্ধ সামাজিক কামকাজ আৰু জনসাধাৰণৰ সতে সু-সম্পৰ্ক ৰক্ষা কৰাৰ বাবে এওঁ ১৯৯৫ চনৰ 'ডিউক অৱ এডিনবোৰা' পুৰস্কাৰ লাভ কৰিছে। তদুপৰি শ্বিলং, চিকিম, গোৱা, তামিলনাড়ু, কৰ্ণাটক আদিত N.C.C. ৰ ট্ৰেকিং আৰু N.I.C. ত এওঁ অংশ গ্ৰহণ কৰি খ্যাতি লাভ কৰিবলৈ সমৰ্থ হৈছে।



(১০) এইবছৰ কলেজৰ বাৰ্ষিক প্ৰতিযোগিতাত কোৰাছত প্ৰথম স্থান লাভ কৰা দলটি *বহি থকা (বাওঁফালৰ পৰা)* ভূপালী দেৱী, স্বৰ্ণালী দত্ত আৰু লভিতা বৰা *ঠিয় হৈ যথাক্ৰমে* - ত্ৰিবেণী বৰা, জুলি নেওগ

## ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

বুৰঞ্জীৰ পৰশ পোৱা ৰংপুৰ নগৰত অৱস্থিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ১৯৯৫-৯৬ বৰ্ষৰ ছাত্ৰী একতা সভা ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ দায়িত্ব লৈ বিগত বছৰটোত মই আপোনালোকৰ হৈ কিমান কাম কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য্য বিষয়। ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে বছৰটোৰ আকৰ্ষণীয় তথা উল্লেখনীয় বাৰ্ষিক কলেজ সপ্তাহ উপলক্ষে ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দায়িত্ব আহি পৰে। ২ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা বাৰ্ষিক উৎসৱটিৰ ক্ৰীড়া পতাকা উত্তোলন কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মঃ হাফিজুৰ ৰহমানদেৱে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে যোগদান কৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কৰ্ম্মচাৰী শ্ৰীপ্ৰবোধ দাস ডাঙৰীয়াই।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠা নিক্ষেপিকা শ্ৰীমতী মণিকা বৰুৱাই ক্ৰীড়া-বন্তি প্ৰজ্বলন কৰি কলেজ সপ্তাহৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মহাবিদ্যালয়ৰ নিজা এখন খেল পথাৰ নথকাত মহাবিদ্যালয়ৰ কাষতে থকা ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰখনতে অতি কষ্টৰে বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ 'Outdoor' খেলসমূহ অনুষ্ঠিত কৰা হয়। প্ৰসঙ্গ ক্ৰমে ক্ৰীড়া বিভাগৰ সম্পাদিকা ৰূপে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এখনি উপযুক্ত খেলপথাৰ বিদ্যালয়ৰ নামত গঢ়ি তুলিবলৈ টানি অনুৰোধ জনালো।

এখন মহাবিদ্যালয়ৰ থাকিব লগা প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহ পৰ্য্যাপ্ত পৰিমাণে নথকা স্বত্বেও কলেজৰ ছাত্ৰীসকলে তাৰেই বিভিন্ন খেলত অংশ গ্ৰহণ কৰি যি পাৰদৰ্শিতা দেখুৱালে তাক নশলাগি নোৱাৰো। এই ঐকান্তিকতা, এনে উৎসাহ কলেজৰ পৰৱৰ্ত্তী কালৰ ছাত্ৰীসকলৰ বাবে নিশ্চয় এক আদৰ্শ হৈ ৰ'ব। যোৱা বছৰ বাৰ্ষিক উৎসৱৰ ক্ৰীড়া প্ৰতি-যোগিতাসমূহত অংশ গ্ৰহণ কৰি শ্ৰীমতী পদ্মমী হাতীমুৰিয়াই শ্ৰেষ্ঠা প্ৰতিযোগী আৰু শ্ৰীমতী মণিকা বৰুৱাই শ্ৰেষ্ঠা নিক্ষেপিকাৰ সন্মান লাভ কৰে।

মোৰ সম্পাদিকাৰ কাৰ্য্যকালছোৱাত কলেজ সপ্তাহৰ উপৰিও চুবুৰীয়া মহাবিদ্যালয়সমূহৰ মাজত এখনি আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ হেপাহ আছিল যদিও কেতবোৰ অসুবিধাৰ বাবে তাক বাস্তৱায়িত কৰিব নোৱাৰিলো। আশা কৰো পৰৱৰ্ত্তী কালত ছাত্ৰী একতা সভাই বিষয়টি বিবেচনা কৰি চাব।

মোৰ সম্পাদিকাৰ কাল ছোৱাত বিভিন্ন কাৰ্য্যসূচীত সকলো সময়তে সৰ্বান্তকৰণে তথ্য অশেষ কষ্টৰে সহায় সহযোগ আগবঢ়োৱা সহকাৰী সম্পাদিকা শ্ৰীমতী অনুৰাধা বৰগোহাঁইৰ শলাগ নললে দোষে চুব। কাৰ্য্যকালৰ শেষ পৰ্য্যন্ত প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়াই মোক কাৰ্য্যক্ষেত্ৰত উৎসাহিত কৰা বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত বিমল দত্ত চাৰৰ লগতে

माननीय श्रीयुत अरুণ বৈৰাগী চাৰ, বিজ্ঞান শাখাৰ আন আন শিক্ষা গুৰুসকলৰ প্ৰতি কৃতজ্ঞতা জনালো। লগতে মোৰ বান্ধৱী লভিতা, বৰ্ণালী, মামু, জুলি, জুমি, মৌচুমী, সুৰভি, ৰেখা, সংগীতা, ভূপালী, লুকু, গীতালী আদিলৈ এই চেগতে ধন্যবাদ জ্ঞাপন কৰিলো।

শ্ৰীত্ৰিবেণী বৰা
সম্পাদিকা, ক্ৰীড়া বিভাগ

## সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন :

ছাত্ৰী একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই ২/১/৯৬ তাৰিখৰ পৰা সাত দিনীয়া কাৰ্য্যসূচীৰে 'কলেজ সপ্তাহ সমাৰোহ' আৰম্ভ কৰা হয়। এই সমাৰোহত তিনিদিনীয়া কাৰ্য্যসূচীৰে সংগীতৰ বিভিন্ন বিষয় যেনে ঃ— বৰগীত, লোক-গীত, বিহু গীত, বনগীত, বিয়া নাম, দিহা নাম, বিষ্ণুৰাভা সংগীত, জ্যোতি সংগীত, পাৰ্ব্বতী সংগীত, জিকিৰ, ভজন, গজল, খেয়াল, সমবেত সংগীত আৰু আধুনিক গীত আদিৰ প্ৰতি-যোগিতা আৰম্ভ হয়। প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰৰ লগতে একোখনিকৈ মানপত্ৰ প্ৰদান কৰা হয়।

১৯৯৫-৯৬ বৰ্ষৰ শ্ৰেষ্ঠা কণ্ঠ শিল্পী হিচাপে স্বীকৃতি পোৱা আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী শ্ৰীঅংশুমালা দত্তলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱা সহকাৰী সংগীত সম্পাদিকা শ্ৰীলভিতা বৰালৈ অশেষ ধন্যবাদ জনালো। লগতে প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত বুধীন মিশ্ৰচাৰৰ লগতে কলেজৰ অধ্যক্ষ প্ৰমুখ্যে মাননীয় চাৰ বাইদেউসকল, কাৰ্য্যালয়ৰ কৰ্ম্মচাৰী সকলোলৈকে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। তদুপৰি সততে মোক সকলো সময়তে লগত থাকি সহায় কৰা বান্ধৱী মৌচুমী, বিদ্যা, মৃদু, ৰীতা, সুৰভি, শ্ৰুতি, আচফি, তহমিদা, চুলতানা, নাজমি, মাইনা ইনু, পপি, পাৰুল, মামণি আৰু এই প্ৰতিবেদনখন লিখি থকা সময়ত নাম মনত নপৰা বান্ধৱীসকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ উপলক্ষে অনুষ্ঠিত সংগীত প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি আমনি সহ্য কৰি আমালৈ সহযোগিতা আগবঢ়োৱা সৰ্ব্বশ্ৰী কৃষ্ণ কলিতা, ৰাতুল কাকতি আৰু বিজুমণি দত্তবৰুৱালৈও আমাৰ কৃতজ্ঞতা থাকিল। তদুপৰি ছাত্ৰীসকলক বাদ্য-যন্ত্ৰত সহায় কৰা সকল, মাইক্ৰ'ফোনত সহায় কৰা শ্ৰীদেৱ কলিতা দাদালৈ ধন্যবাদ জ্ঞাপন কৰিছো। কাৰ্য্যভাৰ পালনৰ সময়ত অজানিতে যদি ভুল কৰিছিলো তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। ০৷৷৷

শ্ৰীৰেখাৰাণী দেৱী
সম্পাদিকা, সংগীত বিভাগ

## সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

এটা স্থায়ী প্ৰেক্ষাগৃহ আৰু মঞ্চৰ অভাৱত এই কলেজৰ ছাত্ৰীসকলৰ সাংস্কৃতিক দিশত অনুশীলন তথা পৰিবেশনৰ কি সমস্যা তাক নুবুজা কোনো লোক নাই বুলিয়েই মোৰ বিশ্বাস। তিনিটা দশক পাৰ হৈ যোৱাৰ পিছতো আমাৰ বিদ্যালয়খনৰ এই অভাৱ পূৰণ হবলৈ বাকী। কলেজ কৰ্ত্তৃপক্ষক ছাত্ৰী একতা সভাৰ তৰফৰ পৰা এই দিশত আৱশ্য-কীয় কাৰ্য্যব্যৱস্থা হাতত লবলৈ বাৰম্বাৰ অনুৰোধ কৰা স্বত্তেও অদ্যপৰিমিত কোনো ইতি-বাচক সহাৰি পোৱা নাই। ই নিতান্তই দুৰ্ভাগ্যজনক।

অৱশ্যে এনে সীমিত পৰিস্থিতিতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত যি ঐকান্তিক প্ৰচেষ্টা আৰু উৎসাহ পৰিলক্ষিত হয় তাক মই নশলাগি নোৱাৰোঁ। যোৱা ১৯৯৫-৯৬ বৰ্ষৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত সাংস্কৃতিক বিষয়ৰ প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট হোৱাৰ উপৰিও প্ৰদৰ্শনীৰ মানদণ্ডও উচ্চ মানৰ হোৱাটো উল্লেখনীয়।

কেৱল নৃত্য-গীতৰ বেলিকাই নহয়, নাট প্ৰদৰ্শনৰ ক্ষেত্ৰতো ছাত্ৰীসকলৰ কলা-কৌশল মাননীয় বিচাৰকমণ্ডলীৰ দ্বাৰা প্ৰশংসিত হোৱা উৎসাহৰ বিষয়। কলেজ সপ্তাহৰ উপৰি এই বিভাগৰ যোগেদি কলেজত পৰম্পৰাগত ভাৱে চলি অহা শ্ৰীশ্ৰীসৰস্বতী পূজা ভাগি

খোৱা বছৰ বেছ উলহ-মালহেৰে পতা হয়।

মোৰ কাৰ্য্যকালত যি সকল বান্ধৱীয়ে সকলো সময়তে মোৰ লগত থাকি কামবিলাক সমাপন কৰাত সক্ৰিয় সহযোগিতা আগবঢ়াইছিল তেওঁলোক সদৌটিলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা প্ৰকাশিলো। লগতে বিভিন্ন প্ৰতিযোগিতাত আমাৰ অনুৰোধ ৰক্ষা কৰি যিসকলে বিচাৰকৰ গধুৰ দায়িত্ব বহন কৰি ছাত্ৰীসকলৰ প্ৰতি সহযোগিতা আগবঢ়ালে তেখেতসকললৈ সশ্ৰদ্ধ কৃতজ্ঞতা জনালো। কলেজৰ মাননীয় অধ্যক্ষ আৰু শিক্ষাগুৰুসকল, কাৰ্য্যালয় সহায়ক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনাই এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

বৰ্ণালি শইকীয়া
সম্পাদিকা, সাংস্কৃতিক বিভাগ

## সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন :

১৯৯৫-৯৬ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰি মই মোৰ দায়িত্ব পালনৰ ক্ষেত্ৰত সাধ্যানুসাৰে যত্ন কৰিছিলো। অৱশ্যে সফলতা বিফলতা ছাত্ৰীসকলৰহে বিচাৰ্য্য বিষয়।

মই মোৰ কাৰ্য্যকালৰ পাতনি মেলো বাৰ্ষিক কলেজ সপ্তাহৰ যোগেদি। ১৯৯৬ চনৰ ২ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই কলেজ সপ্তাহৰ প্ৰাক্‌মুহূৰ্ত্তত মহাবিদ্যালয়ৰ চৌহদ, শিক্ষকসকলৰ জিৰণি কোঠা, খেল-পথাৰ আদি পৰিষ্কাৰ কৰা হয়। আমাৰ কাৰ্য্যকালৰ ভিতৰতে প্ৰথম বাৰৰ বাবে কলেজত ২৬ ৮/৯৬ তাৰিখে শিৱসাগৰ প্ৰকৃতি প্ৰেমী অনুষ্ঠান "বসুধা"ৰ এটি শাখা খোলা হয়। ছাত্ৰীসকলক পৰিবেশ আৰু প্ৰকৃতিৰ প্ৰতি সচেতন কৰি তোলাই এই স্বেচ্ছাসেৱী অনুষ্ঠানটিৰ লক্ষ্য। 'বসুধা'ৰ সৌজন্যত আমাৰ কলেজত এখনি আলোচনা চক্ৰৰো আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত আমাৰ কলেজৰ বহুতো ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটো উল্লেখনীয়।

মোৰ কাৰ্য্যকালৰ ভিতৰতে আন এটি অনুষ্ঠান - SYNO SIBSAGAR YOUTH NATURE ORGANISATION ৰ কাৰ্য্যক্ৰম আমাৰ কলেজত আৰম্ভ কৰা হয়। এই অনুষ্ঠানৰ মূল বিষয় হৈছে— বনানিকৰণ আৰু প্ৰদূষণ। এই অনুষ্ঠানৰ সৌজন্যত আমাৰ কলেজৰ পৰা হোষ্টেল আৰু লাইব্ৰেৰীলৈ অহা-যোৱা কৰা ৰাষ্টাৰ দুৰ্গন্ধময় অৱস্থাৰ কথা আলোচনা কৰি অসুবিধাসমূহ দূৰ কৰাত গুৰুত্ব আৰোপ কৰি আহিছে। আমি আশা ৰাখিছো, আমাৰ পাছৰ ছাত্ৰীসকলেও এই অনুষ্ঠান কেইটি সক্ৰিয় ৰাখি ইয়াৰ কাৰ্য্যসূচী-বোৰ সুচাৰুৰূপে চলাই নিব।

**কৃতজ্ঞতা স্বীকাৰ :** - মোৰ এবছৰীয়া কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপতে বহুতো বহুমূলীয়া দিহা-পৰামৰ্শ দি সহায় সহযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰী একতা সভাৰ সভাপতি মাননীয় অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, উপাধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ কুমাৰ তালুকদাৰ, বিভাগীয় উপদেষ্টা শ্ৰীসমৰজিৎ চৌধুৰী আৰু তৰ্ক বিভাগৰ উপদেষ্টা শ্ৰীযুত অৰুণ বৈৰাগী চাৰৰ ওচৰত বিশেষ ভাৱে কৃতজ্ঞতা প্ৰকাশিছো।

তাৰোপৰি বিভিন্ন সময়ত হিতোপদেশ আৰু সু-পৰামৰ্শ দিওঁতা আমাৰ কলেজৰ মাননীয় চাৰ বাইদেউসকল, কাৰ্য্যালয় সহায়ক আৰু চতুৰ্থ বৰ্গৰ কৰ্ম্মচাৰীসকল আৰু মোৰ সহযোগী ছাত্ৰী-বান্ধৱীসকললৈ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালো।

এই মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিছোঁ।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

শ্ৰীসুৰভি গগৈ
সম্পাদিকা, সমাজ সেৱা বিভাগ

## তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন :

১৯৯৫-৯৬ বৰ্ষৰ বাবে তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই বাৰ্ষিক কলেজ সপ্তাহত তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিব লগা হয়। বাৰ্ষিক কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই

তাকৰীয়া হোৱাটো দুৰ্ভাগ্যজনক। তৰ্ক আৰু আকস্মিক বক্তৃতাত এই কলেজৰ ছাত্ৰীয়ে আন্তঃকলেজ প্ৰতিযোগিতাত বহুবাৰ পুৰস্কাৰ লাভ কৰাৰ নজীৰ আছে। তাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ছাত্ৰীসকলৰ এই দিশটোৰ প্ৰতি অনীহা পৰিলক্ষিত হোৱাটো এক চিন্তনীয় বিষয় হৈ পৰিছে।

তথাপি আমাৰ কাৰ্য্যকালৰ ভিতৰতে ওচৰৰে গড়গাওঁ কলেজত সদৌ অসম ভিত্তিত অনুষ্ঠিত ৺তনু কোঁৱৰ সোঁৱৰণী আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ দুগৰাকী ছাত্ৰীয়ে যোগদান কৰে। পুনৰ ৭-১-৯৬ তাৰিখ দেওবাৰে সদৌ অসম ভিত্তিত শিৱসাগৰৰ উজ্জ্বলতা সংঘৰ সৌজন্যত আমাৰ কলেজ প্ৰাঙ্গনতে এখনি কুইজ প্ৰতিযোগিতা আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত এটি দুজনীয়া দলে যোগদান কৰে। ইয়াৰ উপৰিও ২৪-১-৯৬ তাৰিখে জাঁজী হেমমনাথ শৰ্মা মহাবিদ্যালয়ত মহকুমা ভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত এই মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীচয়ণিকা গগৈয়ে যোগদান কৰি দ্বিতীয় স্থান অধিকাৰ কৰাটো উল্লেখনীয়।

তৰ্ক বিভাগৰ সম্পাদিকা হিচাপে মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্যসূচীসমূহত মোক সজ পৰামৰ্শ আৰু সহযোগিতাৰে যি সকলে বিশেষ ভাৱে সহায় কৰিলে তেখেতসকললৈ — বিশেষকৈ বিভাগীয় উপদেষ্টা শ্ৰীযুত অৰুণ বৈৰাগী চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও সুৰভি, বিদ্যা, মৃদু, মৌচুমী প্ৰমুখ্যে যি সকল বান্ধৱীয়ে সকলো সময়তে সহায়ৰ হাত আগবঢ়ালে তেওঁলোকৰো শলাগ ললো।

ধন্যবাদ সহকাৰে—

মিচ নাজৰীন বেগম
সম্পাদিকা, তৰ্ক বিভাগ

## ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

বিগত বছৰ বিলাকৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অৰ্থাৎ ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত খেলসমূহ নানা অসুবিধাৰ মাজেদি হলেও সুকলমে পাৰ হৈ

যায়। এই খেলসমূহ পৰিচালনা কৰোতে খেলুৱৈসকলক যিমানখিনি সা-সুবিধা দিব লাগিছিল সিমানখিনি হয়তু দিব পৰা নাছিলো। তাৰ বাবে দুঃখিত।

আমাৰ মহাবিদ্যালয়খনত ছাত্ৰীসকলৰ বাবে এটা আহল-বহল জিৰণি কোঠাৰ অভাৱ আমি বাৰুকৈয়ে অনুভব কৰিছিলো। অস্থায়ী ভাৱে হলেও জিৰণি কোঠা এটা আমাৰ ছাত্ৰী একতা সভাখনৰ দিনতেই নিৰ্ম্মাণ কৰি দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ৰ ওচৰত মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সামৰণিত মোৰ বিভাগীয় সকলো কামতে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক সৰ্বশ্ৰী অৰুণ বৈৰাগী, বিমল দত্ত, ইনামুল হুছেইন, আব্দুল হামিদ, অধ্যাপিকা শ্ৰীযুতা অনিতা গগৈ, শ্ৰীযুতা ৰীতা বৰকটকী বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলোঁ। লগতে মোৰ বান্ধৱী নিতু, যামিনী, প্ৰণীতা, আলফুল, মধু, বৰ্ণালি, উৰ্মিৰ পৰা পোৱা সহায়ৰ বাবে এই সুযোগতে মই ধন্যবাদ জনালো।

শ্ৰীজীনু বৰুৱা
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা
ছাত্ৰী একতা সভা

# SIBSAGAR GIRLS' COLLEGE MAGAZINE

## ( 1995-96 )

## || Content ||


1. Role of Teachers In Higher Education : Prof. K. Phukon
2. Computer And Its Applications : Anjana Chanda
3. Language Development In Childhood : Prof. Anita Borooah
4. An Account of Kamarupa by Chinese Pilgrim Hiuen Tsang : Smita Baruah
5. Diet In Different Diseases : Prof. M. B. Chakravarty
6. Matthew Arnold's Conception of Poetry as A Criticism of Life : S. Barua
7. Results of Annual Competitions ( 1995 96 )



**Editor :**

**Pranati Chetia**

# ROLE OF TEACHERS IN HIGHER EDUCATION

**K. Phukan**
**Head, Deptt of Education**

Teaching has been one of the oldest and noblest professions. Hence a teacher has a very complex role to play in the society as an agent of social changes. Teacher, the social engineer of the nation, can pull the strings of erring humanity by teaching, guiding and shaping the developing man.

A teacher is not only the custodian, but also the architect of the nation's new valuebased order. He not only serves society but also moulds it to face new challenges. He helps in the transmission and inculcation of higher moral values and aesthetic sense amongst his pupils through his own personality.

Effective teaching can be equated to the relationship a teacher has with the society and, more particularly, with one's students whose growth and development are the major concern of a teacher. Catering to the dynamic needs of the present generation of the stunents is extremely challenging and it demands of a teacher a great deal of resourcefulness and preparation.

A new awareness is noticed in recent years about the role that a teacher must play in improving the quality of higher education. In this connection, it may be said that teachers decide a nation's destiny. It is also notable that the greatness of a country does not depend on lofty buildings, gigantic projects and large armies. The ultimate test of a nation's greatness is the quality of her citizens. It is, therefore, the sacred duty of the teacher to impart the right type of education to students in order to make them right type of citizens.

In the modern changing society with the scientific and technological developments, the role of teacher and his responsibility become more complex and

too much comprehensive especially in higher education. As a person, as an educator, the teacher with interest and sincerity, plays his role as a formative force. With his technical skill, a capable teacher can easily win the co-operation of his students for various educational enterprises.

Briefly, the teacher can play the vital role in developing the changing society and also the nation in the following ways.

1. The teacher in higher education should provide new facts and every kind of information that take place about various subject-matters.

2. He can encourage the students for social reforms. In this respect, the teacher with the help of his/her students can make effort to remove illiteracy as a result of which social awareness can be created amongst the people against early marriage, child labour, etc.

3. The teacher can organize various types of activities like programme for educating the illiterates, provide knowledge regarding the living standard of the people in remotest area, etc.

4. The teacher can play important rol[e] in preparing adequate syllabi suitabl[e] to the needs of the present societ[y] and environment.

5. He can play important role in refor-ming the present examination system.

6. The teacher can play an importan[t] role in directing the students to avoi[d] use of narcotics which is a seriou[s] threat to the mental and physica[l] health of the youth. He can help them know how to eradicate these social evils through self control.

7. He can direct the students to hav[e] the moral courage to desist from copying and using unfair means i[n] the examinations, to control them-selves from raising indiscipline and other social evils.

8. International understanding should b[e] promoted among the students o[f] higher education.

9. The teacher should belong to a certai[n] discipline of study. As people enga-ged in teaching and research in particular discipline, a teacher is als[o] concerned with the development o[f] his subject, area of interest and hi[s]

her own professional growth.

10. He is expected to provide leadership in social change and national reconstruction activities besides being trainer of the much needed human resource. This function of a teacher is as important as other roles of the teacher in higher education.

11. At the present unsteady situation of democracy where politicians are becoming involved in heavy corruption, the teacher of higher education as a social reformer, can protest and help the administration,

Lastly, we may conclude that all knowledge needs a medium of communication and teachers can best regulate the communication of knowedge, and university and colleges are the proper fields that can facilitate such communication. The teacher of higher education is engaged in the mastery of knowledge and with continued mastery of knowledge — for mastery is a continuing life-long process— he broadens its communication to the students immediately entrusted to his charge and dessimination through publication or public discussion through the wider world. ●●

> *"You must not lose faith in humanity. Humanity is an ocean ; if a few drops of the ocean are dirty, the entire ocean cannot become dirty."*
>
> *—M. K Gandhi*

# COMPUTER AND ITS APPLICATIONS

**Anjana Chanda**
**B.Sc. 2nd year**

Almost a century ago a spate of inventions were ushered in in the wake of the first Industrial Revolution. Within a short span of time, many countries became industrialised. Now, we are on the threshold of another Industrial Revolution. The major cause of the second Industrial Revolution is the invention of computers. Man has invented many electronic devices, no doubt, but the computer has made a greater impact on society than any other single device.

'To compute' means to count. So, the literal meaning of 'computer' is a counting machine, or a calculator ; but a computer performs many more functions than a mere calculator. We can do all our correspondence, culculations and files for maintaining records. Besides facilitating the office work, computers today are also playing a significant role in the fields of education and entertainment.

**History of Computer**

The earliest computer which was first developed by the human being was the device named **ABACUS**. It was developed by the Chinese around 3000 B. C. During the 19th century, Charles Babbage, a mathematician developed the modern computer.

**Computer Units**

There are three types of computer Unit—
1) Input Unit ( IU )
2) Central Processing Unit (CPU)
3) Output Unit (OU)

**Types of Computers**

Based on the operating principles, computers can be classified into one of the following types :—

1, Digital computers
2. Analog computers, and
3. Hybrid computers

## Classification of Computers

Computers are also available in different sizes and with different capabilities. Broadly, they may be categorised as—

1) Micro computers
2) Mini computers
3) Main frames, and
4) Super computers

## Computers in Human Life

The number of ways that computers affect human life is uncountable. The spate of innovations and inventions in computer technology during last decade has led to the development of micro and personal computers. They are so versatile that they have become indispensable to engineers, scientists, business-executives, managers, administrators, accountants, teachers and students.

Modern computers possess certain characteristics and abilities peculiar to them. They can :

1. Perform complex and repetitive calculations rapidly and accurately,
2. Store large amounts of data and information for subsequent manipulations,
3. Hold a programme of a model which can be explored in many different ways,
4. Make decisions,
5. Provide information to the user,
6. Automatically correct or modify—by providing signals—certain parameters of a system under control,
7. Draw and print graphs, and
8. Converse with users through terminals.

Engineers and scientists make use of the high-speed computing capability of computers to solve complex research and design problems.

Computers are used in banks to take care of the accounting system and keep track of the enormous amount of money.

They are also used in various purpose like booking tickets, printing books, controlling the movements of aeroplanes and space-crafts, for detecting and diagonosing diseases, etc. Computers can even be used to compose music, write poems, and produce drawings and paintings.

The areas of computer applications are literally too numerous to mention. Some people are afraid that in the long run, computers will control men and that man will become a slave of computers. But this fear has no basis. It must be remembered that computers are machines created and managed by men. A computer has no brain of its own. In fact, a computer is like Alladin's genie, ready to do any work which it is commanded to do. ●

# LANGUAGE DEVELOPMENT IN CHILDHOOD

**Anita Borooah**
**Deptt. of Education**

All of us know that a young child learns language fast. It is so common that we may not think much about it. Yet this is one of the most amazing examples of the speed and complexity of development. At birth, the infant communicates only through cries ; in three years the child has learnt the basics of her first language, and can use it for several purposes. This happens to all children reared in all cultures ; perhaps, it is a natural process. What are the main stages of language development ?

At about one year of age, most children speak their first words. This is also the time at which most children learn to walk. Talking and walking are the most significant achievements of the first year. In the second year, the child begins to join words and communicate in longer utterances. In the third year, the child's vocabulary and grammar grow by leaps and bounds, and at the end of this period, the child can skilfully perform the basic functions of language,

There are several theories about how children acquire language. We normally think that children learnt language by imitating what they heard around them. However, recent research has shown that children do much more than imitate ; for example, they produce new sentences using words in different ways. They say things which they could never have heard before. They make grammatical mistakes which they do not hear around them. Children seem to be able to draw out rules of language or grammar from their experience and apply them to new situations. So, what they are actually doing is to learn a set of rules about language. Linguist came out with the idea that children have an innate capacity to abstract rules or an ability

to learn languages. There is still much debate going on about these two theories. It is enough to remember that language learning is not a mechanical task, but related to the growth and mental processes.

## ELEMENTS OF LANGUAGE

